স্মৰণিকা

সাহোন ২০১৫



বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদযাপন সমিতি, ২০১৫

আহ্বান

দ্বিত্রিংশতিতম্ বৰ্ষ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউছিং কলনী, দিশপুৰ,

গুৱাহাটী - ৭৮১০০৬

১, ২ আৰু ৩ ব'হাগ, ১৪২২ ভাস্কৰাব্দ
ইং ১৫, ১৬ আৰু ১৭ এপ্রিল, ২০১৫

ৰঙালী বিহুৰ শুভেচ্ছা আৰু নতুন বছৰৰ ওলগ জনাই...

প্ৰতি,

....

....

বিহুৰ সেৱাৰে—

ৰমেন কলিতা
সভাপতি

পাৰুল বৰুৱা
সম্পাদক

স্মৰণিকা সম্পাদনা সমিতি

দ্বিত্ৰিংশতিতম্ সংখ্যা

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা – ২০১৫

ৰঙালী বিহু উৎসৱৰ উদ্বোধনী গীত

ৰঙালী বিহুক জাতীয় মৰ্যাদা দি মঞ্চ বিহুৰ জন্মদাতা গুৱাহাটী বিহু সন্মিলনীৰ প্ৰথম বৰ্ষৰ (১৯৫২ চন) পতাকা উত্তোলনৰ সময়ত সমবেত কণ্ঠেৰে গোৱা এই গীতটি আজিৰ অসমৰ বিহুতলীসমূহে 'বিহু উদ্বোধনী' গীতৰূপে গ্ৰহণ কৰিছে। এই গীতটিৰ সুৰ আৰু কথা যশস্বী সুৰকাৰ আৰু সংগীতজ্ঞ প্ৰয়াত পুৰুষোত্তম দাসৰ—

শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছ্বৰ মধু আলোড়ন।
জাগে গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপ-বন।
ভেদাভেদ পৰিহৰি কত জাতি-উপজাতি
মহাপীঠ কৰে নিৰমান।
উলাহ অধীৰ ছন্দে কৌটি কৌটি কণ্ঠে
গায় সৱে মিলনৰ গান।
সৰগৰ ৰহঘৰা ৰূপে-ৰসে-ৰঙে ভৰা
উচ্ছল যত প্ৰাণ-মন।
সৃষ্টিৰ সুৰ বাজে প্ৰীতিৰ পতাকা উৰে
নতুনৰ লই আৱাহন।

সম্পাদনা সমিতি

সভাপতি	ঃ	শ্ৰীযুত ৰমেন কলিতা
উপ-সভানেত্ৰী	ঃ	শ্ৰীমতী ভাৰতী ভট্টাচাৰ্য্য
সম্পাদক	ঃ	শ্ৰীমতী পাৰুল বৰুৱা
সহকাৰী সম্পাদকদ্বয়	ঃ	শ্ৰীমতী সুবৰ্ণলতা হাজৰিকা শ্ৰীমতী কল্পনা শৰ্মা
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী অনিমা বৰদলৈ, ৰীতা ডেকা, মামনি দাস, নীলমণি ঠাকুৰ, ৰাতুল দাস
প্ৰকাশক	ঃ	বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি, ৰঙ্গমঞ্চ পথ, হাউচিং ক'লনি গুৱাহাটী-৭৮১০০৬
মুদ্ৰণ	ঃ	পেচিফিক্ লেজাৰ প্ৰিণ্টচ্, গণেশগুৰি, কাহিলীপাৰা পথ, গুৱাহাটী-৬

শ্ৰদ্ধাঞ্জলি

অৱনী ভট্টাচাৰ্য্য

স্নেহময়ী বৰঠাকুৰ

মৃণাল শৰ্মা

অতুল চন্দ্ৰ পাটগিৰী

প্ৰভা গাৰো

কল্পনা হাজৰিকা

হেমাঙ্গিনী দাস (ডলি)

নৰেশ্বৰ দাস

পঞ্চমী গাৰো

টঙ্কেশ্বৰ শৰ্মা

চন্দ্ৰ দাস

RAJ BHAVAN
GUWAHATI

Message

I am glad to learn that the Brihattar Rukmini Nagar Rongali Bihu Sanmilan is celebrating its 32nd 'Rongali Bihu' Festival on 15th and 16th April, 2015 with great fanfare.

Rongali Bihu is a festival of unity and integrity among the people of Assam. People from all ethnic communities participate in this festival which also marks the beginning of the Assamese New Year. The season of spring with the melodious singing of the 'Kuli' and the 'Keteki' birds and the blooming of the 'Kopou' and the 'Keteki' flowers heralds the great Rangali Bihu celebrations when the people dance to the mesmerizing tunes of the 'Dhol', 'Pepa', 'Gogona' and other ethnic musical instruments.

I wish the 32nd Rongali Bihu Festival of the Brihattar Rukmini Nagar Rongali Bihu Sanmilan and its Souvenir – 'Sahon' all success.

(Padmanabha Balakrishna Acharya)

Governor of Assam

Dated: March 30, 2015

Raj Bhavan:: Guwahati

তৰুণ গগৈ

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

দিছপুৰ
২৩-৩-২০১৫

শুভেচ্ছাবাণী

বৃহত্তৰ ৰুক্মিণী নগৰ দ্বি-ত্ৰিংশতিতম ৰঙালী বিহু সন্মিলনখনি অহা ১৫ আৰু ১৬ এপ্ৰিল তাৰিখে ৰঙ্গমঞ্চ পথ, হাউছিং কল'নী, দিশপুৰত বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই সুখী হৈছো।

বিহু আমাৰ বাপতি সাহোন - আমাৰ সমাজ-সংস্কৃতিৰ দাপোন স্বৰূপ। বিহু সমন্বয়-সংহতিৰ উৎসৱ। আশা কৰোঁ, ৰঙালী বিহু উদ্‌যাপনৰ আনন্দমুখৰ পৰিৱেশে বিভিন্ন জাতি-উপজাতি, জনগোষ্ঠীৰ সংমিশ্ৰণত গঢ়ি উঠা বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ সাতামপুৰুষীয়া সামাজিক-সাংস্কৃতিক সংহতি আৰু সম্প্ৰীতিৰ বান্ধোনক অধিক সুদৃঢ় কৰাত অৰিহণা যোগাব আৰু অসমক সৰ্বোত্তম বিকাশৰ পথত আগবঢ়াই নিয়াৰ প্ৰচেষ্টাত ব্ৰতী হ'বলৈ সকলোকে অনুপ্ৰাণিত কৰিব।

ৰঙালী বিহু সন্মিলনখনিৰ সম্পূৰ্ণ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া 'সাহোন' নামৰ স্মৰণিকাখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(তৰুণ গগৈ)

Jitesh Khosla, I.A.S.
Chief Secretary

GOVERNMENT OF ASSAM
Block-'C', 3rd Floor,
Assam Sachivalaya,
Dispur, Guwahati-781006
Tel. : 0361- 2261120 (O)
2261403 (O)
2260900 (Fax)
E-mail : cs-assam@nic.in

শুভেচ্ছাবাণী

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সৌজন্যত অহা ১৫ আৰু ১৬ এপ্ৰিল, ২০১৫ (১ আৰু ২ বহাগ) তাৰিখে দ্বি ত্ৰিংশতিতম ৰঙালী বিহু সন্মিলনখন অনুষ্ঠিত কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছো।

ৰঙালী বিহু অসমীয়া জাতিৰ দাপোন। প্ৰকৃতিৰ মন প্ৰাণ উতলা কৰা এই বিহুৱে অসমৰ বিভিন্ন জনগোষ্ঠীক সম্প্ৰীতিৰ ডোলেৰে বান্ধি ৰাখিছে।

উক্ত ৰঙালী বিহুৰ লগত সংগতি ৰাখি প্ৰকাশ কৰিবলৈ লোৱা স্মৰণিকা 'সাহোন' লৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

শেষত বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনৰ সমূহ কাৰ্যসূচী সাফল্যমণ্ডিত হোৱাৰ শুভ কামনাৰে—

(জিতেশ খোছলা)

শুভেচ্ছাবাণী

বৃহত্তৰ অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিৰ পথাৰত যুগ যুগ ধৰি সমন্বয়ৰ দলিচা পাৰি জাতিটোৰ স্বকীয় সত্তাক সতীৰ্থ কৰি অহা অন্যতম জাতীয় উৎসৱ ৰঙালী বিহু। বসন্তৰ প্ৰথমস্পৰ্শত নৱযুগে আনে খেতিয়কৰ চকুলৈ সপোন, জীয়াই থকাৰ প্ৰেৰণা। আনন্দৰ উৎসৱ ৰঙালী বিহু আহে সম্প্ৰীতিৰ বতৰা লৈ, একোটি সপোন লৈ সকলোৰে মনত, সকলোৱে দেহত। এয়া যেন আমাৰ এৰাব নোৱাৰা সম্পৰ্ক গাঢ়িৰ সমস্ত মানুহৰ। অসম আৰু অসমীয়াৰ দেহ-প্ৰাণ নাচি উঠে জাতীয় জীৱনৰ এই মহা উৎসৱত। হৃদয়ৰ ভাৱক সৃষ্টিৰ পথাৰত সিঁচি সকলোৱে মিলনৰ জয়গান গায়। ভিন্নৰূপ, ভিন্ন সুৰ, ভিন্ন ৰং মিলিত হয় ৰঙালীৰ আনন্দোৎসৱত।

পাহাৰ-ভৈয়ামৰ একাত্মতাৰ কৰি বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণত গঠিত অসমীয়া জাতিৰ পৰিচয় বহন কৰা ৰঙালী বিহুটি আমাৰ অতিকৈ আদৰৰ, অতিকৈ মৰমৰ। সেয়ে, গুৱাহাটীৰ বৃহত্তৰ ৰুক্মিণী নগৰবাসী ৰাইজৰ সন্মিলিত প্ৰচেষ্টাত 'বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলনে' অহা ১ আৰু ২ ব'হাগত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙালী বিহু উদ্‌যাপন কৰিব বুলি জানি আনন্দ অনুভৱ কৰিছোঁ।

ৰঙালীৰ এই মহা আয়োজনক চিৰস্মৰণীয় কৰি ৰাখিবৰ বাবে আমাৰ স্বকীয় ভাষা-সাহিত্য-সংস্কৃতিৰ নন্দন সৃষ্টিৰ চেষ্টাৰে সম্ভাৰেৰে সমৃদ্ধ এখনি স্মৃতিগ্ৰন্থ 'সাহোন' প্ৰকাশ কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে। আশাকৰো, 'সাহোন'ৰ প্ৰতিটো পৃষ্ঠা নবীন-প্ৰবীণ লেখক-লেখিকাৰ মনত গুঞ্জৰিত হোৱা নানা চিন্তাই সাহিত্যৰ মালা গাঁথি অনুপমৰূপত সজাই তুলিব। ৰঙালীৰ জাপেৰে নিগাজ পৰিচিত শকত মাহাত্ম্যলাভ অসমৰ বাবেৰহনীয়া ভাষা-সাহিত্য-সংস্কৃতিয়ে প্ৰাণ পাই উঠিব।

'সাহোন' অসমীয়া জাতিৰ সম্প্ৰীতিৰ খাপোপ হওক- তাৰেই কামনাৰে সকলোকে ৰঙালী বিহুৰ আন্তৰিক শুভেচ্ছা যাচিলো।

চিৰ চেনেহী মোৰ ভাষা জননী।

২০ চ'ত, ১৪২১ ভাস্কৰাব্দ

(ড° ধ্ৰুৱজ্যোতি বৰা)
সভাপতি
অসম সাহিত্য সভা

ঠিকনা
সমূহ
সিপিঠিত

শুভেচ্ছাবাণী

গুৱাহাটী
৭-৪-২০১৫

শুভেচ্ছা বাণী

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত দ্বি-ত্ৰিংশতিতম বিহু সন্মিলনৰ স্মৃতিগ্ৰন্থ "সাহোন" লৈ মোৰ আন্তৰিক শুভেচ্ছা জনালো। এই আলোচনীখন যেন বছৰে বছৰে ৰঙালী বিহুৰ সময়ত সুস্থ আৰু সুন্দৰভাৱে প্ৰকাশ পাই থাকে তাৰ বাবে মোৰ আন্তৰিক কামনা ব্যক্ত কৰিলো। লগতে মই সদৌ বিহু কমিটিলৈ বিহুৰ শুভকামনা জনালো।

ইতি
বিনীতা

নিৰুপমা বৰগোহাঁই

আলোচনী

সম্পাদকৰ একলম

বেলিটো যেতিয়াই হয়
সেউজীয়া
মানুহবোৰে তেতিয়াই
সাবটি লয়
ইজনে সিজনক'

সকলোফালে সেউজীয়াৰ সমাহাৰ লৈ আকৌ আহিছে ব'হাগ। ব'হাগ মানেই মাদকতা। ব'হাগ মানেই ৰং আৰু আশা। কুলি কেতেকীৰ মাতত ব'হাগ আহে, লগত আহে অসমীয়াৰ বাপতি সাহোন, অসমীয়া জাতীয় জীৱনৰ পৰিচায়ক ৰঙালী বিহুটি। অসমীয়া বুলি কওঁতে সাম্প্ৰতিক সময়ত অসমীয়াৰ সংজ্ঞা বিচাৰি 'অসমীয়া কোন' নামৰ ৰাজনৈতিক প্ৰশ্নটোৱে বহুতকে বিব্ৰত কৰি তুলিছে। এইটোত কাৰো দ্বি-মত নাই যে বিভিন্ন জাতি-জনজাতি, জনগোষ্ঠীক লৈয়েই বৃহত্তৰ অসমীয়া জাতি গঠন হৈছে। অসমীয়া ভাষা আৰু জাতীয় জীৱনলৈ মহৎ বৰঙণি আগবঢ়াই যিয়ে অসমৰ স্বাৰ্থৰ হকে ঠিয় দি মাত মাতিছে তেৱেঁই অসমীয়া। যুগে যুগে অসমলৈ যিসকল বিভিন্ন ভাষা-ভাষী মানুহ আহি অসমৰ বৈশিষ্টৰ লগত মিলি গৈছে— সেইসকলেই অসমীয়া। অসমৰ উন্নতিৰ হকে আত্ম উৎসৰ্গা কৰা বহু লোকৰ পূৰ্বপুৰুষ অসমৰ বাহিৰৰ পৰা আহি অসমৰ কেঁচা মাটিৰ গোন্ধেৰে অসমৰ কৃষ্টি সংস্কৃতিত বিলীন হৈ নিভাঁজ অসমীয়া হৈ পৰিছে। আমি সকলোৱে মিলি অসমীয়া বুলি পৰিচয় দিলেও ৰাজনৈতিক পৰিক্ৰমাত অসমীয়াৰ সংজ্ঞা বিচৰা হৈছে। অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ বিভিন্ন ভাষা সাহিত্য-সংস্কৃতিৰে মহীয়ান হৈ ঐক্য-সংহতিৰ এনাজৰীৰে আমি বান্ধ খাই আছো। অসমৰ বাহিৰলৈ গৈ অসমীয়া বুলি পৰিচয় দি গৰ্ব অনুভৱ কৰিছো। কাৰণ ইমান বাৰে-ৰহণীয়া কৃষ্টি-সংস্কৃতি পৃথিৱীৰ আন কোনো ৰাজ্যতে পাবলৈ নাই। নিজ নিজ জাতি জনগোষ্ঠীৰ বিভিন্ন বৈশিষ্ট্যৰে অসমীয়া সমাজ গঢ় লৈ উঠিছে। সবাৰো ঊৰ্দ্ধত আমি অসমীয়া। নিজকে ভূমি পুত্ৰ বুলি দাবী কৰাসকলেও অসমৰ কেঁচা মাটিৰ গোন্ধ লৈয়েই নিজৰ ভাষা-সংস্কৃতিৰ কাম কৰা নাই জানো। গতিকে নিজকে বিচ্ছিন্ন নকৰি সকলো জাতি-ধৰ্ম -গোষ্ঠী একবদ্ধ হৈ কাম কৰি নিজ নিজ জাতিক আগবঢ়াই নিলেই অসম সমৃদ্ধিশালী হৈ পৰিব।

অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুটিক আমি ঐতিহাসিক পৰম্পৰাত আঘাত নকৰাকৈ যাতে পালন কৰিব পাৰো সেয়াই আমাৰ লক্ষ্য হোৱা উচিত। সংস্কৃতি বোৱতী নৈ। সময়ৰ গতিয়ে সংস্কৃতিলৈ

ৰূপান্তৰ আনে। এই ৰূপান্তৰ হয় সকলোৰে অলক্ষিতে। 'ৰূপান্তৰেহে জগত ধুনীয়া কৰে, এয়েই মোৰ গায়ত্ৰী মন্ত্ৰ' বুলি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কৈ গৈছে। 'কিন্তু আধুনিকতাৰ নামত দ্ৰুত ৰূপান্তৰ ঘটাই আমি বিহুটোক যাতে বিকৃত কৰি সংস্কৃতিৰ খহনীয়া হ'বলৈ দিব নোৱাৰো তাৰ বাবে আমাৰ বিহুতলীৰ উদ্যোক্তাসকলৰ লগতে শিল্পীসমাজৰো দায়িত্ব আছে. আধুনিকতাৰ নামত উৰি ফুৰোতে মাটিত থকা আমাৰ শিপাডালক যাতে আমি পাহৰি নাযাওঁ। সেয়ে নহ'লে উত্তৰ পুৰুষলৈ আমি এখন সুস্থ সমাজ এৰি থৈ যাব নোৱাৰো।

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ দাপোণ 'সাহোন' বিগত বছৰবোৰৰ দৰে এইবাৰো প্ৰকাশ কৰাৰ প্ৰয়াস কৰিছো। প্ৰকাশৰ বাবে প্ৰয়োজনীয় বিভিন্ন দিশত সহায় সহযোগ আৰু দিহা পৰামৰ্শ দি 'সাহোন'ক সৰ্বাংগ সুন্দৰ কৰি সজাই তোলাৰ বাবে বিহুৰ সাধাৰণ সম্পাদক আৰু সভাপতি প্ৰমুখ্যে সাহোনৰ সম্পাদনা সমিতিলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। 'সাহোন'ক শুভেচ্ছা বাণীৰে ধন্য কৰি আমাক উৎসাহিত কৰাৰ বাবে পৰম শ্ৰদ্ধেয় সেইসকল ব্যক্তিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। যিসকল লেখক লেখিকাই সাহোনক সমৃদ্ধ কৰি তুলিলে সেইসকললৈ চিৰ কৃতজ্ঞ হৈ ৰ'লো। বিজ্ঞাপন আৰু বিভিন্ন দান, বৰঙণিৰে সহায় আগবঢ়োৱা সকলোৰে ওচৰত আমি চিৰ ঋণী।

অতি কম সময়ৰ ভিতৰতে 'সাহোন'খনি প্ৰকাশ কৰি উলিওৱাৰ বাবে 'পেচিফিক লেজাৰ প্ৰিণ্টচ'ৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সকলো কৰ্মকৰ্তালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল ক্ৰটিৰ বাবে ৰাইজৰ ওচৰত মাৰ্জনা বিচাৰিলো।

শেষত সদৌটি ৰাইজলৈ ৰঙালী বিহু আৰু অসমীয়া নৱ বৰ্ষৰ ওলগ, শুভেচ্ছা আৰু সেৱা জনালো।

শুভেচ্ছাৰে—

পাৰুল বৰুৱা

সম্পাদক 'সাহোন'

সভাপতিৰ একলম

বৃহত্তৰ ৰুক্মিণীনগৰবাসী ৰাইজৰ লগতে অসমবাসীলৈ অসমীয়া নৱবৰ্ষৰ শুভেচ্ছা আৰু ৰঙালী বিহুৰ ওলগ জনোলো।

এটা বছৰৰ প্ৰতীক্ষাৰ অন্তত পুনৰ অসমীয়া জাতিৰ বাপতি সাহোন ৰঙালী বিহুটি পালেহি। অসমীয়া জাতিৰ সংহতি ৰক্ষা কৰি এইবছৰো বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনীয়ে অহা ১, ২ আৰু ৩ ব'হাগ, ইং ১৫, ১৬ আৰু ১৭ এপ্ৰিল ২০১৫ তাৰিখে তিনিদিনীয়া কাৰ্য্যসূচীৰে দ্বিত্ৰিংশতিতম্ বিহু উৎসৱ উদ্‌যাপন কৰিবলৈ দিহা কৰিছে আৰু 'সাহোন' নামৰ স্মৰণিকাখনি এই বেলিও প্ৰকাশ কৰিবলৈ লৈছে। ঐতিহ্যমণ্ডিত এই বিহুখনিৰ বিগত বছৰবোৰৰ ইতিহাসৰ স'তে বৃহত্তৰ ৰুক্মিণীনগৰ অঞ্চলটোৰ ৰাইজৰ বহুতো স্মৃতি জড়িত হৈ আছে। অঞ্চলবাসী ৰাইজৰ ভাষা-সাহিত্য, কলা-সংস্কৃতি, চিন্তাচৰ্চা, স্মৃতিবোৰ ধৰি ৰাখিবলৈকে 'সাহোন'ৰ জন্ম। 'সাহোনে' মৰ্যাদাপূৰ্ণ স্থান প্ৰতিবছৰে পাওঁক এয়ে কামনা।

যিসকল লেখক-লেখিকাই গল্প, প্ৰবন্ধ, কবিতা আদি 'সাহোন'ৰ পাতলৈ আগবঢ়ালে তেখেতসকলক সম্পাদনা সমিতিৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো। ছপাশালৰ সমূহ কৰ্মকৰ্তা, বিজ্ঞাপন দাতা লগতে বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ প্ৰতিজন সদস্য-সদস্যালৈ আন্তৰিক অভিনন্দন আৰু বিহুৰ ওলগ জনালো। বিশেষভাৱে 'সাহোন'ৰ সম্পাদিকা শ্ৰীমতী পাৰুল বৰুৱাক শলাগ লোৱাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আঠীয়া কলৰে পাতে নাকাটিবা
ছিটিকি পৰিব এঠা।
শান্তি প্ৰীতিৰে থাকক ঐ ৰাইজখন
হিংসাৰে নলগাওঁ লেঠা।।

ইতি—
ৰমেন কলিতা
সভাপতি
'সাহোন' সম্পাদনা সমিতি

সূচীপত্র

- অন্তঃসলিলা ✍ ৰেৱতী মোহন হাজৰিকা/১৩
- কাটলেট ✍ অনুবাদ ঃ গিৰীশ দত্ত/২০
- ঋণমুক্তি ✍ সত্যধৰ মটক/২৫
- মায়া - মাথো মায়া ✍ ৰুমা ৰাজখোৱা/২৯
- মোৰ অনুভৱত.. মিঠা সুবাস ✍ অৰুনিমা কাকতি/৩৪
- অৱসাদৰ পিছত ✍ মঞ্জুলা কাকতি/৩৮
- ৰঙা পাৱিৰ চাঁদৰ ✍ হেম্লী গোস্বামী/৪১
- পাঁচটা স্তবক ✍ মীৰা ঠাকুৰ/৪৩
- আহত সময়ৰ মালিতা ✍ ৰমেন কলিতা/৪৪
- সুবৰ্ণ মণি ✍ গোলাপ বৰুৱা/৪৫
- কি কৰো বাসন্তী ✍ হিৰণ্য কুমাৰ গায়ন/৪৫
- হে বিল বনোৱা মানুহজন ✍ পশুপতি হাজৰিকা/৪৬
- নৈয়েদি বৈ আহিছে প্ৰেমৰ উছাহ ✍ জ্যোৰ্তিময়ী ডেকা/৪৬
- সহৃদয়তা ✍ প্ৰতিমা বৰা/৪৭
- বসন্ত আহিছে ✍ চন্দন বাচফোৰ (ওম)/৪৭
- বসন্ত আহিছে ✍ মৃণালী ভৰালী/৪৮
- বসন্ত ✍ ৰীতা ডেকা/৪৮
- কপৌ ফুলৰ ধেমালি ✍ গিৰীজা দাস/৪৯
- মদাৰ ✍ নুৰ আলী/৪৯
- ব'হাগৰ বতৰা ✍ দী-বি-বি/৫০
- কোলাহ'ল ✍ অনিমা মটক/৫১
- সৰু ফুল ✍ ধৰিত্ৰী বাভা /৫২
- বিহু ✍ ৰীণা পূজাৰী/৫২
- অপেক্ষা ✍ মামনী দাস /৫৩
- বাউলী বহাগ ✍ মৌচুমী ব্ৰহ্ম/৫৩
- সেউজীয়া ✍ মণিষা বণিক্য/৫৪
- বহাগ ✍ পৰিণীতা বৰুৱা/৫৪
- নাচনীহঁতৰ .... কিছু কথা ✍ খগেন ফুকন/৫৫
- শস্য চপোৱা উৎসৱ ✍ ৰোহিনী শৰ্মা/৫৮
- আনিনিত বঙালী ..... কৰিলো ✍ মিত্ৰদেৱ শৰ্মা/৬১
- নলিনীবালা দেৱীৰ ....স্মৃতি ✍ কণিকা বৰদলৈ/৬৪
- বিহুৰ পটভূমিত আজিৰ অসমীয়া ✍ ভাৰতী ভট্টাচাৰ্য্য/৬৬
- ভক্ত প্ৰহ্লাদ ✍ অঞ্জলি দত্ত/৬৯
- পৰিৱৰ্তনৰ দিশত ৰঙালী বিহু ✍ জুৰি বৰুৱা/৭২
- বসন্তোৎসৱ আৰু ভঠেলি ✍ হেমন্ত কুমাৰ চৌধুৰী/৭৫
- বিহুনামত জীয়াই থকা মাছবোৰ ✍ পাৰুল বৰুৱা/৭৯
- আমাৰ .... মাদকতা ✍ পূৰ্ণলাল সেনাপতি/৮২
- গোৱালপৰীয়া লোকগীত........ ✍ নিৰ্মলা দাস/৮৫
- অসম আৰু অসমীয়া ✍ নিলীমা শইকীয়া দাস/৮৯
- বিজ্ঞান আৰু বিজ্ঞান দিৱস ✍ তুলনা দত্ত মেধি/৯১
- ৰূপান্তৰৰ গতিপথত আমাৰ সংস্কৃতি ✍ কল্পনা শৰ্মা/৯২
- ব'হাগ মাথোঁ এটি ঋতু নহয় ✍ গৌতম গগৈ/৯৪
- বিহু ✍ হৃষিকেশ শৰ্মা/৯৫
- মহাৰাণা প্ৰতাপ ✍ হৃষিকেশ দাস/৯৬

আহ্বান



অন্তঃসলিলা

✍ ৰেৱতী মোহন হাজৰিকা

দহদিন নিতৌ পুৱা ন বজাৰ পৰা আবেলি পাঁচ বজালৈ আমনি লগাকৈ ক্লাছত বহি থকাৰ পৰা অব্যাহতি পালো। প্ৰশিক্ষণ শেষ হ'ল। প্ৰশিক্ষণ আছিল নতুন দিল্লীস্থিত ভাৰত চৰকাৰৰ মানৱ সম্পদ গৱেষণা প্ৰতিষ্ঠানত মানৱ সম্পদ পৰিকল্পনা (ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়) বিষয়ত। ঠাইডোখৰ আছিল ইন্দ্ৰপ্ৰস্থ ষ্টেডিয়ামৰ সন্মুখত। বেচ পৰিপাটি, নিৰিবিলি আৰু প্ৰদূষণমুক্ত। প্ৰশিক্ষাৰ্থী আছিলো আমি মুঠ যোল্লজন। প্ৰশিক্ষাৰ্থীসকলৰ ভিতৰৰে আমি তিনিজন— মই, পি. কে. কুলকাৰ্ণি আৰু এছ. মনোহৰম্ মানৱ সম্পদ গৱেষণা কেন্দ্ৰৰ গাতে লাগি থকা সৰ্বভাৰতীয় প্ৰশাসনিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ হোষ্টেলত আছিলো।

প্ৰশিক্ষণৰ শেহৰ দিনা পাঁচ বজাত ক্লাছৰ পৰা আহি হোষ্টেলত হাত-মুখ ধুই ৰাস্তালৈ ওলাই আহিলো। একাপ চাহ খাবৰ ইচ্ছা হ'ল। ৰাস্তাৰ কাষতে থকা ঘুমটি দোকানৰ পৰা এটা সৰু আইনাৰ গিলাচত চাহ লৈ খাই আছো। মন কৰিলো আকাশী ৰঙৰ শাৰী পিন্ধা শকত-আৱত ধুনীয়া ভদ্ৰ মহিলা এগৰাকীয়ে একান্তমনে অনুসন্ধিৎসু দৃষ্টিৰে মোৰ ফালে চাই আছে। অলপ অস্বস্তি বোধ কৰিলো। মানুহগৰাকীয়ে বোধহয় মোক তেওঁৰ কোনোবা চিনাকি মানুহ বুলি ভাবি ভুল কৰিছে। এনেতে মোৰ কাষেৰে পাৰ হৈ যাব ধৰা লগৰে প্ৰশিক্ষাৰ্থী শ্ৰী প্ৰকাশ মেহতাই সুধিলে— মিঃ বৰুৱা, আপুনি কেতিয়া ঘুৰি যাব?

— পৰহিলৈ পুৱা আঠ বজাত।

— আপুনি যাব কেতিয়া?

— মই কাইলৈ পুৱা সাত বজাতে যাম বুলি মেহতা মোৰ ওচৰৰ পৰা আঁতৰি গ'ল। লগে লগেই ৰাস্তাত থিয় হৈ থকা মানুহগৰাকীয়ে মোৰ নিচেই ওচৰলৈ আহি মোৰ মুখলৈ চাই এটা মৃদু হাঁহি মাৰি অলপ ইতস্ততঃ কৰাৰ দৰে সুধিলে— এইয়া দিলীপ বৰুৱা নহয়নে?

ঃ হয়, কিন্তু আপুনি .... আপোনাক .... ?

ঃ আপুনি নহয়, তুমি। মই আৰতি ভূঞা। তুমি যে বিশ বছৰ আগতে ছিলঙত লগত পাইছিলা আৰতি ভূঞাক পাহৰিলানে কি? আৰতিৰ মুখলৈ এখন্তেক থৰ লাগি চাই থাকি ক'লো— নাই পাহৰা, তুমি ইয়াত ওলালাহি ক'ৰ পৰা?

ঃ মই দেখোন দিল্লীতে থাকো। তোমাৰ কথা কোৱাচোন। তুমি কেতিয়া আহিলা, কিয় আহিলা, ক'ত আছাহি?

ঃ মই অহা বাৰ দিনেই হ'ল। ইয়াৰে এপ্লাইড্ মেন পাৱাৰ ৰিচাৰ্চ ইন্‌ষ্টিটিউতত ট্ৰেইনিং আছিল যোৱা দহদিনে। আজিহে শেষ হৈছে। বৰ্তমানে কাষৰে পাব্‌লিক এডমিনিষ্টেচন ইন্‌ষ্টিটিউটৰ হোষ্টেলত আছো। পৰহিলৈ পুৱাই যামগৈ।

ঃ তুমি বৰ্তমান ক'ত থাকা, ছিলঙতে আছা নেকি?

ঃ ছিলং এৰা বাৰ বছৰেই হ'ল। বৰ্তমান মই নিয়োগ বিষয়া। গুৱাহাটীত থাকো।

আহ্বান

ঃ গুৱাহাটীতে ঘৰ-বাৰী কৰিলানে কি?

ঃ কোনোমতে আসাম টাইপৰ ঘৰ এটা। তাকো সম্পূৰ্ণ হোৱাই নাই।

ঃ তোমাৰ পৰিয়াল একা?

ঃ পৰিয়াল মানে আমি চাৰিজনীয়া পৰিয়াল। মই, পৰিবাৰ আৰু ল'ৰা-ছোৱালী হাল।

ঃ হওক দিয়া। তোমাৰ লগ পাই, তোমাৰ বিষয়ে জানি বৰ ভাল লাগিল। তুমি কাইলৈ দিনটো আছাই নহয়। শুনা, এতিয়া ৰাস্তাত এনেকৈ আৰু বেছি কথা নেপাতো। মই আহিছো মোৰ বান্ধৱী এগৰাকীৰ জীয়েকৰ জন্মদিন উপলক্ষ্যে। কাইলৈ সন্ধ্যাৰ আগে আগেই মই তোমাৰ হোষ্টেললৈ আহিম। তুমি কিন্তু থাকিবা দেই। নেথাকিলে বৰ দুখ পাম। মনতে ভাবিলো— এই মানুহজনীয়ে জীৱনৰ আদবয়সতো সুন্দৰ অভিনয় কৰিব পাৰে। সন্ধিয়া ৰাস্তাত অলপ খোজকাঢ়িম বুলি ওলাই আহিছিলো। আৰতিক লগ পোৱাৰ পাছত খোজকঢ়াৰ আগ্ৰহ কমি গ'ল। অলপ দূৰ দাৰিয়াগঞ্জৰ ফালে গৈ ঘূৰি আহিলো। আহোতে বাতৰি কাকত দুখন— এখন 'হিন্দুস্তান টাইম্‌ছ' আৰু এখন 'আসাম ট্ৰিবিউন' লৈ আহিলো।

হোষ্টেল পাই লাইট জ্বলাই লৈ বাতৰি কাকতত চকু ফুৰালো। নাই মন নবহে। অতীতৰ কিছুমান কথা আৰু কাহিনীয়ে মনটোক বাতৰি কাকতৰ পৰা আজুৰি আনিব খোজে। হেড্‌লাইনকেইটা পঢ়ি বাতৰি কাকত দুখন জপাই থ'লো। অলপ পৰ চকু টোপনিয়াই বিচনাত পৰি থকাৰ পাছত মনৰ মণিকোঠাত জাপি ৰখা পুৰণা এলবাম এখন খুলি ল'লো। সেই বিশেষ এলবামখন— যিখনত মোৰ আৰু আৰতিৰ যৌৱনৰ, উল্লাসৰ ৰঙীণ ছবিবোৰ, সপোনবোৰ সযতনে ৰখা হৈছিল। এখন এখনকৈ এলবামৰ পাত লুটিয়াই গ'লো। সময়ৰ ধূলি-মাকটি লাগি বহুবোৰ ছবি অস্পষ্ট হৈ গৈছে।

আৰতিক মই প্ৰথম লগ পাইছিলো বাইশ বছৰ আগতে ছিলঙৰ ষ্টনী লেণ্ডৰ নাৰী আৰু শিশু কল্যাণ কেন্দ্ৰত। সেইদিনা কেন্দ্ৰটোত কিবা এটা ফাংচন চলি আছিল। দিনত মিটিং, প্ৰদৰ্শনী আদি আৰু সন্ধিয়া সাতমান বজাৰ পৰা আমোদ-প্ৰমোদ, খেলা-ধূলাৰ আয়োজন কৰা হৈছিল। মোৰ বন্ধু অমূল্য ভূঞাই মোক সেই ফাংচনলৈ লৈ গৈছিল। আমি সন্ধিয়া চাৰে সাতমান বজাত ফাংচনত হাজিৰ হ'লোগৈ। আমি গৈ পাওঁতে তাত দুই-এটা আমোদ-প্ৰমোদৰ ব্যৱস্থাৰ বাহিৰেও 'হাউচি' খেলা চলি আছিল। খেলাখন মহিলাসকলেই পৰিচালনা কৰিছিল যদিও খেলুৱৈসকলৰ সৰহ সংখ্যকেই পুৰুষ আছিল। আমি— মই আৰু অমূল্য দুয়ো খেলাত বহিলো। ৰাতি চাৰে ন বজাত খেলা এৰি উঠি আহিলো। অমূল্যই মোক ক'লে— "আজি তুমি খেলাত ভালেখিনি পইচা পাইছা, ব'লা কেন্টিনত চাহ-তাহ খাই যাওঁ।" আমি দুয়ো কেন্টিনত সোমালো। কেন্টিন মাত্ৰ এখনেই। কেৱল এজন মানুহেহে কেন্টিনত চাহ খাই আছিল। তিনিজনী ছোৱালীয়ে ইফালে-সিফালে পায়চাৰি কৰি আছিল। তাৰে এজনীয়ে অমূল্যৰ ওচৰলৈ আহি সুধিলেহি— "অমূল্য দা, বহুত দেৰি কৰিলা দেখোন? আমি দোকান সামৰি যোৱাৰ কথা ভাবিছিলো।"

ঃ কি কৰিবা আৰু, অলপ দেৰি হ'ল।

ঃ অলপ দেৰিহেনে, ৰাতি দহ বাজিবৰ হ'ল। ফাংচন শেষ হ'বৰে হ'ল। দেখিলো নহয়, খেলাত মচগুল, সময়ৰ কথা পাহৰিয়ে গ'লা। আমাৰ কেন্টিনত খোৱা বস্তু শেষেই হ'ল। অলপ বহাচোন বাৰু, কিবা আছে নেকি চাওঁ। মোৰ ফালে চাই সামান্য হাঁহি মাৰি ক'লে— "আপুনি বেয়া নেপাব দেই। অলপ বহক।" অমূল্যই ছোৱালীজনীৰ লগত মোক চিনাকি কৰি দিলে— "এওঁ মোৰ বন্ধু দিলীপ বৰুৱা, এছিচটেণ্ট এমপ্লইমেণ্ট অফিচাৰ আৰু এই মোৰ খুড়াৰ ছোৱালী আৰতি ভূঞা, লেডী কীন্ কলেজৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰী। ছোৱালীজনীয়ে নমস্কাৰ কৰি আঁতৰি গ'ল। অলপ পাছতে ছোৱালীজনীয়ে চাহ দুকাপ আৰু আলু চ'প দুটা আনি

আহ্বান



আমাৰ সন্মুখৰ টেবুলখনত থৈ অলপ স্বস্তি পোৱাৰ দৰে মোৰ ফালে চাই ক'লে— "হওক দিয়ক, আপোনালোকৰ ভাগ্য ভাল। আলুৰ চ'পো মুঠেই দুটাহে আছিল।" চাহ খাই আমি গুচি আহিলো।

তাৰ প্ৰায় পোন্ধৰ দিন পাছত অমূল্যই এদিন মোক আৰতিহঁতৰ লাবানৰ ঘৰলৈ লৈ গ'ল। ঘৰত মানুহ বুলিবলৈ কেৱল মাক আৰু জীয়েক। বাপেকে সাজি থৈ যোৱা এটা আসাম টাইপৰ দুমহলীয়া চাংঘৰ। ওপৰ মহলাৰ পাঁচটা ৰুমৰ তিনিটা ৰুম এটা পৰিয়ালক ভাড়াত দিছে। বাকী দুটা ৰুমত আৰতি আৰু মাক থাকে। তলৰ তলাৰ ৰুমকেইটাত বেলেগে বেলেগে দুটা পৰিয়াল থাকে। ঘৰটো প্ৰায় দহ বছৰ আগতে আৰতিৰ বাপেক দেৱেন ভূএগ জিলা পৰিবহণ অফিচাৰ হৈ থাকোতেই সজোৱা। বাপেক মৰাৰো পাঁচ বছৰ হ'ল। অমূল্যই আৰতিৰ মাকৰ লগত মোক চিনাকি কৰি দিলে। মানুহগৰাকী বেচ সৰবৰহী। ভাল লাগিল। আৰতি আৰু মাকৰ আৰদাৰৰ প্ৰতি সঁহাৰি জনাই দহ দিনৰ পাছত এদিন সন্ধিয়া আৰতিহঁতৰ ঘৰ ওলালোগৈ। অনুমান কৰিলো দুয়োজনীয়ে যেন মই যোৱালৈহে বাট চাই আছিল। চাহ খাই থাকোতেই এটা কথা মন কৰিলো— আৰতিৰ মাকে তন্ময় হৈ মোৰ ফালে চাই আছে। অলপ অস্বস্তিবোধ কৰিলো। মোৰ ফালে একেদৰে চাই থাকিয়ে মানুহগৰাকীয়ে এটা মৃদু হাঁহি মাৰি ক'লে— "তোমাক দেখিলে তুমি ল'ৰাটো বৰ মাতৃ-ভক্ত যেন লাগে। মাতৃ-ভক্ত ল'ৰাবোৰ সহজ, সৰল, মৰমিয়াল আৰু বহুক্ষেত্ৰত অজলা প্ৰকৃতিৰ হয়। তোমাৰ মাই তোমাক বৰ মৰম কৰে যেন পাওঁ।" মোৰ মুখেদি এটা নিঃশ্বাস বাজ হ'ল। তলমূৰ কৰি থাকিয়ে ক'লো— "কৰিছিলে, এতিয়া মোৰ মা নাই, ঢুকাল। দুবছৰেই হ'ল।" মূৰ তুলি চাই দেখো মানুহগৰাকীয়ে এক কৰুণ দৃষ্টিৰে মোৰ ফালে চাই আছে। খন্তেক পাছতে নিজকে চম্ভালি লোৱাৰ দৰে ক'লে— "বেয়া নেপাবা দেই। তোমাৰ মা নাই বুলি মই নেজানো নহয়। তোমাৰ সহজ, সৰল মনটোক ভাল লাগিহে মই কথাষাৰ কৈছিলো। তোমাক দুখ দিয়াটো মোৰ উদ্দেশ্য নাছিল।" তাৰ পাছত দুআষাৰমান সুখ-দুখৰ কথা পাতি গুচি আহিলো।

লাহে লাহে আৰতিহঁতৰ প্ৰতি মোৰ অনুকম্পা বাঢ়িব ধৰিলে। আৰতিৰ মাকক খুড়ী বুলি মাতিবলৈ ল'লো। দুজনীয়া সৰু পৰিয়ালটোৰ মাজতে যেন নিজকে বিচাৰি পালো। আৰতি আৰু মোৰ মাজত ঘনিষ্ঠতা বাঢ়ি গ'ল। আৰতিৰ মাকে এইক্ষেত্ৰত কোনো আপত্তি নকৰিলে। আমি আজৰি সময়খিনিত মুকলি মনেৰে সহজ-সৰল ভাবেৰে ফুৰিব পৰা হ'লো, আমোদ-প্ৰমোদ কৰিব পৰা হ'লো, বজাৰ-সমাৰ কৰিব পৰা হ'লো। এইদৰে প্ৰায় এটা বছৰ চলাৰ পাছত আৰতিৰ বি. এ. ফাইনেল পৰীক্ষাৰ বাবে তিনিমাহ ফুৰা-চকা কমাই দিলো। পৰীক্ষা শেষ হোৱাৰ পাছত পুনৰ আগৰ দৰে ছিলঙৰ ৱাৰ্ডলেক, গল্‌ফ লিংক, বিডন, বিচপ জলপ্ৰপাত, লেডী হাইদৰী পাৰ্ক আদিত বহি পুনৰ মৌজ কৰাত লাগিলো।

তাৰ ভিতৰৰে এদিনৰ কথা। সেইদিনা আছিল ৰবিবাৰ। এপ্ৰিল মাহ। বতৰ বেচ ফৰকাল। দুপৰীয়া আৰতিহঁতৰ ঘৰতে ভাত-পানী খাই আমি ফুৰিবলৈ ওলালো। প্ৰথমে পুলিচ বজাৰ। তাৰ পাছত ৱাৰ্ড লেক। ৱাৰ্ড লেকৰ পাৰৰ বেঞ্চ এখনত বহি অলপ কথা পতাৰ পাছত এখন টেক্সীৰে গল্‌ফ লিংক পালোগৈ। দুজোপামান সৰু জোপোহা সৰল গছৰ ছাঁত বহি গল্প কৰিবলৈ আৰম্ভ কৰিলো। অলপ পৰ নীৰব হৈ থকাৰ পাছত চাৰিওফালে চাই আৰতিয়ে আবেগ ভৰা মাতেৰে ক'লে— "ছিলঙৰ এই ঠাইখিনি সঁচাই বৰ ধুনীয়া।" লগতে ময়ো যোগ দিলো— "কেৱল এই ঠাইখিনিহেনে, গোটেই ছিলঙখনেই ধুনীয়া। সেইবাবেই হয়তো ছিলঙক প্ৰাচ্যৰ স্কটলেণ্ড বুলি কোৱা হয়।"

ঃ আপোনাৰ বাৰু ছিলংখন বৰ ভাল লাগে নেকি?

ঃ সঁচাই ভাল লাগে। তাতোকৈ তোমাক লগ পোৱাৰ পাছৰ পৰাই ছিলংখন আৰু বেছি ভাল লগা আৰু মোহনীয় হৈ পৰিছে।

আহ্বান

আৰতিয়ে মোৰ চকুলৈ চাই এটা মিচিকিয়া হাঁহি মাৰিলে। তেনেতে এহাল নৱ-বিবাহিত ডেকা-গাভৰু আমাৰ কাষেৰে পাৰ হৈ গ'ল। অনুমান কৰিলো তেওঁলোক মধু-যামিনী যাপনৰ বাবে ছিলঙলৈ আহিছে। গাভৰুগৰাকীয়ে আমাৰ ফালে চাই এটা ঈষৎ অৰ্থপূৰ্ণ হাঁহি মাৰিলে। আৰতিয়েও মোৰ ফালে চাই তল ওঁঠ কামুৰি এটা মিচিকিয়া হাঁহি মাৰিলে। অলপ পৰ দুয়ো নিঃস্তব্ধ বৈ বহি ৰ'লো। কি ক'ম, কি নক'ম একো থিৰাং কৰিব নোৱাৰি মই ব্যক্তিগত কথাৰ পৰা আঁতৰি প্ৰকৃতি বন্দনা আৰম্ভ কৰিলো— "প্ৰকৃতিৰ এই মনোৰম দৃশ্যাৱলী মোৰ কিয় ভাল লাগে জানা ?

ঃ "কিয় ?" আৰতিয়ে প্ৰশ্ন কৰিলে।

ঃ মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক নিৰৱচ্ছিন্ন বাবে। মানুহৰ চিন্তা-চৰ্চা, আবেগ-অনুভূতি, জ্ঞান-বুদ্ধি সকলোবোৰ জগাই তুলি বিকাশ ঘটোৱাৰ ক্ষেত্ৰত প্ৰকৃতিৰ অৱদান অপৰিহাৰ্য। সেইবাবেই মানুহ প্ৰকৃতিৰ কাষলৈ আহবি লাগে মনটোক সতেজ কৰিবৰ বাবে, প্ৰদূষণমুক্ত বায়ু সেৱন কৰি শৰীৰ সুস্থ কৰি ৰাখিবৰ বাবে, প্ৰেম-প্ৰীতি, দয়া-মমতা আদি সুকুমাৰ প্ৰবৃত্তিসমূহৰ বিকাশ ঘটাবৰ বাবে। অতীজৰ ঋষি-মুনিসকল আহি প্ৰকৃতিৰ কাষত বহিছিলহি ত্যাগৰ আদৰ্শৰে সাম্যক সাৰোগত কৰি মানৱ কল্যাণত ব্ৰতী হ'বৰ বাবে প্ৰকৃতিৰ আশীষ বিচাৰি। প্ৰকৃতি-পূজাৰী বিখ্যাত ইংৰাজ কবি ওৱৰ্ডচৱৰ্থে কৈছিল— "প্ৰকৃতিয়ে মানুহক কিতাপতকৈও বেছিকৈ আৰু শিক্ষকতকৈও ভালকৈ শিকাব পাৰে। লগতে কৈছিল— "প্ৰকৃতি প্ৰেমিকক প্ৰকৃতিয়েও কেতিয়াও নঠগে।" মনটো সংবেদনশীল হৈ পৰিল। তলমূৰ কৰি থাকি মাতত যথাসম্ভৱ গভীৰতা আৰু কোমলতা সানি ক'লো— "আৰতি, তোমাক মই আজি এটা কথা কওঁ। এই কথা নক'লে তোমাক একোৱেই কোৱা নহ'ব।"

"কওক", মোৰ ফালে অনুসন্ধিৎসু দৃষ্টিৰে চাই আৰতিয়ে ক'লে।

"আৰতি, তোমাক মই ভাল পাওঁ, খুউব ভাল পাওঁ, তোমাক বিচাৰো।"

আৰতিৰ পৰা কোনো সঁহাৰি নেপাই মূৰ তুলি চাই দেখো আৰতিয়ে সলজ্জ নয়নে মোৰ ফালে চাই আছে। খন্তেক বৈ সুধিলো— "কি হ'ল, তুমি দেখোন একোকে নক'লা।"

"কিনো কম, আপুনি দেখোন মোৰ অন্তৰৰ কথাও কৈ পেলালে।"

মনটো ভৰি পৰা যেন লাগিল। অলপ পৰ নীৰৱে বহি থাকি ক'লো— "বেলি ডুবিলেই, ব'লা যাওঁ। পুলিচ বজাৰলৈ খোজকাঢ়িব লাগিব। তাতহে টেক্সী পাম।" পুলিচ বজাৰলৈকে খোজকাঢ়ি আহোতে গোটেই বাটডোখৰ আমি মৌন হৈয়েই আহিলো। পুলিচ বজাৰ পায়েই আৰতিয়ে ক'লে—

"বৰ পিয়াহ লাগিছে, চাহ একাপ খাব পাৰিম নেকি ?"

"নিশ্চয় পাৰিম।"

দিল্লী মিষ্টান্ন ভাণ্ডাৰত চাহ আৰু জেলেপি খাই আমি এখন টেক্সীৰে আহি আৰতিহঁতৰ ঘৰ পালোহি। আৰতিৰ মাকে আমাৰ বাবে বাট চাই আছিল। আমাক দেখাৰ লগে লগেই ক'লে— "তোমালোকে অলপ বেছি দেৰি কৰিলা। ইমান দেৰিলৈ থাকিব নেলাগে।"

জুলাই মাহৰ মাজভাগত বি. এ. পৰীক্ষাৰ ৰিজাল্ট দিলে। আৰতিয়ে দ্বিতীয় শ্ৰেণীৰ দ্বিতীয় স্থান দখল কৰি অনাৰ্চ লৈ বি. এ. পাছ কৰিছে। আৰতিৰ মোমায়েক মৃগেন বৰুৱাই দিল্লীৰ এটা বহুজাতিক কোম্পানীত চাকৰি কৰে। এজন উচ্চপদস্থ বিষয়া। বৰুৱাৰ একান্ত ইচ্ছা তেওঁৰ একমাত্ৰ ভাগিনীয়েকক নিজৰ লগতে ৰাখি দিল্লী বিশ্ববিদ্যালয়ত এম. এ. পঢ়াব। ভনীয়েককো নি নিজৰ লগতে ৰাখিব। জুলাই মাহৰ তৃতীয় সপ্তাহত আৰতিহঁত দিল্লীলৈ গ'ল। মনটো বৰ বেয়া লাগিল। তাৰ আগতে আৰতি আৰু মোৰ মাজত এটা অলিখিত চুক্তি হৈছিল। আমি দুয়ো বিবাহপাশত আৱদ্ধ হ'ম।

কিন্তু তাৰ বাবে মই কমেও দুবছৰ অপেক্ষা কৰিব লাগিব আৰতিয়ে এম. এ. পাছ কৰি অহালৈ। ধেমালিৰ সুৰতে আৰতিয়ে কৈছিলো— "তোমাৰ ইমান বয়স হোৱা নাই দিয়া। বিয়াৰ বাবে তুমি আৰু অতি কমেও পাঁচ-ছবছৰ অপেক্ষা কৰিব পাৰা। তোমাক দেখিলে এতিয়াও কলেজীয়া ছাত্ৰ যেনহে লাগে।"

প্ৰথম ডেৰ বছৰমান আমাৰ মাজত ভালদৰেই চিঠি-পত্ৰৰ আদান-প্ৰদান চলিল। প্ৰেম-প্ৰীতি, উৎসাহ-উদ্দীপনা আৰু আমেজ ভৰা চিঠি। মনটোক সতেজ, সজীৱ আৰু প্ৰফুল্লিত কৰি ৰাখিবৰ বাবে প্ৰিয়জনৰ এখন আন্তৰিকতাপূৰ্ণ চিঠিৰ কিমান আৱশ্যক সেই কথা অনুভৱ কৰিলো।

হঠাৎ চিঠি অহা বন্ধ হ'ল। ভাবিলো এম. এ. ফাইনেল পৰীক্ষাৰ সময়। আৰতি পঢ়াত ব্যস্ত। চিঠি লিখাৰ সময় ক'ত? ফাইনেল পৰীক্ষা শেষ হোৱাৰো এমাহেই হ'ল। আৰতিৰ কোনো চিঠি নাহিল। ইখনৰ পাছত সিখনকৈ তিনিখন চিঠি দিলো। নাই, কোনো উত্তৰ নাই। ক্ষোভত ভাগি পৰিলো। কিবা এটা আশংকা আৰু দুঃচিন্তাই মনটোক ভাৰাক্ৰান্ত কৰি তুলিলে। চাৰিমাহৰ মূৰত এখন চিঠি আহিল। চিঠিখন হাতত লৈয়েই কিবা এক শংকা আৰু অনিশ্চয়তাত মনটো কঁপিবলৈ ধৰিলে। কঁপা কঁপা হাতেৰেই চিঠিখন খুলিলো। এখন বৰ চুটি চিঠি। আৰতিয়ে লিখিছে—

"মৰমৰ দীপ,

তোমালৈ চিঠি নিলিখো বুলিয়ে ভাবিছিলো, ইতিমধ্যে তোমালৈ চিঠি লিখাৰ নৈতিক অধিকাৰ হেৰুৱাই পেলাইছো। মানুহৰ মন যে কি কিছুমান পদাৰ্থৰে গঠিত ভাবিলে আচৰিত হ'ব লাগে। তাতোকৈ আচৰিত মানুহৰ মনৰ পৰিৱৰ্তনবোৰ। সেইবোৰ কথা যাওঁক। আচল কথালৈ আহো। আজি কিছুদিন ধৰি মই এজন গুজৰাটী যুৱকৰ প্ৰেমত পৰিছো। দিল্লীতে চাকৰি কৰে। এটা আমেৰিকান বহুজাতিক কোম্পানীৰ ইঞ্জিনিয়াৰ। চাৰিদিনৰ পাছতে আমাৰ বিবাহ কাৰ্য আনুষ্ঠানিকভাৱে সম্পন্ন হ'ব। তোমাৰ মনত কষ্ট দিয়া বাবে মই অত্যন্ত দুখিত। ক্ষমা কৰিবা। শেহত তোমাৰ মংগল কামনা কৰিলো।

ইতি—

আৰতি

চিঠিখন পঢ়ি খং, ৰাগ, অভিমান আৰু দুখত ভাগি পৰিলো। মানুহ যে ইমান অকৃতজ্ঞ, বিশ্বাসঘাতক হ'ব পাৰে ভাবিবই নোৱাৰিছিলো। সময়ে লাহে লাহে দুখ-তাপবোৰ পাহৰাই আনিলে। পুৰণা এলবামৰ পাত লুটিয়াই থাকোতে কেতিয়া জানো টোপনি আহিল। সাৰ পাই দেখো ৰাতি ন বাজিল। লৰালৰিকৈ উঠি মুখ-হাত ধুই ওচৰৰ সৰু হোটেল এখনত ভাত খাই আহি ৰাতি চাৰে দহ বজাত বিচনাত পৰিলোহি। বহু ৰাতিলৈ টোপনি নাহিল। পুৰণা কথা আৰু কাহিনী কিছুমানে মন আৰু মগজুক আমনি কৰি থাকিল।

পাছদিনা সন্ধিয়া ছয় বজাত আৰতি আহি মোৰ কোঠা ওলালহি। এটা কথা অনুভৱ কৰিলো— আৰতিয়ে মোৰ অন্তৰত গভীৰ দুখ দিলেও, প্ৰতাৰণা কৰিলেও আৰতিৰ প্ৰতি কিবা এক অবুজ ভালপোৱাই মোৰ অৱচেতন মনত খোপনি পুতি ৰৈছে। আৰতি বৈবাহিক জীৱনত সুখী হৈছে নে নাই জনাৰ হাবিয়াস এটা মোৰ আছে। সেইবাবেই আৰতিৰ অনুৰোধ— একপ্ৰকাৰ নিৰ্দেশ মতেই আৰতিৰ লগতে তাইৰ ঘৰলৈ ওলালো। অ'টোত যাওঁতে আৰতিক সুধিলো— "আৰতি, মোৰ কথা তোমাক বহুখিনি ক'লো, তুমি দেখোন তোমাৰ কথা, তোমাৰ পৰিয়ালৰ কথা, মাৰ কথা একোকে নক'লা?"

ঃ মই ইয়াৰে কোম্পানী এটাত চাকৰি কৰো। এতিয়া অফিচৰ পৰাই আহিলো। তুমি দেখোন মোৰ ঘৰলৈকে আহি আছা। অলপ পাছতে সকলো কথা জানিবাই নহয়। মই একো নেমাতিলো। পোন্ধৰ মিনিটমানৰ পাছত আমি আৰতিৰ ঘৰ ওলালোগৈ। অ'টোৰ পৰা নামি আমি দুয়ো খটখটিয়েদি এটা পুৰণি দুমহলীয়া ঘৰৰ ওপৰ মহলালৈ উঠি গ'লো। কোঠা এটাৰ দুৱাৰমুখত ৰৈ আৰতিয়ে বেগৰ পৰা একোচা চাবি

উলিয়াই তাৰে এটা চাবিৰে কোঠাটোৰ দুৱাৰ খুলিলে। মই সুধিলো— "ঘৰত আজি কোনো নাই নেকি?" আৰতিয়ে একো নেমাতিলে। কোঠাত সোমায়েই মোক বহিবলৈ কৈ লৰালৰিকৈ বাথৰুমত সোমাল। কোঠাটোত চকু ফুৰালো। এটা বাৰ ফুটমান বহল ষোল্ল ফুট দীঘল কোঠা। তাতে লাগতিয়াল বস্তুৰে ঠাহ খাই আছে। এখন দুজনীয়া চোফা, এখন কাঠৰ টেবুল, এখন কাঠৰ চকী, এজনীয়া এখন সৰু বিচনা, এটা লোহাৰ আলমাৰী, কাষৰে লোহাৰ বুক চেল্ফত কিতাপেৰে ঠাহ খাই আছে আৰু এচুকৰ সৰু আল্নাডালত দুখনমান শাৰী, ব্লাউজ আৰু পেটিকোট খেলিমেলিকৈ ওলোমাই থোৱা আছে। কথাবোৰ কিবা সাঁথৰ যেন লাগিল। ইয়াততো কোনো পৰিয়াল আনকি দ্বিতীয় ব্যক্তি থকাৰ কোনো চিন নাই। বাথৰুমৰ পৰা ওলাই অহাৰ লগে লগেই আৰতিক সুধিলো— "আৰতি কথাবোৰ মই একো বুজা নাই। ইয়াততো তোমাৰ বাহিৰে আন কোনো থকা যেন নেলাগে।"

ঃ "বুজিবা নহয়, ৰ'বাচোন। ইমান অধৈৰ্য্য নহ'বা। চাহ-তাহ খাই লোৱা। মই অফিচৰ পৰা আহিছো, মোৰ জানো ভোক-পিয়াহ নাই।"

অলপ পাছতে আৰতিয়ে এখন প্লেটত দুটা চিকেন কাট্লেট, দুটা সন্দেশ আৰু আৰু এখন প্লেটত অলপ কাজু বাদাম, মগু দানা, বিস্কুট আনি মোৰ সন্মুখতে থকা সৰু টিপয়খনত থৈ ক'লে— "মই চাহ বাকো মানে তুমি খাবলৈ আৰম্ভ কৰাচোন।" আমন-জিমনকৈ মই খোৱাত লাগিলো। অলপ পাছতে চাহ দুকাপ আনি আৰতিও মোৰ কাষতে বহিলহি। খাই থাকোতে মন কৰিলো কিবা এক অবুজ বেদনাই আৰতিৰ মুখমণ্ডল আৱৰি পেলাইছে। খোৱা শেষ হ'লত আৰতিৰ ফালে চাই সুধিলো— "কোৱা এতিয়া, তোমাৰ মা ক'ত, তোমাৰ পৰিয়াল ক'ত আছে।" মোৰ ফালে ক্ষন্তেক এক কৰুণ দৃষ্টিৰে চাই থাকি আৰতিয়ে দুখ মনেৰে ক'লে— "মা নাই, মোক এৰি মা গুচি গ'ল। মা ঢুকাল।" চক্ খাই উঠিলো। মনত দুখ লাগিল। মানুহগৰাকীয়ে দুবছৰৰো অধিক কাল মোক মাতৃত্বৰ মৰমেৰে আৱৰি ৰাখিছিল। মৌন হৈ বহি ৰোৱাৰ বাহিৰে সান্তনাৰ একো বাণী বিচাৰি নেপালো। দুখ মনেৰেই সুধিলো— "মাৰ কি হৈছিল?" "কেন্সাৰ— খাদ্য নলীৰ কেন্সাৰ। ধৰা পৰোতে বহুত দেৰি হ'ল। ছমাহ কাল বৰ কষ্ট খালে। তাৰ পাছত ঢুকাল।" অলপ পৰ তলমূৰকৈ বহি পুনৰ সুধিলো— "আৰু তোমাৰ পৰিয়াল— তোমাৰ পৰিয়াল ক'ত?" কৰুণ-ভয়াৰ্ত চাৱনিৰে মোৰ ফালে চাই কঁপা কঁপা মাতেৰে আৰতিয়ে ক'লে— "মোৰ— মোৰতো কোনো পৰিয়াল নাই। মই দেখোন বিয়াই নকৰালো।" ইমান এটা দুখ লগা পৰিবেশৰ মাজতো মোৰ খং উঠিল। অলপ খঙেৰেই সুধিলো— "তেতিয়াহ'লে তুমি মোলৈ সেইবোৰ মিছা কথা কিয় লিখিছিলা?" এইবাৰ আৰতিয়ে মনলৈ অলপ দৃঢ়তা আনি ক'লে— "তেনেকৈ মিছা কথা লিখাৰ প্ৰয়োজন আছিল বুলি ভাবি।" মোৰ বাবে কথাবোৰ সাঁথৰ হৈ পৰিছিল। কৌতুহলী দৃষ্টিৰে আৰতিলৈ চালো। আৰতিয়ে পুনৰ ক'বলৈ আৰম্ভ কৰিলে— "শুনা, মই তোমাক সেই সকলোবোৰ কম বুলিয়ে ইয়ালৈ লৈ আহিছো। মই তোমাৰ ভালপোৱাৰ পৰা বঞ্চিত হ'ব পাৰো, কিন্তু তোমাৰ চকুত চিৰদিনৰ বাবে চলনাময়ী, অকৃতজ্ঞ আৰু বিশ্বাসঘাতক হৈ থাকিব নিবিচাৰো। আজি তোমাক প্ৰকৃত কথা শুনাম। এম. এ. ফাইনেল পৰীক্ষাৰ তিনিমাহ আগতে মোৰ পেটৰ বিষ হৈছিল। পেটৰ বিষ বাঢ়ি আহিলত ডাক্তৰৰ পৰামৰ্শ ল'লো। ডাক্তৰে 'আল্ট্ৰাচাউণ্ড' কৰিবলৈ ক'লে। ৰিপৰ্টত ধৰা পৰিল মোৰ জৰায়ুত টিউমাৰ হৈছে। পেট ফালি জৰায়ু বাহিৰ কৰি পেলোৱাত বাদে অন্য কোনো উপায় নাই। কথাটো শুনি মই আৰু মা কান্দোনত ভাগি পৰিলো। শেহত মা আৰু মামাৰ সিদ্ধান্ত অনুসৰিয়ে অস্ত্ৰোপচাৰ কৰি মোৰ জৰায়ু কাটি বাহিৰ কৰি পেলোৱা হ'ল। বিয়াৰ আগতেই মই বন্ধ্যা হৈ গ'লো। সন্তান ধাৰণৰ ক্ষমতা হেৰুৱাই পেলালো। এজনী বিবাহযোগ্যা গাভৰুৰ বাবে ইয়াতকৈ আৰু কি ডাঙৰ অভিশাপ হ'ব পাৰে। ভালপোৱাৰ খাতিৰত তোমাক মোৰ

আহ্বান



অভিশপ্ত জীৱনৰ সংগী কৰি তোমাৰ জীৱনলৈ অন্ধকাৰ নমাই অনাৰ কথা মই কোনোমতেই ভাবিব নোৱাৰিলো। মই জানিছিলো— মোৰ চিঠি পোৱাৰ পাছত মোৰ ওপৰত তোমাৰ ভীষণ খং উঠিব। মোক অকৃতজ্ঞ, চলনাময়ী, দুশ্চৰিতা বুলি গালি পাৰিবা। মোক ঘিণ কৰিবা, আৰু হয়তো কিবা উপায়ে মোৰ ওপৰত প্ৰতিশোধ লোৱাৰ কথা ভাবিবা। সেই সকলোবোৰ অপবাদ মোৰ প্ৰাপ্য বুলি ভাবি মূৰ পাতি ল'বলৈও সাজু আছিলো। মই কেৱল বিচাৰিছিলো তোমাৰ বাবে এটা সহজ, সৰল, শান্তিপূৰ্ণ সাংসাৰিক জীৱন।" ক্ষন্তেক নীৰৱে থাকি আৰতিয়ে পুনৰ আৰম্ভ কৰিলে— "তুমিতো মোক জীৱন সম্পৰ্কে, জগত সম্পৰ্কে বহু কথাই কৈছিলা। জগত আৰু জীৱনৰ গতিশীলতাৰ কথাও কৈছিলা। এই গতিশীলতাক পৰিবেশ, পৰম্পৰা, সমাজ ব্যৱস্থা আদিয়ে কিদৰে নিয়ন্ত্ৰণ কৰে তাকো কৈছিলা। নেপোলিয়ন বোনাপাৰ্টৰ উদ্ধৃতি দি তুমি কৈছিলা— মানুহৰ জীৱনলৈ দুখ বা দৈন্য দুটা কথাৰ পৰা আহে। এটা হ'ল পোৱাৰ তিক্ততা, আনটো হ'ল নোপোৱাৰ বেদনা। তুমি যেতিয়া এই দুটাৰ ভিতৰত এটা ল'ব লাগিবই মই তোমাৰ ওপৰত নোপোৱাৰ বেদনাটোকে জাপি দিলো। কাৰণ মই ভাবিছিলো— সময়ে লাহে-ধীৰে হ'লেও নোপোৱাৰ বেদনাৰ অন্ত পেলাব। কিন্তু পোৱাৰ তিক্ততাখিনি জীৱনৰ চিৰসংগী হৈ থাকি যাব। সেইবাবেই তোমাৰ প্ৰেম প্ৰত্যাখ্যান কৰি তোমালৈ তেনেকৈ চিঠি লিখিছিলো। তাৰ বাবে তুমি মোক আজি বিশ বছৰৰ পাছতো ক্ষমা কৰিব নোৱাৰিবা জানো?" আৰতিক শোকে খুন্দা মাৰি ধৰিলে। শাৰীৰ আঁচল এটা মুখত ভৰাই তলমূৰ কৰি ৰ'ল। এটা গধূৰ দুখৰ বোজাৰে মোৰ মনটোও গধূৰ হৈ পৰিল। অলপ পৰ মৌন হৈ থাকি পৰিবেশটো পাতলাবৰ বাবে লাহে লাহে ক'লো— "আৰতি, তোমাৰ প্ৰতি মোৰ অন্তৰৰ ভালপোৱা কিছু পৰিমাণে স্তিমিত হৈছিল যদিও শেষ হৈ যোৱা নাছিল। মোৰ অৱচেতন মনত সেই ভালপোৱা এতিয়াও জীয়াই আছে। তোমাৰ এখন সুখী সংসাৰ ময়ো আশা কৰিছিলো। সেইবাবেই আজি তোমাৰ লগত তোমাৰ ঘৰলৈ আহিছিলো। তোমাক ভুল বুজাৰ বাবে আজি মই বৰ অনুতপ্ত। ক্ষমা কৰিবা দেই। ভাগৰুৱা মন এটা লৈ ক্ষন্তেক বহি ৰোৱাৰ পাছত মূৰ তুলি আৰতিলৈ চালো। আৰতিৰ মুখমণ্ডল এক কৰুণ আভাৰে দীপ্ত হৈ উঠা যেন লাগিল। মৌন হৈ ক্ষন্তেক বহি ৰোৱাৰ পাছত আৰতিয়ে পুনৰ ক'লে— "বহুদিন ধৰি তোমাক এবাৰ লগ পাই মোৰ মনৰ কথাবোৰ কোৱাৰ আৰু লগতে মোৰ প্ৰতি থকা তোমাৰ ঘৃণাৰ ভাব আঁতৰোৱা বৰ ইচ্ছা আছিল। সেয়েহে আজি ইমানবোৰ কথা কৈ পেলালো। তোমাক অন্তৰত দুখ দিয়াৰ বাবে নহয়, মোৰ অন্তৰৰ দুখ পাতলাবৰ বাবেহে। বেয়া নেপাবা দেই।"

— "বেয়া অলপো পোৱা নাই। দুখহে পাইছো। তোমাৰ জীৱনলৈ যে ইমানবোৰ বিপৰ্যয় নামি আহিব কল্পনাই কৰিব নোৱাৰিছিলো। এতিয়া ধৈৰ্যসহকাৰে চলি যোৱাৰ বাহিৰে যে অন্য উপায় নাই।" ঘড়ীলৈ চালো। ৰাতি চাৰে ন বাজি গ'ল।

ঃ ব'লা, তোমাক অলপ আগবঢ়াই দি আহো। তুমি কাইলৈ পুৱাই যাবাগৈ নহয়।

খটখটিয়েদি নামি আহি আমি দুয়ো অ'টো ৰিক্সা ষ্টেণ্ড পালোহি। অ'টোত উঠাৰ লগে লগে আৰতিয়ে পুনৰ ক'লে— যোৱা দেই, তোমাৰ অহাকালিৰ ৰেল যাত্ৰা আৰু ভৱিষ্যতৰ জীৱন যাত্ৰাৰ প্ৰতি মোৰ শুভেচ্ছা থাকিল। ভগৱানে পৰিয়ালসহ তোমাক কুশলে ৰাখক— বা-ই" আৰতিয়ে হাত জোঁকাৰিলে। শোকে মোক খুন্দা মাৰি ধৰিলে। অসহায় দৃষ্টিৰে আৰতিলৈ চাই কেৱল হাতখন জোঁকাৰিলো। ধেৰ্-ধেৰ্ শব্দ কৰি অ'টোখন চলিবলৈ ধৰিলে। অলপ দূৰ আহি ঘূৰি চাই দেখো লাইট পোষ্টটোৰ তলত থিয় হৈ এটা নিশ্চল নাৰী মূৰ্তিয়ে অ'টোখনৰ ফালে চাই আছে। মূৰ ঘূৰাবলৈ নৌ পাওঁতেই অ'টোখন আহি মূল ৰাস্তাৰ ৰঙা, নীলা, হালধীয়া অসংখ্য লাইটৰ মাজত সোমাই পৰিল।◆

আহ্বান

কাটলেট

✍ মূল বাংলা ঃ সঞ্জীৱ চট্টোপাধ্যায়
অনুবাদ ঃ গিৰীশ দত্ত

আন দিনৰ দৰেই এটা দিন।

এই কেইদিন আকাশ মেঘাচ্ছন্ন আছিল। কালিঘাটা। বিকট কিমাকাৰ চপৰাচপৰ মেঘ। ছাগলী খেদা একোজাক বৰষুণ। কণী সিজোৱা গৰম। সেই ভাবটো আজি নাই। তফাৎ মাত্র সিমানেই। গৰম চুপৰ নিচিনা ফৰকাল দিন। চকচকীয়া ৰ'দ। বতাহ নাই। নাথাকিলেই বা, কথা নাই। পৃথিৱীৰ বতাহ আজিকালি বৰ এটা পোৱাও নাযায়। দিন-ৰাতি ফেনৰ বতাহেই ভৰসা। সেই বতাহৰ দামো ভীষণ বাঢ়ি গৈছে। ইলেকট্রিক বিলবোৰেই প্রমাণ, চার্জ, চাৰচার্জ, ফুৱেল চাৰচার্জ। সকলো মিলি বিয়াগোম অংক। ভগবান আজিকালি বেছিভাগ সময়েই কুম্ভক (প্রাণায়মতে থাকে। নিশাহ পেলাবলৈ পাহৰি যায়। গছৰ পাত নল'ৰে।

কামকাজ সদায় যেনেদৰে চলে আজিও তেনেদৰেই চলিছে। কপি প্রুফ আহিছে। গৈছে। মই মোৰ টেবুলখন থকা ঠাইখিনি এটা অহা যোৱা বাট। চেয়াৰখনৰ পিছ পিনে দৰজাখন। এজন মানুহ কিবাকৰি টেবুলখনৰ কাষেৰে যাব পাৰে। যাত্রীগৰাকী অলপ শকত আবত হ'লেই টেবুলখনৰ ওপৰৰ সৌপিনে সযত্নে সজাই ৰখা ফাইলপত্রবোৰ বগৰাই সিঁচৰতি কৰি থৈ যায়। ইয়াৰ নামেই পেলোৱা বুটলাৰ ৰঙৰ খেলা। এই পেচেজটোৰ একাষত দিনটো পৰি থাকো। সহকর্মীৰ মেল। মাজে মাজে দুই এটা ৰসিকতা। কথা কটাকটি। উচ্চস্বৰৰ ব্যাখ্যা লাগে। দিনৰ মেজাজৰ ভল্টেজ, এনেদৰেই বাঢ়ে। কমে। মাজে মাজে চাহ আহে। দুপৰীয়া জালমুৰি। এইবোৰৰ মাজে মাজে পিঠিত দুই এটা কিলাকুটিৰ খুন্দা। ব্যস্ত পথিকৰ উদাসীন অংগ-প্রত্যঙ্গ সঞ্চালনত সম্বিত হেৰোৱা যেন পাওঁ। মেদুল পশচাদ্দেশৰ খুন্দাত মোৰ হেৰেক ফেৰেক চকীখন মেৰমেৰাই উঠে। ঠাইখিনিৰ দার্শনিকতাই দিনটো মোক আচ্ছন্ন কৰি ৰাখে। একেবাৰে দৰজাৰ কাষতে মোৰ স্থানটি। গতিয়াই কাৰোবাক উলিয়াই দিব লাগিলে মুঠেও কষ্ট নহ'ব। বলবান মানুহে চকু পকাই নিকালো বুলিলেই নিকালি যাব। আহাৰ আৰু অনাহাৰৰ মাজত প্লাইউডৰ এখন সাধাৰণ দৰজা। দৰজাৰ দৰে দার্শনিক আৰু কোন আছে। ভাগ্যৰ দৰজা কেতিয়াবা খোল খায়, কেতিয়াবা বন্ধ হৈ যায়, কেতিয়াবা নোখোলেই।

মোৰ এই প্রতিষ্ঠানটো হ'ল এটা প্রচেচিং ইণ্ডষ্ট্রী। কনজিউমাৰ গুডচ তৈয়াৰ কৰা হয়। সাহিত্যৰ ৰোল, কিমাকাৰি মোগলাই ইত্যাদিৰ লগতে সাত্ত্বিক পায়সো তৈয়াৰ কৰা হয়। এতিয়াৰ খঙাল ল'ৰাবোৰ মোৰ সহকর্মী। সিহঁতৰ মাজৰ দুই একে সাহিত্যকর্মী কৰে। ঢাপে ঢাপে আগুৱাই গৈছে, উন্মেষ, খ্যাত, সুখ্যাত, প্রখ্যাত, বিখ্যাত। কোনোৰে আগুৱাব লাগিছে জনহর্ষৰ দুলনিত আন্দোলিত হৈ হৈ ছন্দে ছন্দে কবিতাৰ পথেৰে। আৰু কোনোবাই মনৰ ছিদ্রপথেৰে মানুহৰ মনোজগতত প্রৱেশ কৰি ওলাই আহিছে উপন্যাসৰ সর্পিল পথেৰে। প্রতিভাৰ কিৰণেৰে উদ্ভাসিত হৈ এই নক্ষত্র সভাত মই বহি আছো।

আহ্বান

গিলাচে গিলাচে পানী খোৱাটো এতিয়া অচল। মোৰ বাঁও পিনে বটল। ভুল নাভাবিব প্ৰতিভা উন্মোচনী, কণ্ঠক্লেশদায়ী পানীয় নহয়, পানী আছে। চাৰিওপিনে স্তুপাকাৰ কাগজ। প্ৰবন্ধ, ভ্ৰমণ, ৰন্ধন, ৰম্য, খণ্ডাল ৰচনা। মোৰ গোলা মানুহৰ চিন্তাৰ উৰ্ব্বৰ ফচলেৰে ভৰা। এইবোৰৰ মাজত এটা ক'লা ফোন, বৈ বৈ ঝংকাৰি উঠে। উতলা মনৰ পাঠক-পাঠিকাই নিজৰ প্ৰিয় লেখকৰ লগত কথা পাতিব বিচাৰে। পাঠিকৰ উৎসাহেই বেছি। তৰল, লেনীয়া মাতেৰে কথা পাতিব বিচাৰে প্ৰিয় কবি অথবা ঔপন্যাসিকৰ সতে হাজাৰটা প্ৰশ্ন তেওঁলোকৰ, মনোৰমাই কিয় আত্মহত্যা কৰিলে, তাইক বচোৱাৰ কোনো উপায়েই নাছিল নেকি। আপোনাৰ নায়ক শংকৰৰ সন্মুখৰ দাঁতদুটা কিয় বন্ধোৱা। সেই দুটা কেনেকৈ ভাঙিল পাঠকক এবাৰো জনোৱাৰ প্ৰয়োজনবোধ কিয় নহ'ল। আকণ্ঠ-আকুল , এনে পাঠিকাবোৰক মই যথাস্থানলৈ চালান কৰি দিওঁ। মোৰ এই বাঁও হাতখনৰ বিশ্ৰাম নাই, ফোন তোলো, ফোন নমাও।

হাতেৰে ফোন ধৰো, চকুৰে লেখা। মাজে মাজে অতি উত্তেজিত আবেগ প্ৰৱণ পাঠিকাই মোকেই তেওঁৰ কাঙ্খিত লেখক গৰাকী বুলি ভাবি চিধাই আৰম্ভ কৰি দিয়ে, 'জানে, আপোনাক নহয় মোৰ মাৰিবলৈ মন যায়, ৰুমাই যে আপোনাক কিমান ভাল পায় সেই বোধ আপোনাৰ নাই, পাৰ্থৰ লগত তাই কিয় যায় সেইটোও আপোনাৰ গাধা মূৰটোত নোসোমাল; আপোনাৰ ওপৰত অভিমান। বুজিলে ? ছোৱালীৰ মনৰ খবৰ একোৱেই নাৰাখে !'

একে উশাহে কোৱা কথাখিনি শেষ কৰাৰ পিছত ফাঁক পাই মই যেতিয়া সেমেনা সেমেনিকৈ কওঁ, 'অলপ ধৰক, আপুনি যাক বিচাৰিছে দি আছো।' 'আপুনি তেনেহ'লে কোন?' 'মই ইয়াৰ এজন কৰ্মচাৰী।' 'তেনেহ'লে আমাৰ প্ৰাইভেট কথাবোৰ ইমান পৰ ধৰি শুনিলে কিয়? 'শুনা নাই, মোৰ কথাটো ক'বলৈ ফাঁক বিচাৰি আছিলোঁ।'

এই যে চৌৰাচ্চাৰ দৰে ঠাইখিনি বা অলপ ডাঙৰ চাইজৰ ব'ৰ্ডবোৰ তাত সাহিত্যৰ কাপোৰ কানি ওলমি থাকে। মই ব্ৰাচেৰে চাফা কৰোঁ, ৰিপু কৰো, বুটাম লগাওঁ, ডাঙৰ হ'লে কাটাকুটি কৰো। সূতা ওলাই থাকিলে কাটি দিওঁ। মোৰ জ্ঞান বাঢ়ে, কল্পনা চাগে, কেতিয়াবা পাহাৰ বগাওঁ, কেতিয়াবা সাগৰ তলিলৈ যাওঁ। এটা সময়ত লাঞ্চৰ পেকেট আহি যায়, এক ঠোঙা মূৰি, এমুঠি বাদাম আৰু দুটামান কেঁচা জলকীয়া। চৰাইৰ দৰে খুটি খুটি খাওঁ। ইয়ো এক পেৰ্টানৰ জীৱন। আনন্দৰ নে দুঃখৰ কোৱা কঠিন।

মন বস্তুটোৱেই এনেকুৱা যাৰ কোনো সীমা নাই। বহু সময়ত পেট্ৰ'লৰ দৰে চলাই চলাই বহু দূৰলৈ লৈ যায়। অতীতৰ দিশেই বেছিকৈ যায়। সমুখলৈ যাবইনো কেনেকৈ। সময় হ'ল বৰ মজাৰ জিনিচ্। আজিৰ পৰা কাইলৈ যাব; কিন্তু কাইলৈৰ দিনটো কেনে হ'ব, তাতে বা কি আছে নোযোৱালৈকে জনা নাযায়। চকুত পটি বান্ধা। ই এক আচ্ছা গান্ধাৰীমাৰ্কা যাত্ৰা।

বহি বহি এটা ভয়ংকৰ প্ৰবন্ধৰ পৃষ্ঠা লুটিয়াই আছো, নাৰীমুক্তি। নিৰ্যাতিতা, নিপীড়িতা, মাতৃত্বৰ শিকলিৰে বান্ধা, সংসাৰ পিঞ্জৰাত আবদ্ধ বন্দিনী ৰমনীবোৰক মুক্তি দিব লাগিব। ক'ৰ পৰা মনটো ক'লৈ যে উৰি গ'ল। হঠাতে মনত পৰিল কাটলেট। ছাপন্ন চনত মোৰ বান্ধৱীক লৈ শীতৰ এটি ৰাতিপুৱা মধুপুৰলৈ ওলাই গৈছিলো। ধৰাধৰি হাত জোকাৰি জোকাৰি জীৱনৰ নানা কথা পাতি পাতি নানান গান গাই গাই, জীৱন-সপোনৰ দোলনাত দুলি দুলি ভোক লাগি গ'ল। তেতিয়া মধুপুৰ ষ্টেচনত কেলনাৰৰ ৰেস্তোঁৰাখন আছিল, পৰিপাটি, সুন্দৰ। 'কি খাবা?' সোধাৰ লগে লগে মিচিকিয়াই বান্ধবীয়ে ক'লে, 'কাটলেট।'

দুখন বগা প্লেটত এযোৰ কৈ কাটলেট আহিল। বৰ ডাঙৰ নহয়, সৰু সৰু। বাদামী ৰং। মচমচীয়া, পিঠিত গৰম তেলৰ বুৰবুৰণি ফুটিব লাগিছে। গোন্ধটো আজিও নাকত লাগি আছে। চালাদ, সতেজ মটৰ গুটিৰ বাগৰা বাগৰি। উজ্জ্বল এটা দিন। মৌসনা ৰ'দ। সমুখত প্ৰেমিকা আৰু কাটলেট। মোৰ মনৰ চেতাৰত ললিত ৰাগ বাজি উঠিছে। প্ৰেমৰ ফুল

বিৰহত মৰহি যায়। আমাৰ প্ৰেম কিন্তু ফল হৈ পকিছিল। কাটলেট সাক্ষী।

'মই কাটলেট খাম।' মনটোৱে হঠাতে ক'লে।

এক ধমক দিলো, 'চুপ্।কাটলেট খাম ! সেই কাটলেটো নাই, সেই লিভাৰো নাই। বয়সৰ ময়ূৰপংখী সময়ৰ নদীত উটি আহি জীৱন সেই অতীতৰ পৰা বহু দূৰ পালেহি। মুৰি-বাদাম খোৱা। কাটলেটৰ দিন উকলি গৈছে। ইংৰাজৰ লগে লগে কাটলেট কালচাৰো দেশ এৰি গ'ল। ষ্টীম ইঞ্জিন গ'ল, মি. কেলনাৰ গ'ল ইণ্টাৰ ক্লাচ গ'ল। এড্ৰিনা গ'ল। চুপ ৰহো মন।

প্ৰবন্ধটোত মনোনিবেশ কৰিলো। আধুনিক সংসাৰ কেনে হ'ব ! মুক্ত নাৰীৰ সমাজ কেনেকুৱা হ'ব। আহি থকা ভয়ংকৰ দিনবোৰৰ কথা ভাবিবলৈ কল্পনা কৰিবলৈ চেষ্টা কৰিব লাগিছো।

'কাটলেট খাম।' এই বাৰ শিশুৰ বায়নাৰ দৰে বেছ জোৰে।

'ঐ চুপ। আজিকালি কাটলেট পোৱা নাযায়। উত্তৰ কলিকতাৰ ক'ৰবাত পোৱা যাব পাৰে হয়তো পালেও সেই আগৰ নিচিনা নহ'ওবও পাৰে। বুজিছ। মন অ', ভাল ল'ৰাৰ দৰে পাঠত মন দিয়া, সোণটো। প্ৰেছ বহি আছে।

আকৌ পঢ়াত লাগি গ'লো। ফাইন লেখা, পঢ়ি পঢ়ি নিজকে আবিষ্কাৰ কৰিলো। চকীখনত এটা পশু বহি আছো। চিম্পাঞ্জী। অধমতকৈও অধম মানুহ এটা ! হেৰা, চাহ একাপ বনোৱা। পানী এগিলাচ আনাচোন। ভাল ইলিচ আনিছো জোলখন বঢ়িয়াকৈ বনাবা। আজি বন্ধু কেইজন মানক মাতি আহিলোহে খাবলৈ। চোলাটো ইস্ত্ৰি কৰি থ'বা হে। মূৰটো বৰ কামুৰি আছে অলপ পিটিকি দিবা নেকি ? ইমানদিনে পত্নীক আপোনতম জন বুলি ভাবি এইবোৰ কথা, এনেধৰণ কথা কৈ আহিছো মই ! মই ইমান নীচ ! পত্নীক হুকুম দিছো, ধমক দিছো, অভিমান কৰিছো !

'মই কাটলেট খাম।' এইবাৰ একেবাৰে আঁকোৰগোজ কণ্ঠ।' খামেই।' মই বহাৰ পৰা উঠিলো। স্পিৰিচুৱেল ক্ৰাইচিচ। প্ৰবন্ধৰ চিটিকনি লাগি অপৰাধবোধ জাগিছে। তাৰ ওপৰত লোভ-ভিতৰখন চাৰখাৰ হৈ গছে। ৰাস্তালৈ ওলাই গ'লো।

'হেৰি ডাঙৰীয়া! কাটলেট ক'ত পোৱা যায় নো? ফিফটি চিক্স ব্ৰাগুৰ মচমচীয়া বাদামী কাটলেট? নেজৰ পিনে হাড়ৰ এটি সৰু নাল, দেখিলে এনে লাগে যেন সৰু হাতীপোৱালি এটা দাঁত উলিয়াই চেপেটা লাগি পৰি আছে।'— সুধিবলৈ তেনে ডাঙৰীয়া চকুত নপৰিল। কলিকতাৰ ক্লাচিকেল মানুহবোৰ এতিয়া অদৃশ্য। ক্লাচৰ যুগ শেষ। এতিয়া গানৰ যুগ। দীঘলীয়া শোভাযাত্ৰা যাব লাগিছে। ঐতিহ্যক মাৰা গুলী, ক্ষমতাক কৰা চালাম— কথাবোৰ এনেধৰণৰ। ৰাস্তাটোৰ সিটো পাৰে এখন মাদ্ৰাজী ৰেস্তোঁৰা ইটো পাৰে এখন চাইনিজ। চাইনজত সুৰা সোমাল, মাদ্ৰাজীত এৰিষ্টকেচি। এটা বৰাৰ দাম দুটকা, এক আউন্স কফি পাঁচ টকা।

'ডাঙৰীয়া ! কাটলেট ক'ত পোৱা যায়?'

'কলিকতাত জঞ্জাল পোৱা যায়, শোভাযাত্ৰা পোৱা যায়, অগ্নিবৰ্ষী ভাষণ পোৱা যায়, ডাংগা-হাংগামা পোৱা যায়, কাটলেট ক'ত পোৱা যায় নাজানো।'

ৰাস্তাৰ কাষত থিয় দি নিজেই নিজৰ সৈতে কথা পাতি আছো। হঠাৎ চকু পৰিল ভয়ংকৰ নামকৰা এখন ৰেস্তোৰাৰ এটি শাখা। সাধাৰণ মানুহৰ বাবে নহয়, তথাপি জীৱনত এবাৰ ট্ৰাই কৰি চোৱাত দায কি ! অন্তৰাত্মাৰ প্ৰবল হেঁপাহ কাটলেট খাব।

ৰজাৰ নিচিনা সাজ পিন্ধা এজনে কাঁচৰ দুৱাৰখন খুলি দলে। বুজিলো এই আতিথ্যখিনিৰ দামো খাদ্যৰ সৈতে ধৰা হ'ব। তলৰ মহলাটো পান ভোজনৰ বাবে, কেৱল ভোজন ওপৰ মহলাত। মোক ওপৰ মহলালৈ চালান কৰা হ'ল। এক অস্বস্তিকৰ কৃত্ৰিম পৰিৱেশ, পইচাৱালাবোৰে এনে পৰিবেশেই বিচাৰে। ভালদৰে মনিব পাৰা নোৱাৰা এন্ধাৰ এন্ধাৰ পোহৰ,

আহ্বান



অথবা পোহৰ পোহৰ এন্ধাৰ। জোৰা বান্ধি বান্ধি আচহুৱা ৰমনী পুৰুষ। সাহস গোটাই চকী এখনত বহি দিলো, পকেটটো এবাৰ লাৰি চালো। এটা কাটলেটৰ দাম কিমান হ'ব পাৰে? দুশ !

ঠাচ কৈ মেনু এখন টেবুলত পৰিল। গাঢ় ৰঙৰ চুট পিন্ধা ভদ্ৰলোক এজন এটেনচনৰ ভংগীত সন্মুখত ঠিয় দি ৰ'ল। চলিদ মুখ। দুঃখ, আনন্দ, হাঁহিৰ একো এটা লেখা নাই মুখখনত। বাঁও হাতত ডাঠ বাকলিৰ এটি ফোল্ডাৰ, সোঁহাতত পেঞ্চিল। প্ৰথমৰ পৰা শেষলৈ মেনুখনত চকু ফুৰালো। কাটলেটৰ কথা ক'তো চকুত নপৰিল।

এইবাৰ সাহস গোটাই একেবাৰে খাচ বঙালীৰ দৰে সুধিলো, 'দাদা, কাটলেট নাই?'

সংক্ষিপ্ত উত্তৰ, 'আছে, চিকেন কাটলেট।'

'তেনেহ'লে কাটলেট।'

'আৰু কিবা?'

'পিছত।'

মিটাৰ ইনচপেক্টৰৰ দৰে মানুহজনে টুকটুক কৈ কিবা লিখি লৈ আঁতৰি গ'ল। দামটো জনা নগ'ল। মনৰ মাজত এটা উদ্বেগ। দৰ্কাৰ হ'লে ঘড়ী আঙঠি খুলি দিম !

এইবাৰ এটা এটাকৈ আহিবলৈ আৰম্ভ কৰিলে। বগা প্লেট এখনত কাটা চামুচ, চুৰি, কোচত পাৰি ল'বলৈ বগা টাৱেল, হাত মচিবলৈ ৰুমাল, যেন মোৰ অপাৰেশ্যনহে হ'ব। পানীৰ বটল, গিলাচ, আইনাৰ বাতি এটাত গোটা গোটা গোলাপী পিঁয়াজ। চচৰ বটল। বিভিন্ন আচাৰ। টেবুলখন ভৰি গ'ল।

বস্তুবোৰ সন্মুখত লৈ বহি আছো। বহিয়েই আছো। কাটলেট নাহে হে নাহে। ৰান্ধি আছে। প্ৰথমতে কণীত লেতিয়াই তাৰ পিছত গাত বিস্কুতৰ গুৰি সানি গৰম তেলত ডুবাব সময়তো লাগিবই। বহি বহি মানুহবোৰক লক্ষ্য কৰিছো, সুখী নৰ-নাৰী সবে মোকোৰা মোকোৰে খাই গৈছে। একোখন বেটৰ সমান নান ৰুটি, নাওৰ নিচিনা একোটা আইচক্ৰীম, স্নেহ সনা ফ্ৰুইট চালাদ। কেৱল খোৱাই নহয়, প্ৰেমৰ দৃশ্যও আছে। মূৰত মূৰ ঘঁহাই কথা। তাৰ মাজতে সপৰিবাৰে খোৱাৰ দৃশ্যও আছে।

সৌৱা আহিব লাগিছে নাচি নাচি মোৰ কাটলেট আহিব লাগিছে। দূৰৰ পৰাই গোন্ধ পাইছো। গৰম কাটলেটৰ পিটিপিট শব্দ। মূৰৰ ওপৰেৰে কাণৰ কাষেৰে কথাকলিৰ ভংগীত পৰিৱেশন কৰা হ'ল কাটলেট। চকুৰ আগত বগা প্লেট এখনত আধাহাত মান দীঘল এটা মাল। ফাগুন মাহৰ চিড়াল ফটা পথাৰৰ দৰে ফাটাফাটা চেহেৰা। বৰ এটা দৰ্শনীয় নহয়, গুণী হ'ব হয়তো।

আস্তিন কোঁচাই আক্ৰমণৰ বাবে সাজু হ'লো। এখন হাতত চুৰী ইখন হাতত কাঁটা। খা অন্তৰাত্মা, কাটলেট খা, কিমান খাবি খা। চুৰীখন বহুৱাই দিছো, হঠাৎ কাণে কাণে কোনোবাই কৈ উঠিল, 'মোক কাটলেট এটা খুৱাবা?'

মাতটো মোৰ পৰিচিত। লগে লগে চুৰী কাঁটাক ওচৰা ওচৰিকৈ শুৱাই থ'লো।

সিদিনা মুষলধাৰে বৰষুণ দি আছিল। গভীৰ ৰাতি। খিৰিকীৰ আয়নাত বিজুলীৰ বৈ-বৈ চামকনি। কোঠাটোৰ ভিতৰত মৃদু পোহৰত প্ৰতিমা মৃত্যুশয্যাত। মধুপুৰ ষ্টেচনৰ কেলনাৰৰ ৰেস্তোঁৰাত বহি সেই যে মোৰ স'তে কাটলেট খাইছিল, যাৰ সৈতে খেৰকুটা গোটাই মই এখন সংসাৰ সাজিছিলো সেই প্ৰতিমাৰ এখন হাত মোৰ হাতৰ মুঠিত। দুয়ো দুয়োকে জোৰেৰে ধৰি আছো। প্ৰতিমাই হঠাতে ক'লে, 'কাইলৈ কাটলেট এটা আনিবা না, সেই যে খাইছিলো। বহুদিন হ'ল খোৱা নাই।'

পিছৰ দিনা নিয়া নহ'ল। হেজাৰটা কামত, চিন্তাত পাহৰি গ'লো। ৰাতি প্ৰতিমাই ক'লে, 'ক'তা? কাটলেট নানিলা?' মই কৈছিলো, 'ইচ্ বৰ ভুল হৈ গ'ল হে। কাইলৈ নিশ্চয় আনিম।'

'কাইলৈ?' অদ্ভুত এটি হাঁহিৰ বেশ খেলি গ'ল তাইৰ ওঁঠৰ কোণত।

মোৰ সেই কালি কালি হৈয়েই বৈ গ'ল। প্ৰতিমাৰ কালি শেষ হৈ গ'ল। পাহৰি নগ'লে তাইৰ ওঁঠত সামান্য এটুকুৰা কাটলেট সিদিনা মই গুজি দিব পাৰিলোহেঁতেন। খাব নোৱাৰিলেহেঁতেন, সোৱাদতো পালেহেঁতেন। সেই যে মই কথা দি কথা ৰাখিব নোৱাৰিলো আৰুতো কোনো উপায় নাই। কোনো দিনেইতো আৰু দেখা নহ'ব প্ৰতিমাৰ সৈতে। মানুহ এবাৰেই আহে, সম্পৰ্ক এবাৰেই গঢ়ি উঠে।

সঁচাকৈয়ে কোনো কণ্ঠস্বৰ শুনিলো নেকি ! ঘড়ীটোলৈ চালো। আজি চৈধ্য আগষ্ট। যোৱা বছৰ এইটো দিনতেই প্ৰতিমা গুচি গৈছিল। 'যি বাকী ৰ'ল সি বাকীয়েই থাকি গ'ল। তোমাৰ পৰা আৰু কোনো কৈফিয়ৎ নিবিচাৰো। বিচাৰিবলৈ আৰু নাহোও।'

'বেয়াৰা !'

নিজৰেই গলা শুনি নিজেই উচপ খাই উঠিলো। ভয়ংকৰ উচ্চ স্বৰ। কিন্তু কোনো মানুহৰেই কণ্ঠ। বেয়াৰা সমুখত হাজিৰ।

'বিল।'

মানুহটো অলপ আচৰিত হ'ল। খোৱা আৰম্ভ কৰাই নাই, বিল বিচাৰিছে ! সি মনে মনে থিয় দি ৰোৱা দেখি মই আকৌ ক'লো, 'বিল।'

'চাব' কৈ সি আঁতৰি গ'ল। মই টেবুলখনলৈ আৰু চোৱা নাই। চকু মুদি অতীতলৈ দৌৰিছোঁ। পেট্ৰ'লপাম্পৰ মিটাৰ যেন ওলোটাকৈ ঘূৰিব লাগিছে। হুৰহুৰাই বয়স কমি গৈছে। জীৱনৰ এৰি অহা ঘটনাবোৰৰ পথেৰে ঢপলিয়াইছো। শৰীৰৰ ছাঁয়া, ঘটনাবোৰ ছাঁয়া। কোনোটোৱেই আজি নাই, তথাপিও আছে।

বিল আহিল। সত্তৰ টকা। টকা কেইটা ট্ৰেখনত পেলাই দিলো। যাবলৈ বুলি চকীখনৰ পৰা উঠিছো বিব্ৰত কণ্ঠে- মানুহটোৱে ক'লে, 'আপুনি নাখালে যে ছাৰ? কিবা গোলমাল...!'

মোৰ কোনো উত্তৰ নাই। আয়নাৰ দৰজা। কাঠৰ চিৰি, কাৰ্পেটেৰে ঢাকা। দুৱাৰমুখত সেই দুৱৰী জন। সৰু এটা চালাম। আকৌ ৰাস্তা। ৰঙা নীলা বিভিন্ন ৰঙৰ মটৰ গাড়ী। অনাদি অনন্ত মানুহৰ শোভাযাত্ৰা।

হঠাতে টপকৈ এটা শব্দ হ'ল। স্পষ্ট শুনিলো। ঢপলিয়াই ফুৰা জীৱনসোঁতত এটি বিন্দু জীৱন সৰি পৰাৰ শব্দ।◆

চানভেলি হস্পিটেল
VALLEY HOSPITAL

আহ্বান



ঋণমুক্তি

✍ সত্যধৰ মটক

প্ৰায় ১৫ বছৰ আগৰ কথা। বদলি সূত্ৰে ডিব্ৰুগড়ৰ পৰা আহি গুৱাহাটীত এটা ভাড়া 'ঘৰ' বিচাৰি পৰিয়ালসহ থাকিবলৈ লৈছো। পুলিচ বিভাগৰ 'তলখাপৰ' চাকৰিয়াল হিচাবে আৰু বেছি ভাগ সময় এচ বি (SB) আৰু বৰ্ডাৰব্ৰাঞ্চতে প্ৰায় ডেৰকুৰি বছৰ আৰু অসমৰ বিভিন্ন ঠাইত চাকৰি কৰিলো। নিজৰ অতি খৰছি স্বভাৱৰ বাবে সাঁচতিয়া টকা পইচা নাই। হাতত জমা ধন নথকা বাবেই বহু 'সময়'ত বিপদত পৰিছো। অৱশ্যে যাৰ কোনো নাই তাৰ ভগৱান সহায় থকাৰ দৰে বিপদৰ সময়ত কিবা নহয় কিবা এটা উপায় ওলায়েই। ছোৱালীজনী পঢ়াত বৰ বেয়া নাছিল। মেট্ৰিক আৰু উচ্চ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত পাছ কৰি ডাক্তৰী পঢ়াৰ মনেৰে লিখিত পৰীক্ষা দি উত্তীৰ্ণ হৈছিল, কিন্তু উত্তীৰ্ণ তালিকাখনৰ কিছু পিছত থকাৰ বাবে নাম ভৰ্তিৰ বাবে মনোনীত নহ'ল। তালিকাৰ পিছত থকা বহুতো পৰীক্ষাৰ্থী মেডিকেল কলেজত চিটট পোৱা বুলি জানিব পাৰি ভিতৰুৱাভাৱে খবৰ পালো সেইসকলে ৫ৰ পৰা ১০ লাখ টকাকৈ কৰ্তৃপক্ষক ঘোচ দি হেনো নাম ভৰ্তি কৰালে। আশা এৰি দিলো তালিকাৰ আগত থকা কোনোবা পৰীক্ষাৰ্থীৰ নাম ভৰ্তিৰ ক্ষেত্ৰত হোৱা খেলিমেলিৰ বাবে মেডিকেল কলেজত বহুতো গণ্ডগোল হৈ গ'ল। এডমিছন হোৱা বহুতৰে এডমিছন নাকচ হ'ল। শেষত ছোৱালীজনীয়ে এডমিচনৰ বাবে মনোনীত হোৱা বুলি খবৰ অহাত পৰিত্ৰাণ পালো। ডিব্ৰুগড় মেডিকেল কলেজত নাম ভৰ্তিৰ বছৰচেৰেক পাছত তাই সকলোৰে লগত মিলিব পৰা স্বভাৱ, খেলা-ধূলা আৰু সাংস্কৃতিক অনুষ্ঠান আদিত জড়িত থকাৰ বাবে কলেজৰ প্ৰফেচাৰ ও লগৰ বন্ধু বান্ধৱীৰ মাজত বৰ প্ৰিয় পাত্ৰ হোৱা বুলি জানি মনত বৰ আনন্দ পালো। 'ল'ৰাটোৱে' ইঞ্জিনীয়াৰিং পঢ়াৰ আশাৰে প্ৰৱেশ পৰীক্ষা দি নাম ভৰ্তিৰ বাবে মনোনীত হ'ল যদিও নাম ভৰ্তিৰ বাবেই প্ৰায় ৫০ হাজাৰ মান টকাৰ প্ৰয়োজন হোৱাত বিপদত পৰিলো। শেষত যেনিবা নিজৰ ল'ৰা-ছোৱালী নথকা শিক্ষা-দীক্ষাৰ প্ৰতি আগ্ৰহী প্ৰাইমাৰী স্কুলৰ শিক্ষকতা আৰু নিজৰ কেইডৰামান মাটি বিভিন্ন খেতিৰ যোগে অৰ্জন কৰি আৰ্থিক দিশত কিছু স্বচ্ছল হোৱা মোমায়েকে তাক পঢ়ুওৱাৰ দায়িত্ব লৈ আমাক উদ্ধাৰ কৰিলে।

গুৱাহাটীত সৰু চাকৰিয়াল এজনে পৰিয়াল লৈ থকা কথাটো চিন্তা কৰাটো প্ৰায় অসম্ভৱেই। একেলগে বহুদিন আগতে লখিমপুৰত চাকৰি কৰা বকুল সোনোৱালক যোৰহাটৰ ফালে পাহাৰীয়া চৰকাৰী মাটি এডোখৰ কিছু কম দামত কিনিলৈ সৰু কৈ ঘৰ এটা কৰি পৰিয়াল লৈ তাত থকাৰ কথা জানিব পাৰি তেওঁৰে সৈতে এদিন তেওঁৰ ঘৰ পালো গৈ।

লখিমপুৰত থকাৰ সময়ত আমাৰ মাজত বেছ বন্ধুত্ব হৈছিল। একেদৰেই দুয়োজনৰে পাৰিবাৰিক আত্মিয়তাও ভালদৰে গঢ় লৈছিল। সোনোৱালৰ ঘৰটো ঠাইডোখৰত প্ৰায় অকলশৰীয়া। কিছু আঁতৰত দুই এঘৰ নেপালী খাছিয়া মানুহ আছে। দেশী মদ বিক্ৰী কৰা বাবে সন্ধ্যা মানুহৰ আড্ডা হয়।

আহ্বান

প্ৰায় হাই-কাজিয়াও হয় হেনো— সোনোৱালৰ পৰিবাৰে মই গুৱাহাটীলৈ বদলি হৈ আহি একেটা অফিচতে (বৰ্ডাৰ ব্ৰাঞ্চ) পোষ্টিং হোৱাৰ বাবে পুনৰ দুই পৰিয়াল লগ লগাৰ কথা ভাবি আনন্দ পালো। সোনোৱালৰ পৰিবাৰৰ আগ্ৰহতে তেওঁ মোলৈ প্ৰস্তাৱ আগবঢ়ালে যে তেওঁৰ প্ৰায় চাৰি কঠা মানৰ আহল-বহল মাটি টুকুৰাতে ময়ো ঘৰ এটা সাজি থকাটো কৰিলেই হয়। সময়ত কিছু পইচা তেওঁক দি মাটিভাগ মোৰ নিজা কৰি ল'লেই হ'ল। তাকো এতিয়াতে একো দিব নালাগে।

প্ৰস্তাৱটো মোৰ বাবে বৰ মনোগ্ৰাহী হোৱাত ঘৰলৈ ঘূৰি আহি পৰিবাৰক সেই বিষয়ে কোৱাত পৰিবাৰেও খুউব ভাল পালে আৰু অতি সোনকালে নিজা ঘৰ এখন কৰাৰ চিন্তা কৰিলো। টকা-পইচা সংগ্ৰহৰ কথা আলোচনা কৰি পৰিবাৰৰ লগত থকা সোণৰ গহনাখিনিকে পোনতে বিক্ৰী কৰি ঘৰ এটা সজাৰ কামত আগবাঢ়িলো। কিবা কৰি নিজা ঘৰ এটা হ'লে ভাড়া ঘৰৰ বাবে পইচা কেইটাও বাচে।

ঘৰটো সৰু হ'লেও থকা ৰুম এটাৰ তলখন পকা হ'লে ভাল লাগিব এই চিন্তাৰে কামত আগবাঢ়িলো। গুৱাহাটীৰ আঠগাঁৱত পোৱা পুৰণা টিনপাত, জাগীৰোডৰ কাষত মেঘালয়ৰ সীমাৰ হাবিৰ পৰা গাঁৱলীয়া সৰু সৰু বেপাৰীয়ে কৰতেৰে কাটি মুকলিলৈ উলিয়াই চোৰাংভাৱে বিক্ৰী কৰা কাঠ দৰ্জা বাটাম আদিৰ বাবে সংগ্ৰহ কৰি ঘৰ এটা সজা কামত লাগিলো। বন্ধু সোনোৱালে মাটিৰ উপৰি কেইবা হাজাৰো টকা ধাৰ দিলে। তাৰোপৰি তেওঁৰ চিনাকি কাবুলি এজনৰ পৰা তেওঁ নিজে গেৰেণ্টিৰ হৈ ২০ হাজাৰ টকাও দি দিলে মনত আমাৰ অতি উৎসাহ এখন নিজা ঘৰ কৰিম। খানাপাৰা এৰিয়াতে থকা ডেকাৰ দোকানৰ পৰা দুই, এৰেগ কৈ চিমেণ্ট আনি কাম কৰাই আছো। দুই-এজন চিনাকি লোকৰ মুখত ডেকা দোকানীয়ে ভেজাল চিমেণ্ট বিক্ৰী কৰাৰ কথা প্ৰকাশ পাইছে। চিমেণ্ট ভেজাল কৰাৰ মাৰোৱাৰী গুদামটো হেনো যোৰাবাটৰ ওচৰতে আছে।

যাহওঁক, মই কিবা বিল্ডিং বনামনে? মোৰ সৰুকৈ ঘৰটো দুই, এৰেগ বেয়া চিমেণ্টেৰেই বনালোৱেই যেনিবা তাতে কি হ'ল।

বৰ্ডাৰ অফিচতে বহুদিন হোমগাৰ্ডৰ চাকৰি কৰি দৰমহাৰ টকা কেইটাৰে সংসাৰ চলাব নোৱাৰি চাকৰি এৰি ৰাজমিস্ত্ৰীৰ সৈতে যোগালি কৰি কিছু কাম ধনীৰাম ৰাহং নামৰ ল'ৰাটোকে মিস্ত্ৰি হিচাপে ঘৰত কামত লগাই মই নিজেও সম্পূৰ্ণ সহযোগ কৰি ঘৰ সজা কামত আগুৱাই গৈ আছো। ৰুম এটা প্ৰায় হৈছেই। পাকঘৰ হিচাবেও ৰুম এটা কৰিছো। পাকঘৰত ৰান্ধনীয়ে বাচন-বৰ্তন ৰখা তথা ষ্টোভ আদি ৰখাৰ বাবে এখন চাজা তথা চাঙৰ আৱশ্যক। প্ৰায় ৫ফুটমান জোখৰ টক্তাৰ চাজা কৰি চাজাৰ বাবে চিমেণ্টেৰে ঢালাই দিয়া হ'ল। কেইদিনমান পাছতে ধনীৰাম মানে মিস্ত্ৰিৰ কথামতে চাজাখনৰ তলত দিয়া বাঁহৰ খুটা অৰ্থাৎ চাৰ্পট কেইডাল খুলি দিয়া হ'ল। বাঁহৰ খুটাকেইটা আঁতৰাই দিয়াত চাজাখন দেখাত বেছ ভাল লগা হ'ল। পৰিবাৰেও সোনকালেই নিজে এইটো পাকঘৰতে ভাত বনাবৰ আশাত বৰ আনন্দিত হ'ল। মিস্ত্ৰি দুদিন জিৰণী লৈ পুনৰ কামত লগাৰ কথা আছিল। সেইদিনা পুনৰ মিস্ত্ৰিৰে সৈতে পাকঘৰৰ কামত লাগিবৰ বাবে ওলাই দেখো চাজাখন ভাঙি মাটিত এচলীয়াকৈ পৰি আছে। মোৰ দুখ লগাৰ লগতে চিমেণ্ট বিক্ৰী কৰা ডেকা দোকানীৰ ওপৰত অত্যন্ত খং উঠিল। তেওঁৰ দোকানৰ ভেজাল চিমেণ্ট ব্যৱহাৰ কৰিয়েই মোৰ এই লোকচান ভাবি অকণো বিলম্ব নকৰি ডেকা দোকানীৰ ওচৰ পালোগৈ আৰু প্ৰায় ৬০ বছৰীয়া ডেকা দোকানীক 'তই ভেজাল চিমেণ্ট বিক্ৰী কৰিব আহিছ বুলি' তেওঁক বুকুত ধৰি শাৰীৰিক ভাৱে উধাই-মুধাই প্ৰহাৰ কৰিলো। ঘটনাৰ সময়ত ওচৰতে থকা বহু কেইজন লোকে ডেকা দোকানীক ৰক্ষা কৰাৰ পক্ষত থাকি মোক আক্ৰমণ কৰাত নামিল। এদিৰে মোৰ খঙৰ বহিঃপ্ৰকাশ ঘটাই মই আঁতৰ হ'লো। অফিচত আই জি পি শ্ৰীযুত দত্ত ছাৰৰ মোৰ বিপক্ষে মাৰপিট কৰাৰ অভিযোগ উঠিল। তেখেতৰ সন্মুখত মোক জবাবদিহি কৰালে। মই সঁচা

আহ্বান

কথাখিনিয়ে ক'লো, ডেকা দোকানীয়ে চিমেণ্ট ভেজাল কৰাৰ অভিযোগ আনিলো। দত্তচাৰে মোৰ কথা শুনি দোকানীৰ বিপক্ষে চিমেণ্ট ভেজালৰ অভিযোগ অনাৰ বাবে যে 'অত্যাৱশ্যকীয় সামগ্ৰী আইন' (Essential Commoditis Act)ৰ কথা সোঁৱৰাই দি তেনে আইনৰ যোগেদিহে তেনে বেপাৰীৰ বিপক্ষে ব্যৱস্থা ল'ব পৰা যায় আদি কথাৰে বুজালে। মই নিজেও চাকৰি কালৰ ভিতৰত সেই আইনৰ যোগে আগেয়ে ব্যৱস্থা লৈছো।সেইদিনা মোৰ চাজাখন ভাঙি পৰাৰ পিছত যে দৰকাৰতকৈ বেছি মোৰ খঙৰ বৰ্হিপ্ৰকাশ কৰিলো সেইটো মই বুজি পালো আৰু মনতে মিছাকৈয়ে বুঢ়া মানুহজনৰ গাত হাত দিলো ভাবি নিজকে অপৰাধবোধ কৰিলো। সেই সৰু দোকানীজনৰ গাতনো কি দোষ তেওঁ ওচৰৰ পৰা দোকানৰ সামগ্ৰী কিনি আনি তেওঁৰ সৰু দোকানত বিক্ৰী কৰিছে। চিমেণ্ট ভেজাল কৰিছে অপৰাধ সেই বুঢ়া মানুহজনৰ নহয়। মোৰ বিপক্ষে দোকানী ডেকাৰ ৩/৪জন পুতেকে মিলি দিয়া লিখিত অভিযোগ দত্তছাৰৰ টেবুলতেই থাকি গ'ল। কিয়নো এই বিষয়ে আৰু মোক তলব কৰা আদি কাৰ্য অফিচৰ পৰা একোৱেই নহ'ল। খঙৰ ভমকত জীৱনত বহুখিনিয়েই নিজৰ ক্ষতি কৰি আছো। খং যে অতি অনিষ্টকাৰী সেই কথাটো মই উপলব্ধি কৰি আহিছো। তৎসত্বেও খং দমাব নোৱাৰি সময়ত এনে একোটা কাম কৰি পেলাও পিছত তাৰ শুধৰণি কৰাটো টান হৈ পৰে। দোকানত বস্তু কিনোতে ৰিক্সাবালাই, আটোবালাই হিচাবতকৈ বেছি ভাৰা বিচাৰোতে প্ৰায়েই খঙৰ বশৱৰ্তী হৈ কাজিয়াত নামি পৰো আৰু পিছলৈ ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ হোৱাৰ দৰে অৱস্থা হয়গৈ। বহু সময়ত সৰু সৰু কথাতে পৰিয়ালৰ লগতে কাজিয়া কৰি কেইবাদিনীয়া অশান্তি চপাই লওঁ। ডেকা দোকানীক অনাহকতে হাত লগালো এই অপৰাধ বোধে মোক সদায় আমনি কৰি থাকিল। মোৰ এই অপৰাধ বোধৰ পৰা মুক্তি পাবলৈ যেন মোৰ মনে হাঁহাকাৰ কৰি থাকিল।

ডেকা দোকানীৰ সৈতে হোৱা ঘটনা প্ৰায় ১৫ বছৰ পাৰ হৈ গ'ল মই বাস কৰা তথা খানাপাৰাৰ এই সীমামূৰীয়া ঠাইডোখৰও ঘনবসতি হ'ল। আমাৰ অঞ্চলৰ নতুনকৈ বিহু উৎসৱ পতাৰ আয়োজন চলিছে। উৎসৱ আয়োজনৰ বাবে পা-পইচা সংগ্ৰহৰ কামত ময়ো সহযোগ কৰিছো। ওচৰৰ আৰু দূৰদূৰণী, চিনাকি-অচিনাকি বহুতৰ লগতেই ইজনৰ -সিজনৰ যোগেদি চা-চিনাকি হৈছো— মোৰ বন্ধু কমল দত্তৰ পাঞ্জাবাৰীৰ ঘৰৰ কাষৰে বুলি মোক দত্তই হৰিচৰণ ডেকাক চিনাকি কৰাই দিলে। মানুহজনৰ লগত দুই-চাৰিটা কথা পতাৰ পাছত তেওঁ যে মোক আগৰে পৰা জানে, এই কথা ব্যক্ত হ'ল আৰু তেওঁ সেই ডেকা দোকানীৰ পুতেক বুলি মই বুজি পালো। মই মোৰ পুৰণা কথাৰ একোকে উল্লেখ নকৰাকৈ তেওঁৰ আৰু পৰিয়ালবৰ্গও লগতে বিশেষভাৱে দেউতাকৰ স্বাস্থ্যৰ খবৰ ল'লো। দেউতাকৰ স্বাস্থ্য কিছুদিন ধৰি ভালে নাই বুলি তেওঁ জনালে। এতিয়া প্ৰায় শয্যাগত। প্ৰায় আশীৰ ওচৰ পৰা দেউতাকৰ বয়সৰ নানা বেমাৰে আগুৰি লৈছে হেনো। বিশেষভাৱে বুকুত হোৱা এটা বিষে প্ৰায়েই আমনি দিয়ে হেনো। বুকুৰ বিষৰ কথা শুনি মোৰ ভাব হ'ল সেই যে মই দেউতাকৰ বুকুত কেইবা ঘোচাও মাৰি শাৰীৰিকভাৱে আক্ৰমণ কৰিছিলো দেউতাকৰ বুকুৰ বিষ তাৰেই পৰিণতিত নহয়তো। মনটো বিষাদে আবৰি ধৰিলে যদিও মানুহজনক পুনৰ লগ পোৱাৰ আশা দেখি খুউব উৎসাহিতো হ'লো। বিহুৰ সময়। হৰিচৰণ ডেকাই দেউতাক তেওঁৰ ঘৰতে থকাৰ কথা জনোৱাৰ লগতে মই লগ পাবলৈ আগ্ৰহ দেখুওৱাৰ ওপৰত সহাঁৰি জনাই তেওঁৰ ঘৰলৈ বিহুৰ মাজতেই আমন্ত্ৰণ জনালে। গৰু বিহুৰ দিনাই পুৱা হৰিচৰণ ডেকাৰ ঘৰ ওলালোগৈ। তেওঁ কলেজত পঢ়ি থকা ছোৱালী তথা দোকানী ডেকাৰ নাতি ছোৱালী জনীয়ে মোক দ্ৰয়িংৰুমত বহিব দি পিঠা পনাৰে সৈতে চাহৰ জোগাৰ কৰি আনিলে। ককাদেউতাকক লগ নোপোৱালৈকে মই চাহ কাপ আগেয়ে খাবলৈ ভাল নাপালো। মোৰ আগ্ৰহত নাতি ছোৱালীজনীয়ে মোক ককাদেউতাক থকা ভিতৰৰ ৰুমলৈ নিলে। মইনো কোন সেইটো চিনাকি দিয়াৰ প্ৰয়োজন নহ'ল। মানুহজনক দেখিয়েই মই ওচৰ চাপি তেওঁৰ ভৰিখন চোৱাৰ

লগতে সাবটি ধৰি বহু পুৰণি হৈ যোৱা ঘটনাটোৰ বাবে ক্ষমা খুজিলো।

তেওঁৰ মনত যে মোৰ প্ৰতি একো ভাব নাছিল সেইটো তেওঁ মোক পুত্ৰবৎ দানেৰে দিয়া আশীৰ্বাদখিনিৰ পৰাই মই বুজি পালো। এয়া এজন সহজ-সৰল মানুহৰ উদাহৰণ আৰু মহানুভৱতা।

মানুহ ঘৰত চাহ জলপান খাই উঠি বিদায় লোৱাত পুনৰ আহি থাকিবলৈ পৰিয়ালৰ মানুহে দেখুওৱা আহলাদত মই অভিভূত হ'লো। মনটো মোৰ যেন এডাল শকত শিকলিৰ বান্ধোনৰ পৰা মুক্ত হ'ল।

আজি কিছুদিন আগৰ পৰা মোৰ বুকুত থিতাপি লোৱা ডক্তৰেও ধৰিব নোৱাৰা বিষটোও নোহোৱা হ'ল।

ডেকা দোকানী তথা বৃদ্ধ মানুহজন মই লগ পোৱা এপষেক পিছত ঢুকাল। তেওঁ যেন মোক ঋণমুক্ত কৰিবলৈকে মই লগ পোৱা সময়লৈকে বাচি আছিল। ◆

Image Consultancy Education Pvt. Ltd

IMAGE CONSULTANCY

Promise You a Successful Career

Top Colleges in India & Abroad

MBBS

Govt./Pvt. Top Medical Colleges in CHINA, Russia, Kyrgyzstan, NEW ZEALAND, PHILIPpINES, NEPAL etc.

Package Starting : 10 Lacs Onwards

(Approved by MCI/WHO)

Medium : English, Food-Indian

Payments in Instalment.

MBA

Newzealand, Australia, Singapore, UK, US etc.

Study in INDIA

- BDS • MDS • B.TECH
- M.TECH • Pharmacy
- Nursing • Paramedical
- Architecture • Polytechnic
- MBA • Hotel Management
- Aviation • M.Navy etc.

TOP INSTITUTION IN

BANGALORE, CHENNAI, HYDERABAD, PUNE, MUMBAI, NAGPUR, NASHIK, DELHI-NCR, M.P., RAJASTHAN, ORISSA, W.BENGAL

H. N.- 18, Namghar Path-2, Rukmininagar, Opp.-BSNL Office, Wireless, Dispur, Guwahati-781006

www.imageconsultancyindia.com www.mbbsstudy.com

Call : +91 94353-44388/+91 094353-41610/+91 88229-11100



মায়া - মাথো মায়া

✍ ৰুমা ৰাজখোৱা

এটা ধুনীয়া শোৱনী কোঠা। ৱালৰ ৰঙৰ লগত মিলাই দুৱাৰ-খিৰিকীত নীলা ডাঠ পৰ্দা। কোঠাটোৰ ভিতৰৰ আচ্‌বাবসমূহ পৰিশৃঙ্খলভাৱে সজোৱা। কোঠাটোৰ মাজভাগতে এখন আটকধুনীয়া বিছনা। বৰ সুন্দৰ ডিজাইনৰ এখন বেড কভাৰেৰে সজাই থোৱা আছে। ৰুমৰ সংলগ্ন বাথৰুমৰ পৰা গা ধুই ওলাই আহি বিছনাখনত চকু পৰাত মহুৱাৰ চকুৰে-মুখে এটা লাজ লাজ বুলিয়া হাঁহি বাগৰি গ'ল। টাৱেল এখনেৰে তাই তিতা চুলিখিনি ভালদৰে মচি পেলালে। দীঘল মিৰৰখনৰ সন্মুখত থকা সুদৃশ্য টুলখনত বহি তাই ভিজা অৱস্থাতে চুলিখিনি ফনিয়ালে আৰু শিৰত সেন্দূৰ অলপ বোলাই দিলে। সেন্দূৰখিনি বুলোৱাৰ লগে লগেচোন মিৰৰখনৰ পৰাই অভ্ৰই তাইলৈ চাই মিচিকিয়ালে।

এৰা, অভ্ৰ, অভ্ৰনীল বৰুৱা। তাইৰ স্বামী। তাইৰ জীৱন-যৌৱনৰ হৃদস্পন্দন। সম্পূৰ্ণ এটা বছৰৰ পিছত অভ্ৰ কালিলৈ আহি পাবহি। অভ্ৰ এটা বছৰে আছিল আমেৰিকাৰ চিকাগো চহৰত। অৰ্থাৎ চিকাগো বিশ্ববিদ্যালয়ত। দিল্লী বিশ্ববিদ্যালয়ৰ পৰাই অভ্ৰ ছিলেক্ট হৈছিল। অন্য বিশ্ববিদ্যালয়ৰ তিনিগৰাকী অধ্যাপকৰ সৈতে তেওঁলোকক পঠিওৱা হৈছিল চিকাগো বিশ্ববিদ্যালয়লৈ। উদ্দেশ্য আছিল এটা বছৰৰ পাঠদান আৰু শিক্ষা বিষয়ক গৱেষণা।

বিয়াৰ দুটা বছৰ পূৰ নৌহওঁতেই অভ্ৰ যাবলগীয়া হোৱাত মহুৱা স্বাভাৱিকতেই ভাগি পৰিছিল। অভ্ৰৰ সৈতে তাই আমেৰিকালৈ যোৱাৰো কোনো উপায় নাছিল। অভ্ৰ আৰু তাইৰ সপোনৰ প্ৰেমৰ যুগলবন্দী হৈ সুৰৰ লহৰ তোলা কিঙ্কিনীৰ বয়স তেতিয়া মাথো এমাহ্। গতিকে অভ্ৰৰ লগত যোৱাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। তাইৰ শাহুয়েক ডাঃ নিৰ্মালি বৰুৱাৰ মতেতো এইটো কোনো চিন্তা কৰিবলগীয়া বিষয়েই নহয়। এই গ্লবেলাইজেচনৰ যুগত এৰি থাকিবলগীয়া হ'ব বুলি ভবাটো এটা অমূলক চিন্তা। চাবা মহুৱা— অভ্ৰ যায় মানে ঘূৰি অহাৰ দিন পাবহিয়ে। দেউতাৰ, মই বিশেষকৈ কিঙ্কিনীজনী থাকোতে সময়বোৰ কেনেদৰে পাৰ হ'ব তুমি ভাবিবই নোৱাৰিবা। অভ্ৰ যাবলগীয়া হোৱাৰ খবৰটো পোৱাৰ পিছত তাইৰ মন মৰা চেহেৰা দেখিলে এইদৰে শাহুয়েকে বুজনি দিছিল। এয়াতো তাইৰ শাহু অথবা শহুৰ নহয়। নিজৰ মাক-দেউতাকতকৈয়ো বেছি আপোন তেওঁলোক তাইৰ বাবে। বোৱাৰী নহয়, নিজৰ জীয়ৰীৰ মৰমেৰে তাইক বুৰাই ৰাখে। আছে— তেওঁলোকৰো এগৰাকী জীয়ৰী আছে। জী-জোঁৱাই দুয়ো বিজ্ঞানী। থাকে কানাডাত। তাৰে নাগৰিকত্ব পাইছে। সেয়েহে দুই-তিনি বছৰৰ মূৰত দেখাদেখি হয়। বিজ্ঞানৰ নতুন নতুন উদ্‌ভাৱনত নিমজ্জিত হৈ থাকোতে সংসাৰ বঢ়োৱাৰ কথা চাগৈ মনলৈ অহাই নাই।

মৌ— আবেগত অভ্ৰই মহুৱাক এইবুলিয়ে মাতে। অভ্ৰ আহি পোৱাৰে পৰা তাই শান্তিৰে উশাহ ল'ব পৰা নাই। অভ্ৰৰ মৰমবোৰে তাইক ক'ব নোৱাৰা কৰিছে। অভ্ৰৰ

আহ্বান

মৰমবোৰক অলপ বাধা দিয়াৰ বাবে তাই কৈ উঠিছে। অলপ শান্ত হোৱাচোন অভ্ৰ। তুমিতো এতিয়া মোক এৰি ক'লৈকো নোযোৱা।.চোৱাচোন— কিঙ্কিনীজনীয়েও দেউতাকে মাকক অনবৰতে মৰম কৰা দেখি খং কৰিছে। কিঙ্কিনীৰ কান্দোন দেখি তাই আৰু অভ্ৰ হাঁহিত ৰ'ব নোৱাৰা হয়।

মোক এৰি থৈ গৈ তোমাৰ অলপো বেয়া লগা নাছিলনে অভ্ৰ? লাগিছিল— বহুত বেয়া লাগিছিল। তেতিয়া মাথো মনত পেলাইছিলো তোমাক প্ৰথম লগ পোৱাৰ দিনটোৰ কথা। তোমাৰ ভালপোৱাক বুজিবলৈ, অনুভৱ কৰিবলৈ প্ৰথমে তোমাৰ চকুত চকু থ'ব লাগিব। তাৰ পিছত তোমাৰ স্পৰ্শ। সেই প্ৰথম দিনটোৰ আবেগ মোৰ বুকুত এতিয়াও কুৰুকি কুৰুকি সোমাই আছে মৌ। গতিকে—। হ'ব অভ্ৰ— মোক আৰু বুজাব নালাগে। কিঙ্কিনীক একাষৰীয়াকৈ শুৱাই মহুৱা অভ্ৰৰ নোৰ্মাল বুকুৰ মাজত সোমাই পৰে।

অভ্ৰ পুনৰ ব্যস্ত বিশ্ববিদ্যালয়ত। শাহুয়েক ব্যস্ত হস্পিটেলত। দুখনকৈ ডাঙৰ ফাৰ্মাচী তদাৰকত ব্যস্ত শহুৰেক। তেখেতো এটা সময়ত ইণ্ডিয়ান আৰ্মীৰ উচ্চ খাপৰ বিষয়া আছিল। ৰিটায়াৰমেণ্টৰ সময়ত জম্মুত থাকোতে অভ্ৰৰ মাকৰ পেছাৰ খাতিৰতে দিল্লীতে ঘৰ-দুৱাৰ কৰিলে। অৱশ্যে পিছলৈ অভ্ৰৰো চাকৰি জে এন ইউতে হোৱাত জীৱনবোৰ কোনো জটিলতা নোহোৱাকৈয়ে চলি গৈছিল। মহুৱায়ো বিয়াৰ পিছত দিল্লীলৈ আহি স্কুল এখনত সোমাই লৈছিল। কিন্তু এতিয়া শাহুয়েকৰ মতে, আগতে কিঙ্কিনীক যত্নেৰে ডাঙৰ কৰা। তাৰ পিছতো চাকৰি কৰিব পাৰিবা। গতিকে এতিয়া এজনী আয়াৰে সৈতে তাই কিঙ্কিনীৰ লগতে ঘৰখন চম্ভলাত ব্যস্ত। বেয়াও নালাগে।

আবেলি কলিং বেলৰ শব্দত তাই দুৱাৰখন খুলিবলৈ আগুৱাই গ'ল। অভ্ৰৰ এটাই আদেশ— ঘৰৰ পৰা ওলাই যাওঁতে আৰু ঘৰলৈ ঘুৰি আহোতে সি মহুৱাক দেখা পাবই লাগিব। সেয়েহে আবেলি অভ্ৰ ঘুৰি আহোতে দুৱাৰ খোলাৰ কামটো তায়ে কৰি আহিছে। সদায়ে অভ্ৰই তাইৰ কঁকালটো এহাতেৰে সাৱটি সোমাই আহে। সাধাৰণতেই তাৰ ব্যতিক্ৰম নহয়। আজি কিন্তু সোমায়ে— হাই মৌ, কিন্নী ক'ত বুলি ছ'ফাত বহি পৰিল।

কি হ'ল অভ্ৰ? তোমাৰ গা বেয়া নেকি? নহয়, নহয় মৌ। মই ঠিকেই আছো। মোৰ অলপ কাম বাকী আছে। তুমি কিন্নীৰ ওচৰলৈ যোৱা আৰু মোৰ বাবে একাপ ব্লেক কফি এতিয়াই দিবা দেই। এইবুলিয়ে অভ্ৰই লেপটপটো অন কৰিলেই। এইবাৰ মহুৱাই অভ্ৰৰ ব্যতিক্ৰমী কাম দেখি অবাক হোৱাৰ পাল। তথাপিতো তাই একোকে নকৈ আঁতৰি আহিল আৰু সি খোজা কফি কাপ পঠিয়াই দিলে।

মৌ, তোমাৰ লগত অলপ দৰ্কাৰী কথা আছে। সোনকালে বিছনালৈ আহাচোন। শোৱাৰ সময়ত নাইটি এটা পিন্ধি, মুখমণ্ডলত ক্ৰীম সানি অলপ মুখৰ পৰিচৰ্যা কৰাটো মহুৱাৰ বহুদিনৰ অভ্যাস। শাহুয়েকেও এইবোৰ বিষয়ত বৰ উৎসাহিত কৰে। ঘৰখনৰ পৰিচৰ্যাৰ লগে লগে নিজৰ শৰীৰটোলৈও চাবলৈ নাপাহৰিবা। এটা নিৰোগী ধুনীয়া শৰীৰ থাকিলেহে সফলকাম হোৱাত সহায় হয়। তেখেত নিজেও সৌন্দৰ্যৰ পূজাৰী, ঘৰখনতো সোমালেই এটা সৌন্দৰ্য সচেতনতাৰ আভাস পোৱা যায়।

কোৱা এইবাৰ, চিকাগোত গৈ নতুনকৈ কাৰোবাক ভাল লাগিল নেকি? মহুৱাৰ দুচকুত কৌতুকৰ জিল্‌মিলনি। ধ্যেৎ মৌ, সেইবোৰ কথাও তুমি ভাবিব পাৰানে? এটা সমস্যাৰ সন্মুখীন হৈছো। অৱশ্যে মই জানি-বুজিয়ে সমস্যাটোৰ ভিতৰত সোমাই পৰিলো।

কি হ'ল, কোৱাচোন সোনকালে। কম ৰ'বা। ইতিমধ্যে মই মাৰ লগতো ছিৰিয়াচলি কথাটো পাতিছো। মা আৰু মোৰ মতে এতিয়া সমগ্ৰ প্ৰক্ৰিয়াটো তোমাৰ ওপৰতে নিৰ্ভৰ কৰিছে। মায়ে তোমাক ক'ব।

মহুৱা আচৰিত হ'ল। লগতে ভয়ো খালে। কি হ'ল অভ্ৰ? কোৱানা? কম মৌ। কিন্তু কথাটো শুনাৰ লগে লগে



তুমি প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিবা। মানে কথাটো গভীৰভাৱে উপলব্ধি কৰিবলৈ যত্ন কৰিবা। তাৰ পিছতহে তোমাৰ ইতিবাচক অথবা নেতিবাচক সিদ্ধান্ত জনাবা।

ইমানকৈ ৰহস্য নকৰিবাচোন। মোৰ বৰ ভয় লাগিছে জানা। কোৱা আকৌ। বিছনাখনত ভালদৰে বহি ল'লে মহুৱাই। অভ্ৰই তাইৰ হাত এখন তাৰ হাতৰ মাজত লৈ ক'লে— মৌ, কেনেকৈ কম, কিদৰে ব্যাখ্যা কৰিম ভাবি পোৱা নাই। বৰ আনইজি ফিল কৰিছো।

ধ্যেৎ অভ্ৰ— তুমি কিন্তু বৰ টানি আছা দেই। মই কিন্তু এতিয়া শুই পৰিম।

মৌ, তুমিতো কৃশানুক ভালদৰে জানা। কৃশানু! তাৰ মানে সেই বেংকৰ— অ', সেই কৃশানুৱেই। এতিয়া ইয়াতে। মানে ফৰিদাবাদ ষ্টেট বেংকৰ ব্ৰাঞ্চ মেনেজাৰ। তাৰ মিছেছ শতাব্দীকতো তুমি দেখাই নাই। দুই-এদিনতে তোমাক লৈ যাম ৰ'বা। নাই, নালাগে। সিহঁত দুয়োকে সোনকালে এদিন মাতি পঠিয়াম।

মাতিবা আকৌ। এই সাধাৰণ কথাটোৰ বাবেই তুমি ইমান পাতনি মেলিছানে? মই যে অলপ ৰহস্যৰ গোন্ধ পাইছো অভ্ৰ। শতাব্দীজনী বাৰু মোতকৈ বেছি ধুনীয়া নেকি?

মৌ, ধেমালিবোৰ এৰাচোন। ছিৰিয়াছ বিষয় এটা পাতিবলৈ লৈছো। কৃশানুৰ সৈতে মোৰ বন্ধুত্বৰ আন্তৰিকতাৰ কথা তুমিতো বিয়াৰ আগৰে পৰাই জানা। কৃশানুৰ মাক সুমথিৰা মাহী আৰু আমাৰ মাৰ স্কুল, কলেজ, মেডিকেল কলেজৰ সময়ছোৱাৰ বন্ধুত্বৰ কথাও তুমি জানা বুলিয়ে মই তোমাক ক'বলৈ আগবাঢ়িছো। কৃশানু-শতাব্দীৰ বিয়া আমাৰ বিয়াতকৈ বহু আগতে হ'ল। হয়তো এতিয়া আঠ-ন বছৰ মানেই হ'ল। আঠ-ন বছৰতো ডাঙৰ কথা নহয়। ডাঙৰ কথাটো হ'ল— সিহঁতৰ কোনো সন্তান নাই আৰু ডাক্তৰৰ মতে শতাব্দীৰ গৰ্ভধাৰণত কিছু জটিলতা আছে।

তুমি কেনেকৈ জানিলা অভ্ৰ? তুমিতো মোক ইমানদিনে একোকে কোৱা নাছিলা?

তোমাক ক'বলৈ মই ইয়াত থাকিবও লাগিব আৰু কৃশানুৱেও মোক তাৰ সমস্যাৰ বিষয়ে খোলাখুলিকৈ ক'বই লাগিব। কিন্তু এতিয়া কথাবোৰ অলপ বেলেগ হৈছে। কৃশানুৱে মোক এতিয়া তাৰ সমস্যাৰ বিষয়ে মুক্ত মনেৰে খুলি কৈছে। সি বৰ ভাগি পৰিছে। তাতকৈও বেছিকৈ ভাগি পৰিছে শতাব্দী। ইতিমধ্যেই ডাক্তৰে সিহঁত দুয়োকো কৈছে যে শতাব্দীৰ সন্তান গৰ্ভধাৰণৰ যিবোৰ বৈজ্ঞানিক প্ৰক্ৰিয়া— সেইবোৰ বৰ দুৰ্বল। গতিকে আন এগৰাকীৰ পৰা যদি সবল পদাৰ্থসমূহ লৈ কৃশানুৰ পদাৰ্থৰে সংমিশ্ৰণ কৰি শতাব্দীৰ গৰ্ভত স্থাপন কৰা যায়, তেতিয়া হয়তো শতাব্দীয়ে গৰ্ভধাৰণত সফল হ'ব।

তেন্তে তাকে কৰক আকৌ কৃশানুহঁতে। হস্পিটেলবোৰততো তেনেবোৰ প্ৰক্ৰিয়া চলিয়ে থাকে। মহুৱাই অলপ চিন্তিতভাবেৰে ক'লে। কথাবোৰ শুনি তাইৰো দুখ লাগিছে।

সেইটোৱেইতো অসুবিধাত পেলাইছে কৃশানুক। কৃশানুৰ মাক, মাহীয়েও কথাবোৰ আগতে জানিছিল। কিন্তু নিজে ডাক্তৰ হৈয়ো গৰ্ভধাৰণৰ বাবে কোনো অচিনাকিৰ পৰা বৈজ্ঞানিক পদ্ধতিসমূহ প্ৰয়োগ কৰিবলৈ ইতস্ততঃ কৰিছিল। নাতিৰ আশা বুকুত লৈয়ে সুমথিৰা মাহীজনী বৰ সোনকালে গ'লগৈ। সেইদিনা মাৰ ওচৰতো কৃশানুৱে সকলো ভাঙিপাতি কৈ বৰ দুখ কৰিলে। শেষত মা আৰু মই বহুত ভাবি-চিন্তি তোমাৰ কথা ভাবিলো।

মোৰ কথা? তাৰ মানে তুমি কি ক'বলৈ ওলাইছা অভ্ৰ? মই যে একোকে বুজি পোৱা নাই। তুমি আৰু মায়েনো মোৰ কথা কি আলোচনা কৰিব লগা হ'ল?

মৌ, মোৰ সোণজনী, তুমি যদি অলপ ছেক্ৰিফাইছ কৰা তেন্তে কৃশানু-শতাব্দীৰ জীৱনলৈ অলপ শান্তি আহিব।

কৃশানু হৈছে ঘৰখনৰ একমাত্ৰ ল'ৰা। তাৰ বংশৰ ধাৰাটো ব্যাহত হোৱাটো কোনেও নিবিচাৰে। তোমাৰ সামান্য ত্যাগে কৃশানুৰ বংশ ৰক্ষা কৰিব মৌ আৰু আমাৰ এসময়ৰ অতি মৰমৰ সুমথিৰা মাহীৰ স্বৰ্গগতা আত্মায়ো অলপ হ'লেও শান্তি পাব। তোমাক মই প্ৰথমতেই কৈছিলো— কথাযাৰ শুনিয়ে তুমি তোমাৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিবা। তোমাক সময় দিম ভাবিবলৈ— সিদ্ধান্ত ল'বলৈ। তাৰ পিছতহে তুমি তোমাৰ সিদ্ধান্ত আমাক জনাবা। তাৰ বাবে তোমাক আমি জোৰ নকৰো।

চোৱা অভ্ৰ। তুমি মোক ভালদৰে নোকোৱাকৈয়ে মই অলপ বুজিব পাৰিছো। তাৰ মানে মই শতাব্দীক 'মা' হ'বলৈ সহায় কৰিব লাগে। মোৰ শৰীৰৰ অংশ কৃশানুৰ শৰীৰৰ অংশৰ লগত সংযোগ ঘটাই শতাব্দীৰ গৰ্ভত স্থাপন কৰিব। ফলত শতাব্দীয়ে গৰ্ভধাৰণ কৰিব। হয় নে নহয় অভ্ৰ? কিন্তু মই যেনিবা সন্মত হ'লোৱেই, তুমি বাৰু কথাবোৰ আন্তৰিকতাৰে মানি ল'বানে? শতাব্দীয়ে মাতৃত্ব বহন কৰিবহে— কিন্তু মোৰ শৰীৰৰ তেজো জানো তাত নাথাকিব?

মই সকলো বৰ গভীৰভাৱে ভাবি চাইছো মৌ। মায়েও বহুত ভাবিছে। কিন্তু কৃশানু-শতাব্দীৰ কথাটোও অলপ ভাবাচোন। কথাটো অলপ অন্যায় বুলি জানিও সি মোক বন্ধুত্বৰ দাবীৰে অনুৰোধ কৰিছে। শেষত মায়েও ডাক্তৰ হিচাবে মত দিছে। সকলোৰে আশা— তাৰ ঘৰখন, বংশ ৰক্ষা পৰক। অনাথ আশ্ৰমৰ পৰাও সিহঁতে সন্তান তুলি নলয় আৰু কোনো অচিনাকিৰ পৰাও সি সেই বৈজ্ঞানিক পদ্ধতিসমূহ প্ৰয়োগ নকৰে। যিহেতু অচিনাকিৰ পৰা ল'লে হয়তো সন্তানৰ বিৰূপ প্ৰতিক্ৰিয়া হোৱাৰ সম্ভাৱনাই অধিক। আমাৰ চাৰিওটাৰ বাবে এতিয়া তোমাৰ বাহিৰে আন কোনো গত্যন্তৰ নাই। শতাব্দীয়ে তোমাক ক'বলৈ সংকোচ কৰিছে। কৃশানুৰতো কথাই নাই। তোমাৰ কথা— মাৰ কথা শুনি তাৰ চকুত আশাৰ জিলিঙনি দেখা পাইছো মৌ। গতিকে তুমি ভাবা— এবাৰ নহয়, দুবাৰ নহয়— বহুবাৰ ভাবা। শেষতহে তোমাৰ সিদ্ধান্ত জনাবা। এইটো তোমাৰ একান্ত নিজা সিদ্ধান্ত।

একেৰাহে বহু কথা কৈ অভ্ৰৰ সম্ভৱ ভাগৰ লাগিছিল। সেয়ে সি এতিয়া শোৱা দেই মৌ— গুডনাইট বুলি লাইটটো অফ্ কৰি শুই থাকিল। মহুৱায়ো বৰ মৰমেৰে কিঙ্কিনীক সাৱটি ধৰিলে। অৱশ্যে তাইৰ চকুলৈ টোপনি নাহিল।

কোনো প্ৰশ্ন নকৰাকৈয়ে মহুৱাই তাইৰ সন্মতিৰ কথা শাহুয়েক ডাঃ নিৰ্মালি বৰুৱাক জনালে। যিহেতু ডাক্তৰ হিচাবে সকলো বিষয়তে তাইৰ লগত শাহুয়েকেই থাকিব লাগিব। নিৰ্মালি বৰুৱাই তাইক সাৱটি ধৰিলে। ক'লে— মহুৱা, তুমি মান্তি হ'বা বুলি মোৰ বিশ্বাস আছিল। সুমথিৰা, কৃশানু, শতাব্দীক এইখিনি সহায় কৰিলে যদি তেওঁলোকৰ জীৱনটোলৈ স্থিৰতা আহে— তেন্তে সহায় নকৰো কিয়? তুমি নিজে কোনো দ্বিধা-সংশয় নাৰাখিবা। অভ্ৰৰো আন্তৰিক সমৰ্থন আছে।

মহুৱাই একোকে কোৱা নাছিল। মাথো তাই ভাবিলে— তাইৰ ওপৰত অভ্ৰৰ সম্পূৰ্ণ বিশ্বাস আছে বাবেই সি মত দিছে— তাইকো অনুৰোধ কৰিছে। তেতিয়াহ'লে তাই চিন্তা কৰিবলগীয়া কি আছে?

সময়ত সকলোবোৰ সুকলমে হৈ গ'ল। শতাব্দীয়ে সময়ত গৰ্ভধাৰণ কৰিলে। তাইক সম্পূৰ্ণৰূপে বিশ্ৰামত ৰখা হ'ল। ডাক্তৰৰ পৰ্যবেক্ষণ চলি থাকিল তাইৰ শৰীৰৰ ওপৰত। নিৰ্মালি বৰুৱাৰ দৃষ্টি অতিকৈ তীক্ষ্ণ। যিহেতু গোটেই প্ৰক্ৰিয়াটো তেঁৱেই ঘটাইছে। সফল হোৱা-নোহোৱা বিষয়টোত তেওঁ অলপ সন্দিহান হৈছিল। শেষত সম্ভৱ হ'ল। সময় মতেই শতাব্দীয়ে এটা ল'ৰা জন্ম দিলে। সেইদিনা কৃশানু-শতাব্দীৰ আনন্দ চাবলগীয়া হৈছিল। অভ্ৰক সাৱটি কৃশানুৱে কান্দি পেলাইছিল। ডাঃ নিৰ্মালি বৰুৱাৰ মুখতো

আহ্বান



সাফল্যৰ হাঁহি। শতাব্দীয়ে দুৰ্বল শৰীৰেৰে মহুৱাৰ হাতখন জোৰেৰে ধৰি আছিল। হয়তো তাই তেনেকৈয়ে অফুৰন্ত কৃতজ্ঞতা প্ৰকাশ কৰিছিল মহুৱাৰ প্ৰতি। আৰু মৌ— মহুৱা? কোনেওতো নাজানিছিল সন্তানটো দেখাৰ পিছত তাইৰ অন্তৰজুৰি হোৱা ভূমিকম্পৰ কথা।

ইয়াৰ নাম মই 'জোনাক' ৰাখিলো দেই কৃশানুদা। মহুৱাৰ কোচত থকা সন্তানটোলৈ চাই কৃশানুৱে ক'ব নোৱাৰি জোৰেৰে উচুপি উঠিল।

মহুৱা, তোমাক ধন্যবাদ দি তোমাক সৰু কৰিব নোখোজো। তুমি, অভ্ৰ, নিৰ্মালি মাহী বহু ওপৰত। আনন্দৰ বন্যাত সি কথা ক'ব নোৱাৰা হৈছিল।

দিনবোৰ বাগৰি মাহৰ পিছত বছৰত পৰিছিলগৈ। মহুৱা শতাব্দীৰ ওচৰলৈ খুব কমেইহে যায়। তাই ঘৰত থাকোতেও জোনাকে তাইক সকলো সময়তে আৱৰি ৰাখে। আগতে উপলব্ধি কৰিব পৰা নাছিল এনেকুৱা অনুভৱ হ'ব বুলি। কিন্তু এতিয়া প্ৰতিটো পল, প্ৰতিটো ক্ষণতে জোনাকলৈ মনত পৰি থাকে। কিঙ্কিনী ওচৰত থাকিলেও তাইৰ মনে জোনাকক বিচাৰে। কিন্তু ভুলতো তাই সেই দুৰ্বলতা অভ্ৰৰ আগত প্ৰকাশ নকৰে। বৰ সাৱলীলভাৱে— বৰ আলফুলকৈ তাই জোনাকক মনৰ ভিতৰতে কঢ়িয়াই লৈ ফুৰে। তাই বুজি পায়— তাইৰ এনে কিয় হৈছে! জোনাকতো তাইৰ শৰীৰৰে এটা অংশ। তাই জোনাকক পাহৰে কেনেকৈ?

তেতিয়া বহুত ৰাতি। সকলো শুই পৰিছিল। গাৰুৰ কাষত মোবাইল থোৱাটো তাইৰ এটা অভ্যাস। মোবাইলত কেইবাবাৰো ৰিংটনটো বাজি উঠিল। তাইৰ নম্বৰটো চকুত পৰিছে। সেইটো কৃশানুৰ ফোনকল। তাই লাহেকৈ বিছনাৰ পৰা মোবাইলটো লৈ উঠি আহিল। তাই কাষৰ ৰুমটোলৈ গ'ল। শেষত তাই ফোনটো ৰিছিভ কৰিলে— কওক কৃশানুদা।

তুমি বহুত দিন আমাৰ ঘৰলৈ অহা নাই মহুৱা। তোমাৰ ল'ৰাক চাবৰ মন নাযায়। ল'ৰাৰ দেউতাকক চাবৰ মন নাযায়? তাই লাহেকৈ ক'লে— আপুনি আৰু কেতিয়াও মোলৈ ফোন নকৰিব। ৰাতি ৰাতি কৰে বাবেই মই আজিকালি প্ৰায়ে মোবাইল অফ্ কৰি থওঁ।

আৰু শুনক, জোনাক আপোনাৰ, জোনাক শতাব্দীৰ। জোনাক আপোনালোকৰ। মোৰ অনুভৱৰ পৰা তাক নিলগাই ৰাখিছো। সেয়েহে আজিকালি কমকৈ যাওঁ।

কিন্তু মহুৱা, মোৰ যে সততে ল'ৰাৰ মাকলৈ মনত পৰি থাকে, মই কি কৰো? অথচ কাৰো মনত দুখ দিব নোখোজো। কৃশানুৰ আবেগ ভৰা কথাবোৰে তাইৰ মন মন্দিৰৰ হাজাৰটা ঘণ্টা ধ্বনিয়ে সজোৰে খুন্দিয়াইছিল। কিন্তু তাই সংযত হ'ল।

কৃশানুদা, এটা অনুৰোধ অথবা আদেশ বুলিও ভাবিব পাৰে— কৰোনে?

কৰা মেই, মৌ তোমাৰ অনুৰোধ ৰাখিম।

মৌ নহয়— মহুৱা। মৌ বোলাৰ অধিকাৰ কেৱল অভ্ৰহে আছে। শুনক, আপোনাৰ চাকৰিটো নিশ্চয় ট্ৰেন্সফাৰেবোল। গতিকে জোনাক আৰু শতাব্দীক লৈ আমাৰ পৰা বহু দূৰলৈ গুচি যাওক। আপোনাৰ অনুভৱৰ গাঢ়তা মোৰ বাহিৰে কোনে বুজিব। মোকো অনবৰত সেই অনুভৱে খুন্দিয়াই থাকে। কিন্তু সেয়া মই বহিঃপ্ৰকাশ ঘটিবলৈ নিদিওঁ। তাতেই সকলোৰে মঙ্গল।

তাই মোবাইল অফ্ কৰিলে। বিছনালৈ ঘূৰি আহিল। কাষৰ সৰু বিছনাখনৰ পৰা কিঙ্কিনীক আলফুলকৈ দাঙি আনি তাই আৰু অভ্ৰৰ মাজত শুৱাই দিলে। বহুত দিনৰ পিছত তাই পূৰ্ণিমাৰ জোনাকৰ স্নিগ্ধতা উপলব্ধি কৰিলে। এনেতে মোবাইলটো পুনৰ বাজিল। নম্বৰটো লক্ষ্য কৰি তাই ৰিছিভ কৰিলে—

ছৰি, ৰং নাম্বাৰ।◆

মোৰ অনুভৱত ব'হাগৰ মিঠা সুবাস

✍ অৰুনিমা কাকতি

পুৱাতেই মাজুদাদাৰ ফোন কলটো পালো। বছৰেকীয়া ছুটীত এইবাৰ সিহঁত বিদেশ ভ্ৰমণলৈ যাব। দাদাৰ ল'ৰা-ছোৱালী দুটা যিহেতু বিদেশত শিক্ষা গ্ৰহণ কৰি আছে সেই সুবিধাতে ওচৰ-পাজৰৰ আন দুখনমান বিদেশী ৰাষ্ট্ৰও ভ্ৰমণ কৰিব। দাদা উজনি অসমৰ বিখ্যাত চাহবাগান এখনৰ মেনেজাৰ। যোৱাৰ আগতে বাগানলৈ মোক মাতি পঠিয়াইছে মই হেনো সিহঁতৰ অনুপস্থিতিৰ সময়খিনিত বাগানতে থাকিব লাগিব। কাৰণ মাজতে এবাৰ ফোন কৰোতে সি গম পাইছিল বিশ্ববিদ্যালয় বন্ধ থকা বাবে মই ঘৰতে আমনিদায়ক সময় অতিবাহিত কৰিছো বুলি। মোৰ ল'ৰা দুটাও সেই সময়ত ছুটীত আহি ঘৰতে আছেহি। ওখ ওখ অট্টালিকাৰে ভৰা মৰুভূমি সদৃশ গুৱাহাটী চহৰখনতকৈ গছ-গছনিৰে ভৰা নিমাওমাও চাহবাগানৰ পৰিবেশটো সিহঁতে বৰ ভাল পায়। তাতে বাগানৰ বাংলাৰ সা-সুবিধাবোৰৰ কথাটো আৰু ক'বই নেলাগে— একেবাৰে যেন স্বৰ্গসুখ। কাথাষাৰ ল'ৰা দুটাৰ কাণ চোৱালত সিহঁতো জাঁপ মাৰি উঠিল। টালি-টোপোলা বান্ধি দাদাহঁত যোৱাৰ দুদিন আগতে আমি গৈ বাগান পালোগৈ। নবৌৱে ঘৰখনৰ প্ৰায়বোৰ কথা বুজাবলৈ ধৰিলে। "বাগানৰ বাংলাত গৰু পুহিবলৈ নিদিয়ে বাবে ওচৰৰ গাঁওখনত বাস কৰা লাহৰীৰ পৰিয়ালটোক তিনিজনী গাই কিনি দিছো। লাহৰীৰ দেউতাকে সদায় আহি পাঁচ লিটাৰকৈ গাখীৰ দিব। সিহঁত দুটাৰে সৈতে নোখোৱাকৈ নেথাকিবা। লাহৰীক একো বুজাব নেলাগে। তাই আমাৰ বৰ বিশ্বাসী, ঘৰধৰা লিগিৰী। এৱা, দৈ, চানা যি খোৱা তাইক ক'লেই হ'ল, তাই সকলো তৈয়াৰ কৰি দিব। মই তাইক সকলো শিকাই-বুজাই এক্সপাৰ্ট কৰি তুলিছো। বাৰীখন শাক-পাচলিৰে ভৰি আছে। খাবলৈ যি মন যায় মালীক ক'বা, সি চিঙি তুলি আনি দিব। বজাৰ-সমাৰ বা ফুৰিবলৈ মন গ'ল ড্ৰাইভাৰক ক'বা দিনৰ পোহৰতে ঘূৰি-পকি আহিবা, সিহঁত দুটায়ো ভাল পাব।"

যথা সময়ত দাদাহঁত গ'লগৈ। প্ৰথমদিনা অকণমান ৰিঙাৰিঙা লাগিছিল যদিও দিনত পাত কঢ়িওৱা গাড়ীৰ ঘৰ্ ঘৰ্ শব্দ আৰু ৰাতি সেউজবুলীয়া চাহগছৰ মাজত জ্বলি থকা উজ্জ্বল পোহৰৰ বিজুলী বাতিবোৰে মনটোত উৎসাহ আৰু সাহস গোটাই দিছিল। পুৱাই উঠি চাহ গছৰ গাঢ় সেউজীয়া ৰংটো দেখিলে কলিজাখন শাঁত পৰি গৈছিল। চাহ গছৰ মাজে মাজে ৰুই দিয়া গছবোৰৰ শান্ত-সৌম্য অৱস্থানে আৰু তাত বাহ লোৱা পখীবোৰৰ অজান কিৰিলিবোৰে এক মনোমোহা পৰিবেশৰ সৃষ্টি কৰিছিল। গুৱাহাটী নামৰ উদণ্ড চহৰখনৰ গা-মন দেই-পুৰি যোৱা জলবায়ুখিনিৰ পৰা দুদিনমানৰ কাৰণে হ'লেও পৰিত্ৰাণ পাবলৈ পাই বাগানত মনটো ভালদৰেই বহি গৈছিল। মাজে মাজে দাদা-নবৌৱে ফোন কৰি খা-খবৰ লৈ থাকিল। বাগানৰ পৰা আৰু নেযাওঁ বুলি সিহঁতৰ লগত ৰগৰ কৰি থাকিবলৈ ধৰিলো।

আহ্বান



বাংলাটোৰ আগফালখন বৰ আহল-বহল নেটেৰে আৱৰা। উত্তম ড্ৰয়িং ৰুম এটাৰ দৰে নবৌৱে সুন্দৰকৈ সজাই-পৰাই তুলিছে। চুকে-কোণে চাহগছৰ শুকান মুঢ়াৰে সজা বিভিন্ন সামগ্ৰীত নবৌৰ শিল্পীসুলভ মনটোৰ পৰশ বিদ্যমান। তাত বহি ল'লে বাগানখনৰ বহু দূৰলৈকে নিৰীক্ষণ কৰিব পাৰি। একান্তমনে পাত তোলা মাইকীবোৰৰ হাতৰ খৰতকীয়া ব্যস্ততাবোৰে মনটোক প্ৰায়ে জোঁকাৰি গৈছিল। যিহওঁক প্ৰতিদিনৰ শীতল আবেলিটোত লাহৰী মোৰ বাবে হৈ উঠিল একান্ত বিশ্বাসী লগৰী। বিভিন্ন কথাৰ মহলা মাৰি আমি দুয়ো এনেকৈ একাত্ম হৈ পৰিলো যে অকণমান সময় চকুৰ আঁতৰ হ'লেই ইজনীয়ে সিজনীক বিচাৰি চলাথ কৰি ফুৰা হ'লো।

চাওঁতে চাওঁতে এসপ্তাহ পাৰ হৈ গ'ল। এদিন দুপৰীয়া শোৱাৰ পৰা উঠি লাহৰীয়ে-ময়ে গেটৰ মুখলৈ ওলাই গ'লো। ল'ৰা দুটা টিভি, কিতাপ, লেপ্‌টপ্ লৈয়ে ব্যস্ত হৈ থাকে। গেটৰ মুখৰ পৰা বাগানৰ কাষতে থকা গাওঁখন চকুত পৰিল। গেটখন খুলি দুয়ো চাহগছৰ মাজৰ ৰাস্তাটোৰে আগুৱাই গ'লো। শিমলু, মদাৰ আৰু পলাশৰ সংমিশ্ৰণটোৱে গাঁওখনক যেন সপোন পুৰী কৰি ৰাখিছে। ৰিণিৰিণি মাদলৰ মিঠা শব্দ এটা ভাঁহি অহা শুনিলো। লাহৰীক ক'লো— "গাঁৱত ক'ৰবাত বিয়া হৈছে হ'বলা, ইমান সুন্দৰকৈ মাদল বাজিছে।" লাহৰীয়ে তপৰাই ক'লে— "নহয় পেহী, সেয়া বসন্তক আদৰাৰ প্ৰস্তুতি। ৰঙালী বিহু পালেহিয়েই নহয়।" ঠিকেই বসন্ত সমাগত। গছে-বনে, ফুলে-পাতে, গাঁৱে-ভূঞে, নগৰে-চহৰে, ধনী-দুখীয়া সকলোৰে প্ৰাণত এতিয়া বসন্তৰ উখল-মাখল প্ৰস্তুতি। লাহৰীয়ে কোৱাৰ দৰে ওচৰৰে গছ এজোপাত পৰি কুউ-কুউকৈ মাতি কুলি চৰাইজনীয়েও মোক সোঁৱৰাই দিলে বিহু পালেহি বুলি।

কিছু সময়ৰ পিছত দুয়ো ঘূৰি আহি বাৰান্দাখনত বহি পৰিলো। মাদলৰ শব্দটো বুকুৰ মাজত বাজিয়ে থাকিল। লাহৰীক লাহেকৈ সুধিলো— "তই পিছে বুধুৱাৰ গলত ধৰি মাদলৰ চেৱেঁ চেৱেঁ ঝুমুৰ নাচনে নেনাচ।" লাজসনা মিচিকি হাঁহি এটা তাইৰ পাতল ওঁঠ দুখনৰ মাজেদি সৰকি গ'ল। চকু দুটা উজ্জ্বল হৈ উঠিল। বিহুৰ উন্মাদ চেতনাই তাইৰ কলিজাখন যেন কঁপাই তুলিলে। শৰীৰৰ শিৰাই শিৰাই এচেৰেঙা উত্তপ্ত বাসনাই তাইক যেন আকুল কৰি তুলিলে। "ইমান মৰমৰ বিহুটোত এপাক ননচাকৈ কোনোবা থাকিব পাৰে জানো। মোৰ বাবা অসমীয়া, মা চাহ বাগানীয়া। মই গাঁৱৰ স্কুলত নাইন ক্লাছলৈকে পঢ়িছিলো। বাবা-মাই মোক পাত তুলিবলৈ যাবলৈ নিদিয়ে। স্কুল এৰাৰ পিছত গাঁৱৰে ল'ৰা এটাৰ লগত মোৰ বিয়া হ'ল। কিছুদিনৰ পিছত মোৰ ল'ৰা এটা জন্ম হ'ল আৰু মই এতিয়া শাহু আৰু আইতা।" ধেমালি কৰি মই তাইক সুধিলো— "দৰা তই নিজে বাচিলিনে বাবাৰ-মাৰে?" তাইৰ গাল দুখন ৰঙা পৰি গ'ল। "আমাৰ লাভ মেৰেজ। এল্ পি স্কুলৰ পৰা আমি দুয়োটা বৰ বন্ধু আছিলো। আমাৰ মিল দেখি চবেই ইমান জোকায়। জোকাওঁতে জোকাওঁতে আমি দুয়োটা লাভতে পৰি গ'লো আৰু। শেষলৈ দুয়োটাৰে বৰ লাজ লগা হ'ল। ইফালে নেদেখিলেও থাকিব নোৱাৰো। লাহে লাহে বাবা-মাৰ কাণতো পৰিল। বৰ কাঢ়া শাসনত থাকিব লগা হ'ল। সঘনে লগ পোৱাটো আমাৰ বাবে কঠিন হৈ পৰিল। এতিয়াৰ ল'ৰা-ছোৱালীবোৰ যিমান নিৰ্লজ্জ আমাৰ দিনত তেনে নাছিল। আমাৰ দিনৰ ভালপোৱাবোৰ বৰ পবিত্ৰ আছিল। বিয়াৰ আগতে চকুৰ মিলনৰ বাদে শাৰীৰিক মিলন আমাৰ বাবে বৰ ঘৃণনীয় আছিল। এদিন কি হ'ল জানে পেহী। মা-বাবা নথকাৰ সুযোগ লৈ সি আমাৰ ঘৰলৈ আহিছিল। মই দেখিছিলো তাৰ দুচকুত, তাৰ মনটোত, তাৰ উশাহ-নিশাহত প্ৰকট হৈ উঠিছিল এটা উন্মাদ পশুৰ অবাঞ্চিত আচৰণ। সি মোৰ হাতত ধৰি তাৰ গাৰ কাষলৈ টানি আনিব খুজিছিল। কথা বিষম দেখি মই শান্তভাৱে তাক ক'লো— "এতিয়াই যদি চব শেষ কৰি পেলাৱ, বিয়াৰ পিছতনো ন-কৈ কি আমেজটো পাবি? সি মোৰ হাতখন তৎক্ষণাত এৰি দিলে। সি অলপ

ঘামিছিল। চাদৰৰ আঁচলেৰে তাৰ কঁপালৰ তপত ঘাম দুটোপাল মচি দি আগলৈ তেনে নকৰিবলৈ তাক মানা কৰি দিছিলো। এটা অমায়িক শিশুৰ দৰে দুৱাৰখন ততাতৈয়াকৈ খুলি ধুমুহাৰ গতিৰে সি ওলাই গুচি গ'ল। দুদিনমানলৈ সি মোক দেখায়ে দিয়া নাছিল। মনে মনে ভয়ো হৈছিল জানোচা সি মোক এৰি দিয়ে। পিছে নহয়, লাজতহে মোৰ পৰা সি পলাই পলাই ফুৰিছিল। সি বৰ ভাল ল'ৰা পেহী। মই ডাঙৰ হোৱাৰ পৰা বাবা-মাই মোক এক নিৰাপদ পৰিবেশত ৰাখিব খোজা হ'ল। পূজা-বিহু আহিলে বাবা-মাই মোক অকলে যাবলৈ নিদি লগত লৈ গৈছিল। গতিকে আমি দুয়োটাই ইটোৱে-সিটোক লগ পোৱাৰ কোনো সুবিধাই নোপোৱা হ'লো। কিন্তু অন্তৰৰ ভালপোৱা যদি পবিত্ৰ হয়, তেনে সেই ভালপোৱাই এদিন ৰাস্তা বিচাৰি পাবই। ছেগ বুজি এদিন তাক ক'লো— "উৎসৱবোৰ আহিলে তই মোৰ পৰা আঁতৰি নেথাকিবি। বাবা-মাই নেদেখাকৈ অলপ দূৰৈত বৈ তই মোক দেখা দি থাকিবি। তোক দেখা নেপালে মোৰ মনটো টুকুৰা-টুকুৰ হৈ ভাগি যোৱা যেন লাগে।" অৱশ্যে তেনেকৈ আৰু বেছিদিন থাকিব লগা নহ'ল। আইতাই এদিন ওচৰলৈ মাতি আনি ক'লে— "ৰঙা আচুৰ গামোচা সোনকালে ব। তই ভাবিছ আমি একো গম নেপাওঁ। তোক তোৰ ভাল লগা দৰাটোলৈকে বিয়া দিম সোনকালে।" আৰু এদিন তেনেকৈয়ে আমাৰ বিয়া হৈ গ'ল।

"পেহী! এজন পুৰুষক সঠিক ৰাস্তাৰে নিয়াৰ সমস্ত চাবিকাঠি নাৰীৰ হাতত আছে। নাৰী যদি পথভ্ৰষ্ট হয় পুৰুষবোৰ হিংস্ৰ হৈ নুঠিব কিয়? আচলতে নাৰীবোৰহে বেয়া।" কথাষাৰ কৈ লাহৰীয়ে মুখটো ঘূৰাই ইফালে-সিফালে চালে। মই সুধিলো— "কি হ'ল?" চাইছো টিভিৰ মানুহবোৰ আৰু নাৰী মুক্তিৰ সজাগতা অনা মানুহবোৰ আছে নেকি, নহ'লে আক' নাৰীক বেয়া বুলি কোৱা বাবে মোৰ ওপৰত কেছ হ'ব নহয়।" কথাষাৰ কৈ তাই খিল্‌খিলাই হাঁহিলে। মই ক'লো— "তইচোন বহু কথাই জান।" "বাইদেউ আৰু টিভিৰ পৰা শিকিছো। সেই কাৰণেই ভাল মানুহৰ সঙ্গ ল'ব লাগে। তেতিয়া ভাল ভাল কথাবোৰ শিকিব পাৰি। আমাৰ আইতাহঁতে স্কুলত পঢ়া নাই যদিও বৰ ভাল ভাল কথা কয়। বিহু আহিলে প্ৰতিটো বিহুকে বৰ মৰম-ভক্তিৰে আদৰিবলৈ আইতাই শিকাইছিল। আইতাৰ মতে— অসমীয়াৰ উৎসৱ কেইটাই যদি নেপাতো অসমীয়া বুলিনো কিহত চিনাকি দিম। ৰঙালী বিহু আহিলে লাগিলে পাঁচখনেই হওঁক ৰঙা আঁচুৰ গামোচা বৱই লাগিব। এয়া আইতাৰ কাঢ়া নিৰ্দেশ। আইতাই কয়— "জুইৰ পৰা নমায়ে খোৱা আঞ্জা-ভাজিৰ যিটো সোৱাদ, ঠিক তেনেকৈ বিহুৰ আগে আগে বোৱা গামোচাখনৰো মূল্য বহুত ওপৰত। এবছৰৰ আগতে বৈ বাচকৰ তলত নেফ্‌টেলিন দি সাঁচি থোৱা গামোচাখনৰ একো আন্তৰিকতা নাই। তাৰ গোন্ধটোও ভেকেটা গোন্ধহে।" আইতাই মোক চিৰা-পিঠাকে আদি কৰি অসমীয়া সকলো খাদ্য ৰান্ধিবলৈ শিকাইছিল। আইতাই কয়— "ৰজাঘৰৰ জীয়ৰীও খৰিভাৰিত পৰে, খৰিভাৰিৰ জীয়ৰীও ৰজাঘৰত পৰে। সেয়ে এঘৰলৈ যোৱাৰ আগতে বাপেৰৰ ঘৰতে সকলোবোৰ শিকি ল'। তইবা আক' কাৰ ঘৰৰ ভাত খাবলৈ পাৱ।"

লাহৰীৰ কথাখিনিয়ে মনটো জোকাৰি গ'ল। এবাতি সু-স্বাদু আহাৰ যিদৰে তৃপ্তিদায়ক হয়, তেনেকৈ কাৰোবাৰ মাৰ্জিত কথা আৰু কথনভঙ্গীয়ে সকলো শ্ৰোতাৰে হৃদয় পৰশি প্ৰেৰণাৰ উচ্চ স্থানলৈ গতি কৰে।

লাহে লাহে আন্ধাৰ নামি আহিল। কল্পনা ৰাজ্যত মই উটি-ভাঁহি থাকোতেই লাহৰী মোৰ কাষৰ পৰা কেতিয়া উঠি গ'ল গমকে নেপালো। আদা দিয়া গাখীৰৰ চাহ কাপ হাতত লৈ লাহৰীয়ে মাত দিলতহে মই সম্বিৎ ঘূৰাই পালো। চাহ কাপ খাই লাহে লাহে ভিতৰলৈ গৈ টেবুলখনৰ কাষৰ চকীখনত বহি পৰিলো। আইতাহঁতৰ সেই সু-শিক্ষাবোৰ দিস্তা ভৰাই যেন লিখি পেলাম। লাহৰী ইতিমধ্যে নিজৰ কামত ব্যস্ত হৈ পৰিছে। ল'ৰা দুটাক সুধি-পুচি সিহঁতৰ ভাল লগা কিবা খাদ্য ৰান্ধিবলৈ চাগে যো-জা কৰিছে। সিহঁত দুটা নিজক

আহ্বান

লৈয়ে ব্যস্ত হৈ আছে। লাহৰীৰ কথাবোৰে বাৰে বাৰে মগজুত খুন্দিয়াবলৈ ধৰিলে। তাইৰ আইতাক নিৰক্ষৰ হ'লেও মোৰ আইতাৰ কথা আৰু চিন্তাৰ লগত যেন সম্পূৰ্ণ মিল আছে। আইতাই আমাকো মাৰ্জিত ৰুচিবোধৰ কথা শিকাইছিল। নাৰীয়ে নিজৰ সুৰক্ষা নিখুঁতভাৱে কেনেকৈ ৰাখিব পাৰে তাক শিকাইছিল, নাৰী যে একোখন ঘৰৰ, একোটা বংশৰ, এখন সমাজৰ, এখন দেশৰ লাইখুঁটা স্বৰূপ তাক নানান যুক্তিৰে বুজাবলৈ চেষ্টা কৰিছিল। হয়তো শিক্ষাবৃত্তিৰ প্ৰতি ধাউতিটোৱে তেতিয়াই মোৰ মগজুত বাৰুকৈ শিপাইছিল। এনে পবিত্ৰ বৃত্তি এটাৰ লগত জড়িত হৈয়ো মই যেন একো কৰিব পৰা নাই। মনটো মোৰ বিদ্ৰোহী হৈ উঠিল। এচাম নাৰীয়ে নাৰী মুক্তিৰ বাবে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি সংগ্ৰামত নামি পৰিছে আৰু এচামে নাৰী স্বাধীনতাৰ সুযোগ লৈ বিপথগামী হৈছে। তাকেই যদি আঙুলিয়াই দিবলৈ যোৱা যায় তেনেহ'লে নাৰী মুক্তিৰ বাবে আগভাগ লোৱা আন এচাম সুবিধাবাদী নাৰীয়ে নিজৰ জনপ্ৰিয়তা বৃদ্ধি কৰিবলৈ গৈ নাৰীৰ বিপক্ষে যোৱা বুলি হৈ-চৈ লগাই দিয়ে। বিচাৰ সদায় নিৰপেক্ষ হ'ব লাগে। তেনে এটি নিৰ্ভুল দিশে গতি কৰিলেহে সকলো উপকৃত হ'ব। আমি কেৱল পুৰুষৰ বিপক্ষে মাত মাতি থাকিলেই নহ'ব। সমাজ নষ্ট কৰা বিপথগামী এনে নাৰীৰ বিপক্ষে থিয় দিয়াৰ এতিয়া সঠিক সময় আহি পৰিছে। মোৰ বান্ধৱী তিলোত্তমাৰ এষাৰ কথাই বুকুখনত বাৰে বাৰে হেঁচা দিবলৈ ধৰিলে। তাই এদিন কৈছিল— "নাৰী জাতিৰ কিছু অংশ আৰু নৱ প্ৰজন্মৰ গৰিষ্ঠ সংখ্যক একেবাৰেই ধ্বংস হ'ল বুইছ মৌপ্ৰিয়া। এয়া মোৰ নিখুঁত চাক্ষুস প্ৰমাণৰ পৰাহে তোক কৈছো।" তাই আৰু কৈছিল তাইৰ ভাড়া ঘৰত দেখা অনাকাঙ্খিত কিছুমান ঘটনাৰ কথা। কেনেকৈ নিজৰ স্বামী, ল'ৰা-ছোৱালী থকা স্বত্বেও একোজনী মহিলা আহি লুকাই-চুৰকৈ তাইৰ ভাড়াঘৰৰ পৰপুৰুষৰ লগত সময় অতিবাহিত কৰি সন্ধিয়াৰ আগে আগে ঘৰলৈ উভতি গৈছিল। স্কুল-কলেজত পঢ়ি থকা ফুলকুমলীয়া ল'ৰাকেইটাই নিজৰ ৰুমলৈ ছোৱালী আনি তিনি-চাৰিদিন ৰাখিছিল নিজৰ বাই-ভনী বুলি চিনাকি দি। এনেবোৰ ঘটনা দৃষ্টিগোচৰ হোৱাত তাই কেনেকুৱা পদক্ষেপ ল'বলৈ বাধ্য হৈছিল। আইতাৰ কথালৈ মোৰ আকৌ মনত পৰিল। আইতাৰ দিনৰ যি মাৰ্জিত ৰুচিবোধ পুৰুষ জাতিৰ মনত আজিও সেইবোৰ হাড়ে-হিমজুৱে সোমাই আছে নেকি বাৰু? আমি তেওঁলোকৰ অন্তৰ্দৃষ্টিক অৱহেলা কৰিছো নেকি বাৰু? নাৰীৰ বিশৃঙ্খলতাক হজম কৰিব নোৱাৰি সিহঁত হিংস্ৰ হৈ উঠিছে নেকি বাৰু? আইতাৰ দিন আৰু এতিয়াৰ দিনৰ আকাশ-পাতাল প্ৰভেদ হ'ল সঁচা কথা, কিন্তু সেই বুলিয়েই সু-সংস্কৃতিক আঁতৰাই কু-সংস্কৃতিক আদৰি ল'বলৈ ক'তো লিখা নাই। পশুতুল্য নৰাধম কিছুমান কামুক পুৰুষৰ বাবে সমস্ত পুৰুষ জাতিটোক দোষনীয়ও কৰিব নোৱাৰো। যি শ্ৰেণীৰ পুৰুষৰ অন্তৰ্দৃষ্টি নিভাঁজ, সু-কোমল তেওঁলোকে হয়তো সকলো নাৰীকে পোন বাটে যোৱাটোহে বিচাৰে। তাৰে অন্যথা হ'লে গুজৰি গুমৰি তেওঁলোক অন্যফালে গতি কৰে। সমাজৰ যি অৱক্ষয় তাক আঙুলিয়াই দিবলৈ মই বদ্ধ পৰিকৰ।

লাহে লাহে ৰাতিটো গহীন হৈ আহিল। এনে গহীনতাৰ সুযোগ বুজি কেতেকীজনীয়ে গছৰ ডালত পৰি একান্তমনে চিঞৰি থাকিল। হৃদয়ৰ গভীৰ গহ্বৰত উখল-মাখল লগাই থকা চিন্তাৰ বোজাটো আঁতৰ কৰি থৈ চকু মুদি তাইৰ কণ্ঠৰ সুৰটোৰ মিঠা আমেজখিনি উপলব্ধি কৰিবলৈ ধৰিলো। মনটো আনন্দত নাচি উঠিল। হওঁক বাগানত এইবাৰ বিহু উপভোগ কৰিম। গছে-বনে, ফুলে-পাতে চৰাইৰ হৃদয়তো আজি ব'হাগ বিদ্যমান। ব'হাগে ধনী-দুখীয়া সকলোৰে প্ৰাণত মায়াজাল তৰে। এনে এটি তেজাল ব'হাগক আদৰি ননাকৈ কোন থাকিব পাৰে। ব'হাগ মানেই মিলনৰ সাঁকো, ব'হাগ মানেই ৰঙৰ ফাঁকু। চিঞৰি চিঞৰি এবাৰ ক'বলৈ মন গ'ল— "ব'হাগ তুমি সদায় আহিবা সাতোৰঙী ফাঁকুৰে আমাক জীপাল কৰিবা।"◆

অৱসাদৰ পিছত

✍ মঞ্জুলা কাকতি

(১)

বসন্ত ঋতুৰ চ'ত মাহ, দিনত গৰম ৰাতি অলপ ঠাণ্ডা লাগে। বহুত দিন বৰষুণ নোহোৱাৰ বাবে উত্তাপ কিছু বৃদ্ধি হৈছে। বৰষুণৰ অভাৱত ধূলিৰ উৎপাতত ঘৰৰ খিৰিকী এখনো খুলিব পৰা নাই। যোৱা কালি যেনিবা বৰষুণ এজাক হোৱাত পৃথিৱীখন জীপাল হ'ল। গছ পাতবোৰৰ ধূলিবিলাক ধুই নিয়াত গছবোৰে তিৰবিৰাই উঠিছে। এই বছৰ বৰদৈচিলাজনীয়ে আজিহে যেন বসন্তৰ জাননী দিছেহি। ফাগুন মাহৰ শেষৰ ফালৰ পৰাই যদিও মাজে মাজে কুলিজনীয়ে বসন্তৰ জাননী দিছে তথাপিও ধূসৰিত মাজত মানুহে বসন্তৰ আগমনৰ কথাই পাহৰি গৈছিল।

আজি বৰষুণৰ পাছত ধূলিবিহীন বতৰটোত সকলোৰে মন প্ৰাম ফৰকাল হোৱাৰ লগতে আশ্ৰমবাসী নিৰ্মলা বৰুৱাৰো মনটো ফৰকাল লাগিছে। দুপৰীয়া ভাত কেইটা খাই বৰুৱানীয়ে সদায় বাতৰি কাকতখন লৈ বিছনাতে ভালকৈ মনযোগ দি পঢ়ে। দৈনন্দিন ৰুটিনৰ দৰে আজিও তেওঁ বিছনাখনৰ ওচৰলৈ আহি বিছনাৰ ওচৰৰ খিৰিকীখন খুলি চিটকানি দুডাল লগাই বাহিৰলৈ চাই দেখিলে নিমগছ ডালৰ পাতবোৰ তিৰবিৰাই আছে। সজীৱ গছ, বনেহে বসন্তৰ বতৰা আনে। নিমগছ ডালত কেইটামান ঘনচিৰিকাই ইটো ডালৰ পৰা সিটো ডাললৈ উমলি থকা দৃশ্য দেখি তেওঁৰ বীৰেণ দত্তৰ এটি গানৰ কলি মনলৈ অহাৰ লগে লগে মুখেৰে গুণগুণালে। মুখত দুডাল দুবৰি বন, দুজাল খৰিকা, মোৰ চোতালত উমলাহি অ' ঘনচিৰিকা। তেওঁৰ কোঠাটোৰ কাষতে কেইবছৰ মানৰ আগতে ৰুৱা তামোল গছ জোপাত কেইবা পাহো কপৌ ফুল ফুলিবলৈ আৰম্ভ কৰিছে। বৰষুণৰ সান্নিধ্যত ফুল কেইপাহেও যেন ফেনা ধৰি উঠিছে। ফুলজোপা চাই চাই নিৰ্মলা বৰুৱাৰ শৈশৱৰ পৰা যৌৱনলৈকে সকলো মুহূৰ্তই কথাছবিৰ ৰিল ঘূৰাদি ঘূৰিবলৈ ধৰিলে। হাতৰ বাতৰি কাকত হাততে ৰাখি স্মৃতি ৰোমন্থনত বহি পৰিল।

(২)

এবা এবাৰ দেউতাকে চাৰিপাহ কপৌ ফুল ওচৰৰ হাবিৰ পৰা আনিছিল। দেউতাকৰ হাতত দীঘল কপৌ ফুলখিনি দেখি নিৰ্মলাই ডাঙৰ পাহ দেউতাকক খুজিছিল। কিন্তু দেউতাকে তাইৰ হাতত এপাহ দি ডাঙৰ পাহ মাকক দিবলৈ দিছিল। তেওঁ হাঁহি মাৰি কৈছিলে মাই ফুল কি কৰিব। দেউতাকে ভেকাহী মাৰি মাকলৈ ফুলপাহ দি পঠাইছিল। বাকী দুপাহ পেহীয়েকহঁতক দিবলৈ দিছিল।

কিন্তু নিৰ্মলা ডাঙৰ হোৱাৰ পিছত মাকলৈ দেউতাকে কিমান মৰমেৰে ফুল পাহ দিছিল সেইখিনি ভাবি বৰ আনন্দ লাগিছিল। শহুৰ, শাহু, দেওৰ ননদে ভৰা এখন ঘৰত বিহু বুলি এপাহ ফুলো মুক্তভাৱে দিবলৈ লাজ কৰিছিল। জাকৰুৱা ঘৰৰ মিলাপ্ৰীতিয়েই বেলেগ। তাৰ বাবে লাগে ত্যাগৰ মনোবৃত্তি।

গৰু বিহুৰ আগদিনা আইতাকৰ লগত গৰু চাটত দিবলৈ লাও, বেঙেনা, কেৰেলা টুকুৰা টুকুৰকৈ কাটি দেউতাকে বনাই

আহ্বান



দিয়া চাটত (বাঁহেৰে সজা তিনডলীয়া, পাঁচ ডলীয়া) সকলোৰে লাগি ভাগি চিলাইছিল। দেউতাকে বাঁহৰ চাতবোৰ, মিহি দীঘল মানে লনি কৰি কনাইছিলে। গৰুৰ গালৈ এইখিনি মাৰোতে গাবি—

লাও খা, বেঙেনা খা,

বছৰে বছৰে বাঢ়ি যা

মাৰ সৰু বাপেৰ সৰু

তই হবি বৰ বৰ গৰু'

গৰু বিহুৰ দিনা গৰুক গা ধুৱাই গৰুক পিঠা খুৱাইছিল আৰু সন্ধিয়া গৰুক জাক দিছিল আৰু নতুন পঘা দিছিল। মাখিয়তী পাতেৰে গৰুক কোবাই কোবাই গাইছিল,

মাখিয়তী মাখি পাত

মাখি মাৰে তাক তাক

মহ ডাঁহৰ পৰা ৰক্ষা পাবলৈ গৰুক জাক দিছিল। আগন্তুক কৃষি কৰ্মৰ বাবে গৰুকেইটা শক্তিশালী কৰিবলৈকে হয়তো এইখিনি কৰ্ম লোকাচাৰ হিচাপে কৰি গৈছিল।

মানুহ বিহুৰ দিনা মানে ককাক, আইতাকক, মাকক, দেউতাকক সেৱা কৰিছিল ভাগে ভাগে আৰু ওচৰৰ নামঘৰলৈকে সকলো গৈছিল সেৱা জনাবলৈ। এটা সংস্কাৰপূৰ্ণ পৰিয়ালত জন্ম হৈছিল নিৰ্মলাৰ। হাতত সনা জেতুকাৰ ৰংখিনিয়েও তেওঁক মনত পেলাই দিছিল মাকলৈ, মাকে জেতুকা খিনি সকলোকে লগাই দিয়া আৰু কলপাত সেকি কেনেকৈ দেউতাকৰ লগত বান্ধিছিল।

(৩)

দেউতাকে বজাৰৰ পৰা জেতুকাৰ ৰং ভাল হ'বৰ বাবে বৰহমথুৰি কিনি আনিছিল। কাৰণ মাকে জেতুকাৰ ৰং ভাল হ'লে ভাল পায়। দেউতাকে কৈছিল জেতুকা লগালে কেতিয়াও সাপে নুখুটে আৰু নখত নখ চুকিয়া নহয়।

বাৰিষা সাপৰ ভয়ৰ বাবেও হয়তো জেতুকাৰ প্ৰচলন হৈছিল। জেতুকাৰ গোন্ধ বোলে সাপে ল'ব নোৱাৰে।

অশেষ আনন্দৰ মাজত নিৰ্মলা দত্তই যৌৱনত ভৰি দি এদিন পুলিন বৰুৱাৰ লগত বিবাহ সূত্ৰে নিৰ্মলা বৰুৱা হ'ল। পঢ়া শেষ কৰি ভাল চাকৰি কৰাৰ হেঁপাহ আছিল বহু কেইগৰাকী বান্ধৱীৰ দৰে। কিন্তু ঘৰৰ তাগিদাত বি এ পৰীক্ষা দিয়ে পঢ়া সামৰিব লগা হ'ল। বিবাহৰ পিছত কিছু বছৰ ঠিকেই চলিছিল। দিন বাগৰাৰ লগে লগে স্বামীৰ কিছুমান কথাই বা ব্যৱহাৰে নিৰ্মলাৰ বুকুত খুন্দিয়াবলৈ ধৰিছিল। ল'ৰা-ছোৱালী হালৰ মুখলৈ চাই সকলো সহ্য কৰি থাকিল। ল'ৰা-ছোৱালী দুটা ডাঙৰ লগতে উপযুক্ত কৰিবলৈ যৎপৰোনাস্তি চেষ্টাত থাকিল। এদিন সিহঁত ডাঙৰ হৈ মানুহ হ'ল। কিন্তু নিৰ্মলা বৰুৱাই যি আশাৰে বাট চাইছিল ক'ৰবাত যেন যতি পৰিল। যুগৰ পৰিবৰ্তনে অনা পৰিৱেশৰ গাহৃভাব তেওঁ একো যেন উমানেই নাপালে। তেওঁ যি ভাবে শাহু শহুৰৰ দায়িত্ব লৈছিল তথা পৰিয়ালৰ মৰম চেনেহ বজাই ৰাখিছিল ভাবিছিলে তেওঁ সেইখিনি ঘূৰাই পাব।

আজি ল'ৰা-বোৱাৰীয়ে একক পৰিয়ালতহে সুখ আছেবুলি ভাবে মাক দেউতাক যেন তেওঁলোকৰ বোজা। সেইবোৰ তেওঁলোকৰো যে সমাগত হ'ব ভাবি চাব নিবিচাৰে। পৃথিৱীখন বিজ্ঞানে যিমান সৰু কৰিছে আজি ল'ৰা ছোৱালীৰো মনবোৰ যেন সিমানে সৰু হৈছে। যাৰ পৰা লাভ হ'ব বুলি ভাৱে তেওঁকেহে গুৰুত্ব দিয়ে এয়া বাৰু কি পৰিক্ৰমা।

নিৰ্মলা বৰুৱাই কিন্তু এই বিষয়ত কাকো দোষ দিব নোখোজে। তেওঁ ভাৱে নিজেই যিমান দিন সৎভাৱেৰে কৰ্ম কৰি যাব হয়তো ভগবানেও সহায় কৰিব। নিজে কষ্ট কৰি উপাৰ্জন কৰা টকা কেইটাৰে চাৰিওফালে যাক যি দিব লাগে দিয়ে। সেয়েহে তেওঁ এদিন এটা সিদ্ধান্ত ল'লে—

(৪)

বৃদ্ধ আশ্ৰমলৈ যোৱাৰ কথা ভাবি পৰিয়ালটোৰ বদনাম হ'ব বুলি ওচৰ চুবুৰীয়াক মাতি তেওঁ সিদ্ধান্তৰ কথা ব্যক্ত

কৰিলে। তেওঁ বৃদ্ধ আশ্ৰমত থাকি যি পাৰে সেৱা আগবঢ়োৱাৰ কথা ক'লে। এদিন এই বৃদ্ধ আশ্ৰমত তেওঁ সোমালহি, সমবয়সৰ মানুহৰ লগত কাম বন কৰি খেলা-ধূলা কৰি আধ্যাত্মিক কথা বতৰা পাতি বৰ ভাল লাগিল। বৃদ্ধ আশ্ৰমত এটা কথাই নিৰ্মলা বৰুৱাই সদায় মনত ৰাখিছিল আমি জন্মতে কি লৈ আহিছিলো? আৰু জন্মদাত্ৰী ধৰিত্ৰীক আম কি দিলো? মৃত্যুত আমি কি লৈ যাম? এই জগতৰ অৰ্থ জন্মিলে মৰিব লাগে, তেন্তে আমি কিয় স্বাৰ্থপৰ হ'ব লাগে।

সেয়েহে হয়তো আজি বহুত লোকে স্বইচ্ছাই বৃদ্ধ আশ্ৰমলৈ ঢাপলি মেলিছে। কিয়নো তাত তেখেত সকলো নিৰ্জনতাৰ পৰা মুক্ত হয় মনৰ কথা খুলি ক'ব পাৰে আৰু আনন্দত থাকে। সেইবাবে মোৰ এটা অনুৰোধ বৃদ্ধ আশ্ৰম খোলাসকলেও এই কথাত চকু ৰাখিব লাগে। লগতে চৰকাৰেও এই বৃদ্ধ অৱহেলিত অসহায়সকলৰ বাবে অলপ কৰুণা সঞ্চাৰ কৰিলে হয়তো বহুত সহায় হ'ব বৃদ্ধ আশ্ৰমবাসীৰ। অৱসাদৰ পিছত নিৰ্মালি বৰুৱাই যেন এক প্ৰশান্তি অনুভৱ কৰিলে। ◆

'তিনি'ৰ মহত্ব

১। তিনিজনক সদায় সন্মান কৰিব লাগে— পিতৃ, মাতৃ আৰু গুৰু।
২। তিনিটা বস্তু জীৱনত এবাৰহে পোৱা যায়— পিতৃ, মাতৃ আৰু যৌৱন।
৩। তিনিটা বস্তু ওলাই গ'লে ঘূৰি নাহে— শৰ, মুখৰ কথা আৰু প্ৰাণ বায়ু।
৪। তিনিটা বস্তুৱে জীৱন নষ্ট কৰে— কু-চৰিত্ৰ, আলস্য আৰু অহংকাৰ।
৫। তিনিটা বস্তু পাহৰিব নালাগে— কৰ্তব্য, ঋণ আৰু আত্ম সন্মান।
৬। তিনিটা গুণে জীৱন মহৎ কৰে— সৎ চিন্তা, পৰিশ্ৰম আৰু অধ্যয়ন।
৭। তিনিজনৰ প্ৰতি দয়াশীল হ'ব লাগে— নাবালক, ভোকাতুৰ আৰু পাগলৰ।
৮। তিনিটা বস্তু সদায় নিজৰ অধীনত ৰাখিব লাগে— কাম, ক্ৰোধ আৰু মোহ।
৯। তিনিটা বস্তুৰ পৰা নিজক বচাই ৰাখিব লাগে— কু সঙ্গ, আত্মস্বাৰ্থ আৰু পৰনিন্দাৰ পৰা।
১০। তিনিটা বস্তুৱে জীৱনত কাৰো বাবে অপেক্ষা নকৰে— জন্ম, মৃত্যু আৰু বয়স।
১১। তিনিটা বস্তু সদায় স্মৰণ কৰিব লাগে— ভগৱান, মৃত্যু আৰু প্ৰেম।
১২। তিনিটা বস্তুৱে মানুহৰ আয়ুস কমায়— অসৎ চৰিত্ৰ, পৰৰ অনিষ্ট আৰু পৰচৰ্চা।

যুগুতালে — অনিমা মটক

ৰঙা পাৰিৰ চাঁদৰ

✍ হেম্লী গোস্বামী

কাহিলী পুৱাতেই গাটো ধুই খৰধৰকৈ বেগটো লৈ ৰাতুল ঘৰলৈ বুলি ওলাই আহিছে। কিমান যে আনন্দ আজি তাৰ। এনেই সাত-আঠ বজালৈকে তাৰ টোপনিও নাভাগে আৰু আগদিনাৰ গোটেই দিনটো পৰিশ্ৰমৰ গাৰ বিষো নমৰে। কিন্তু আজি তাৰ সেইবোৰ একো নাই- মাত্ৰ মনটোত বহুতো আশাৰ, আনন্দৰ ৰেঙনি। নহ'বই বা কিয় ? এইহেন বাপতি সাহোন বিহুটি আজি ক'ত দিনৰ পৰাই 'নাৰ্চিং হ'ম'খনৰ অভ্যৰ্থনাৰ কোঠাটোত থকা টিভিটোত সি কত যে বিহুৰ প্ৰস্তুতিৰ পৰ্ব চাইছে। ৰোগীবোৰৰ উপৰিও তেওঁলোকৰ লগত অহা মানুহ বোৰেও কম হেঁপাহেৰে চায়নে। লাখ টকীয়া গায়ক-গায়িকাই বিহুৰ নামত কত যে শব্দ সুৰ বিচাৰি হাবাথুৰি খাই, কোনোবাই কাৰোবাৰ পৰা নকল -চুৰি কৰি হলেও বিহনাম-গীত-ঘোষা একাকাৰ কৰি কম আমোদ দিয়েনে ? ঘোষক-ঘোষিকাসকলৰো ব্যস্ততাৰ সীমা নাই। 'অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুটিতো নিশ্চয় গোলকীকৰণ কৰাৰ যুক্তি-যুক্ততা আছে, নহয় জানো ? আপোনাৰ মতামত কি' ? ঘোষক-ঘোষিকাৰ উপৰ্যুপৰি প্ৰশ্ন। বিভিন্ন চেনেলসমূহত যেন বিশ্বকাপ ক্ৰিকেটৰ নিচিনাকৈ প্ৰতিযোগিতাহে চলিছে। মুঠতে ভোগালীৰ উৰুকাৰ পৰাই সকলো অসমীয়া ব্যস্ত এই বাপতিসাপোন বিহুটিলৈ। কুলি-কেতেকীতকৈও জোৰ এতিয়া এইসকল অসমীয়াৰ হে যিসকলে দূৰদৰ্শনৰ উৰুকাৰ ভোজৰ পৰাই নিজৰ প্ৰস্তুতিৰ পৰ্ব জহাই ফুৰে। গতিকে কুলি-কেতেকী-কপৌ ফুল কোন কুটা। মুঠতে জীৱনে মৰণে অসমীয়াসকলৰ অলপো আহৰি নাই। তাৰ মাজতো আকৌ অসমীয়াৰ সংজ্ঞা বিচাৰি থকা দায়বদ্ধ সকলো মহা ধৰ্মসংকটত পৰিছে। নানা মুনিৰ নানা মত। তাতে আকৌ মাতৃভূমিৰ সেৱকেউতো পঁচিশ-ত্ৰিছ বছৰ গৱেষণাৰ অন্তত 'মা' শব্দটোক বিশ্লেষণ কৰি তিনি মাক কৌশল্যা, কৈকেয়ী, সুমিত্ৰা কৰি চিৰ পৰিচিত উদাত্ত পৰিচয়ৰ পৰা আঁতৰি আহি এক আৱেগিক বাৰ্তাও জনালে। পুৱা দহ বজাৰ পৰা ৰাতি আঁঠ বজালৈ বিভিন্ন বিভাগৰ ৰোগীসকলৰ নাম মাতি থাকোঁতে ৰাতুলে এই সকলোবোৰ চেগা-চোৰোকাকৈ চাই থাকে। নিজক লৈয়েই সি ইমান ব্যস্ত যে ঘৰখনৰ কাৰণেই হওক বা দেশৰ কাৰণেই হওক একো কৰিব নোৱাৰাটোত তাৰ আপচোচ নোহোৱা নহয়। চেনেলসমূহৰ প্ৰচাৰৰ বাবেই হওক বা টি আৰ পিৰ কাৰণেই হওক কিছু অনুষ্ঠান পৃথিৱীতে আছো নে মঙ্গল গ্ৰহতে আছো কেতিয়াবা প্ৰশ্ন হৈ উঠে।

যি কি নহওক আজিৰ পৰা তিনিটা দিনৰ কাৰণে ৰাতুল অন্ততঃ সেইটো গ্ৰহৰ পৰা আঁতৰত থাকিব। বাচখনত জাপ মাৰি উঠিয়েই প্ৰথমতে বেগটো ভালকৈ চিটৰ তলত ভৰাব পৰাটো চিন্তা কৰি খিৰিকীখনৰ কাষতে বহি ল'লে। ঠিকে ঠাকে গৈ থাকিলে ন-দহ মান বজাত কলিয়াবৰ পাবগৈ লাগে। বিহুৰ বতৰৰ কলিয়াবৰ বোলোতেই ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোৰে ডিঙিত একো একোখন নতুন গামোচা থকা দৃশ্যটো

মনত পৰি মাকলৈও মনত পৰিল। মাকলৈ অনা ৰঙা পাৰি থকা চাদৰখনে মাকৰ বগা বহল মুখখনত কম ধুনীয়া লাগিবনে। ভনীয়েক ৰাণী আৰু দেউতাকলৈ অনা মেখেলা চাদৰ যোৰ আৰু চাৰ্টটো ওপৰতে পোৱাতে আনিছে। আত্মসন্তুষ্টিত ৰাতুল অলপ আৱেগিকো হ'ল। দেউতাকে আগতে সিহঁতলৈ বুলি পূজাই বিহুৱে অনা দুই এটা কাপোৰলৈ মনত পৰিল। কিমান যে আগ্রহৰে পিন্ধি লগৰবোৰৰ লগত খেল ধেমালি কৰিছিল। অভাৱ অনাটনত থাকিলেও বিভিন্ন উৎসৱ-পাৰ্বনত জ্যোতি সংগীত, ৰাভা সংগীত, আকস্মিক বক্তৃতা, আবৃত্তি আদি প্রতিযোগিতাবোৰত কিমান যে উৎসাহেৰে যোগ দিছিল। সকলো বিষয়তে পুৰস্কাৰ হিচাপে কিতাপ দিছিল আৰু নিৰ্দিষ্ট দিনৰ ভিতৰত পঢ়ি গাঁৱৰ পুথিভঁৰালটোত সকলো কিতাপ জমা থ'ব লাগিছিল। গাঁৱত বিশেষ শিক্ষিত লোক নাছিল যদিও সু পৰিকল্পনাৰে ভৱিষ্যতৰ সিদ্ধান্ত ল'ব পাৰিছিল। নৈতিক শিক্ষাত ক'তো কাৰো আসোঁৱাহ নাছিল। ৰাতুল আৰু ৰাণীয়েও চৰকাৰী চাকৰি এটা গোটাব নোৱাৰিলেও, মাকেও বৰ কষ্টৰে হাত-ভৰি-চকু কেইটাৰে খাটি খাবলৈ শিকাইছে। জীৱনলৈ অহা সকলো ধৰণৰ ধুমুহাতে মকা-মিলা তথা প্ৰত্যাহ্বান জনাই আগবাঢ়ি যাবলৈ সাহস যোগাইছে। সেয়েহে সিহঁত দুয়ো ককাই ভনী আত্মবিশ্বাসী।

বাছখন দুই এঠাইত ৰখাই এজন দুজনকৈ মানুহ উঠা নমা কৰিছে যদিও চোন টি ভিত এমাহ মান আগৰে পৰা দেখা বিহুৰ চেওঁ-টো বাট-ঘাটে পিছে বিশেষ একো নাই। ৰ'দটোও চোকা। এচি ৰুমৰ চকীখনত বহী টিভিত দেখি থকা ৰঙালী বিহুৰ মাদকতাটো অ' তাৰ মানে বেলেগ। ৰাণীয়ে বা বিহুৰ পিঠা-পনা কি বনাইছে। মাক নিশ্চয় বেমাৰী দেউতাকৰ লগতে ব্যস্ত। নলতলীৰ কেকুৰীটো পাৰ হৈয়েই ৰাতুল নামিবৰ বাবে বেগটো টানি আজুৰি চপাই আনিছে। যথা স্থানত বাচৰ পৰা নামি বিহুৰ দিনা ৰিক্সানো ক'ত পাম বুলিয়েই কান্ধতে বেগটো লৈ দীঘল দীঘল খোজ দিলে। ঘৰৰ জপনা খনত হাত দিওঁতেই মাক ওলাই আহি মাত দিলে 'আহিলি ৰাতুল'। ঢকঢকীয়া ৰঙা-বগা মুখখনত ডাঙৰ ৰঙা ফোঁটটোৰে, ধুনীয়া সেই একেই হাঁহিটোৰে মাকে আগবাঢ়ি আহিল। ৰাণী ৰাণী বুলি উত্রাৱল হৈ চিঞৰিলে। জোতাযোৰ বাৰাণ্ডাতে খুলি তিনিওটা দেউতাকৰ ওচৰ পালেহি। আগৰ বাৰতকৈ বেয়াৰ ফালে ঢাল খোৱা দেউতাকেও তাৰ স্ফুৰ্তিতে সহযোগ জনাই মৰমৰ হাঁহিটো মাৰি সেহাই সেহাই তাৰ খবৰ ল'লে। ইতিমধ্যেই আগন্তুক বাৰ্তাটো ৰাতুলৰ বাদে বাকী কেইটাই গম পাইছিল যদিও এতিয়া বাতুলো নিশ্চিত হ'ল। কোনেও কাৰো চকু মুখত ধৰা নিদিবলৈ চেষ্টা কৰিলে। বিচনখনৰ কাষতে থকা বঁটাখনত তামোল-পাণবোৰ দেখি ৰাতুলৰ অন্তৰখনত খুন্দা মাৰি ধৰিলে। তাৰ বুজিবলৈ বাকী নাথাকিল ৰাণী আৰু মাকে বিহুৰ সেৱা জনালে। ইয়াৰ পিছৰ বিহুত দেউতাকক সেৱা জনাবলৈ পাবনে? টি ভিত দিয়া দুই চেকেণ্ডত দহটা খবৰৰ দৰে ৰাতুলৰ মূৰতো এক চেকেণ্ডত তিনিটা নতুন চিন্তাই দেউতাৰ, ৰাণীৰ বিয়া, অকশৰীয়া মা- খুন্দা মাৰিলে। তাৰ চকু মুখত সকলো ধৰা পৰিল । মাকলৈ অনা ৰঙা পাৰিৰ চাদৰখন উলিয়াই ততাতৈয়াকৈ মাকৰ গাত পিন্ধাই দিলে। কোমল হাঁহিটোৰে দেউতাকে সিহঁতক বুজাই দিলে, মাৰক বৰ ধুনীয়া দেখিছে, তহঁতে এনেকৈয়ে ৰাখিবি।◆

আহ্বান

পাঁচটা স্তৱক

✍ মীৰা ঠাকুৰ

এক

নৰাৰ পেঁপা বজাই শোকাকুল পথাৰখনে
লগভাত খোৱা ঘৰ সাজিছিল নীৰৱে
ওৰেটো ৰাতি বগা সাজযোৰ পিন্ধি
তাই সাবটি আছিল মেজিটো
চকু পুখুৰীত বান্ধি ডুখৰীয়া জোন।

দুই

বতাহৰ উদং ভৰিত সৰাপাতৰ নেপূৰ
ৰুণুক-জুনুক
সুৰত সুৰ তুলি বাঁহনি তলেৰে জুনুকা বজাই
যখিনী ছোৱালী
দুই হাতে ছিঙে কুতুলা কুতুলি চুলি
বুকুৰ এন্ধাৰ শুহি কোন উৰি যায়
পূবৰ দুৱাৰ খুলি।

তিনি

কোন যায় বুকুৰ নৰাণি ফালি
মন পুখুৰীৰ ৰহঢলা পানী
চপক চপক কোনে বাৰু খায়
হিয়াৰ সীবলু ছিঙি।

চাৰি

মোৰ তেজত এশ-এবুৰি নৈ
হিয়ালি-জীয়ালি বৰদৈচিলা
নাও বুৰোঁ বুৰোঁ, নাও বুৰোঁ বুৰোঁ
ধুমুহাত ভাগে চৈ।

পাঁচ

বসন্ত মানে তেজ
বহাগ মানে পূৰ্ণতা
বুকুত গজি উঠা কাঁইটীয়া বনক সুধিলোঁ
তোমাৰ নাম জানো নোকোৱা?

আহ্বান

আহত সময়ৰ মালিতা

ৰমেন কলিতা

কাজিৰঙা কাজিৰঙা
অভয়াৰণ্য নে জয়ালধৰা
বন্যাৰ্ত অসহায় এজাক বন্যপ্ৰাণী
সংৰক্ষিত ৰাষ্ট্ৰীয় উদ্যান নে বধ্যভূমি
দোকাল টকা বানত
ঠিকনা হেৰুৱা এজাক ভয়াৰ্ত চকুত বাজে
দুখৰ বাঁহী
অজলা চকুৰ কজলা পানীত বাৰিষাৰ ধল
চোৰাং চিকাৰীৰ দল
ভৰপক দিয়া পানী
বাৰিষাৰ টগ-বগ
কগ-বগ কগ-বগ শব্দৰ লানি
থাউনি নোপোৱা ঘাঁহনি
ওখ মাটিৰ বুকু খামুচি
ৰদে ওমলোৱা দিন এটালৈ
বৈ আছে বাট চাই
মৰ্মগ্ৰাহী বাৰ্তা
মৰ্মস্পৰ্শী বুকুৰ বিষাদ
টোপ টোপকৈ সৰে কেঁচা তেজ
আহিনৰ শেৱালিৰ সতে
কহুঁৱা বননিৰ পৰা
অৰণ্যৰ গুঞ্জৰিত ধ্বনি
তেজৰ তুম্ৰলিৰ মুখায়বৰ সতে
দৌৰি ফুৰা খৰ্গহীন গড়টো
তাৰ গেঙনিত কঁপে দুখৰ নৈ
বন্যপ্ৰাণী সমূহৰ আউৰণি শুনোতা নাই
কাৰ্টিজৰ খোলাৰে খলখলাই থকা বনানি
বাৰুদৰ গোন্ধে আমোলাই থকা বতাহত
শুকুলা আকাশ তেজৰঙা হৈছে
নিয়ৰৰ মুকুতা পোৱালমণি হৈছে
ৰাঙলি হৈছে বিৰিণা বন
মৃত্যু যন্ত্ৰণাত নিমাখিত পশুধন
মানুহৰ লালসাৰ বলি
ক্ষোভৰ উদ্গিৰণত উথলি উঠিছে
শ্বাপদৰ শোক সভা
বিষাদত বাগৰি কান্দিছে
বনৰ হৰিণা
জীয়া গড়ৰ খৰ্গ কটা মিস্ত্ৰিৰ আঘাটত
ভূলুণ্ঠিত মানৱতা
মানুহৰ জিঘাংসাৰ জুই জ্বলিছে
পাৰো যদি নুমাব লাগিব এই জুই
নহ'লে পলম হৈ যাব
বুকুত লৈ ফুৰিছো
এবুকু ক'ব নোৱৰা দুখ
ক'লৈ যাম বাৰু মই
ক'মগৈ কাক?
মোৰ মৃত্যু আতংকত
এনেদৰেই কঁপিব নেকি
জন অৰণ্য
কাজিৰঙাৰ জীয়া মৰিশালি
পিটনিৰ মেটেকাত
পোত খোৱা এটা হাতী পোৱালি
বুকুৰ মাজত এটা গধুৰ উশাহ
উৱাদিহ নাপাওঁ
কাক কওঁ
যন্ত্ৰণাত ছট ফটাই আছে
এটা আহত গড়ৰ যন্ত্ৰণা...।।◆



সুৱৰ্ণ মণি

✍ গোলাপ বৰুৱা

মোৰ চোতালৰ মুৰত
তুমি ৰুই থৈ যোৱা
সুগন্ধি ফুলৰ পুলিটি
লহ-পহকৈ বাঢ়ি আহি
ডালে-পাতে ফুল ফুলি
পোহৰাই ৰাখিছিল
মোৰ হিয়াৰ অতল তলি
সস্নেহ, সযতনে
ৰাখিছিল আৱৰি
মোৰ অনুভৱৰ
সমস্ত পৃথিৱী
এইবেলি বানৰ কৰাল গ্ৰাসে
উটুৱাই নিলে
আজন্ম সংগী
মোৰ সুজলা-সুফলা গাঁওখনি
এতিয়া বাৰু
মই কাক সোধো
ক'ত হেৰুৱালো
মোৰ, হেঁপাহৰ
সুৱৰ্ণ মণি.... ?◆

কি কৰো বাসন্তী

✍ হিৰণ্য কুমাৰ গায়ন

মাহ হালধি লৈ
বেইৰ টৌপাশে
ঘূৰাৰ কথা আছিল
এইবেলি ব'হাগত।
মনে জুৰিলেও
মোজোৰে ধন,
চবকাত মৰিল
হালৰ গৰু
সোণ-মাটি পৰিল ছন।
ন-পানী চাই
কপালকে থিয়াই
আছোঁহি হাত সাৰটি,
নোৱাৰো ব'ব মই
মহঙা বোজাটি
কি কৰো বাসন্তী (?)◆

হে বিল বনোৱা মানুহজন

পশুপতি হাজৰিকা

দুখ থাকিল বুলিয়ে
কান্দি কান্দি বাউলিহৈ পৰিবানে?
অভাব থাকিল বুলিয়ে
উদণ্ডাইদি হাঁহিয়াতৰ পাত্ৰ হবানে?
ভাগ্যলিপি কোনেওতো পঢ়িব নোৱাৰে
কিন্তু ফলিয়ায় সি আখৰে আখৰে।
ট্ৰেজাৰি অফিচৰ
পেঞ্চনৰ বিল বনোৱা কেৰাণীজনে
টেবিলৰ তলেৰে
ধন ঘটি আছে
তেওঁতো নাজানে
কিজানি অচিন বিপদে
তেওঁক ৰিঙিয়াই মাতি আছে!
লোভ এনেকুৱাই
অগনিত ভৰি থলে
জুইয়ে পোৰেই
সৰলৰেখা এডালৰ কাষত
আন এডাল দীঘল সৰলৰেখা টানিলে
আগৰডাল চুটি হৈ যায়,
সময় এনেকৈয়ে আগুৱায়।
হে বিল বনোৱা মানুহজন
তোমাৰ চাকৰি কাল
জানো অনন্ত কাল?
ভাবিচোৱা ভাল।
বিঃ দ্ৰঃ আজিকালি বহুতো টেবিলত এনেকৈয়ে টকা যায় মাথো
কাৰ দিন কেনেকৈ যায় সেইটোহে জনা নাযায়।।◆

নৈয়েদি বৈ আহিছে প্ৰেমৰ উছাহ

জ্যোৰ্তিময়ী ডেকা

নৈয়েদি বৈ আহিছে প্ৰেমৰ উছাহ
তাৰেই একাজলিৰে গা মলচি
ককায়ে গৰু গা ধুৱায়
জাত জাত নাম গায়
"লাউ খা বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা..."
হাবি শুৱাই কপৌ ফুলিছে
গাভৰু মন বান্ধিব নোৱাৰি
ঢোলৰ গাজনিত,
পেঁপাৰ সুহুৰিত
প্ৰেমত উথলি উঠা বুকুত
সাঁচতীয়া চেনেহ লৈ
কঁকাল ভাঙি এপাক নাচিছে
বৰদৈচিলাই হুৰাই আনিছে
বৰ্ষামুখৰ সতেজ আশা
ওখাৰ বননিৰে অসুখী পৃথিৱীয়েও
মুকুলিত কুঁহিপাতেৰে হ'ব সেউজীয়া
ককাই অ'— হালে কোৰ লৈআহচোন ওলাই। সৃষ্টিৰ শইচ
সিঁচি
প্ৰেমৰ উছাহ বাকি
সেউজময় কৰোহঁক মানুহৰ প্ৰাণ মমতা।◆

আহ্বান

সহৃদয়তা

✍ প্ৰতিমা বৰা

দিনে দিনে বাৰু
আমি পাহৰি গৈছো নেকি নিজক
হৃদয়ৰ পৰা হেৰুৱাই পেলাইছো নেকি
জীৱন জীৱন আকুলতা
সপোন সপোন মাদকতা
দিনে, দিনে
কলৈ গৈ আছো আমি
আন্ধাৰৰ পৰা পোহৰলৈ
নে পোহৰৰ পৰা আন্ধাৰলৈ
কিহৰ জুয়ে জ্বলাই মাৰিছে আমাক
য'ত জ্বলি নিঃশেষ হৈছে
বিশ্বাস আৰু আস্থা।
ক'ত আছিল আমাৰ আজোককা
ক'ত আছিল আমাৰ আজো আইতা।
আছিলনে ইয়াতে তেওঁলোক?
য'ত এতিয়া প্ৰতিদিনে বতাহত উৰি ফুৰে
জীয়া মানুহৰ পোৰা মঙহৰ গোন্ধ।
কৰ পৰা তেওঁলোকে আৰম্ভ কৰিছিল প্ৰতিটো দিন
কৰ পৰা তেওঁলোকে বুটলি লৈছিল সৰল জীৱন বীক্ষা।
কৰ পৰা তেওঁলোকে আহৰণ কৰিছিল সঞ্জীৱনী সুধা
আমিও বিচাৰি বিচাৰি বিচাৰিব নোৱাৰোনে
এটা সৰল বৈখিক বাট
যি বাটত খোদিত হৈছিল
আমাৰ আজো ককা আৰু আজো আইতাৰ
নীৰৱ খোজৰ নিচান...।◆

বসন্ত আহিছে

✍ চন্দন বাচফোৰ (ওম)

ওৰণিখন টানি
প্ৰকৃতিৰাণীয়ে শুকান পথাৰৰ
দুবৰিৰ কুমলীয়া দুগালত
পুৱাৰ আৱেগত নিগৰা
পহিলা বৰ্ষাৰ টোপালে
বসন্তৰ আগমনৰ বতৰাক
আকাশে-বতাহে বিয়পাইছে।
লঠঙা গছ-গছনিত
নকৈ ফুলা কুঁহিপাত
কুলি কেতেকীৰ অমিয়া মাত
আৰু কপৌৰ সুবাসত
ব'হাগ অহাৰ মাদকতাই
প্ৰতিজন অসমীয়াৰ মনলৈ
বিহুটিক আদৰিবলৈ
সুখৰ সঞ্চাৰ কৰাইছে।
ঢোল, পেঁপাৰ সুৰদি সুৰবোৰে
মলয়াৰ আঁৰে আঁৰে
সিঁচৰতি হৈ
ৰঙালীৰ ৰঙত
অসমবাসীক ৰঙীণ কৰিবলৈ
অসমী আইৰ বুকুলৈ
বসন্ত আহিছে।◆

আহ্বান

বসন্ত আহিছে

মৃণালী ভৰালী

বতাহজাকে হুৰ হুৰাইছে
অনিশ্চিত সপোনৰ কথা ভাৱি
ধুলিবোৰ লগে লগে কৰিছে গতি
উমি উমি জ্বলি থকা
মদাৰ ফুলপাহৰ ওচৰলৈ
ইমান ৰঙা কাৰ বাবে?
ফাগুনৰ হৃদয় জুই জ্বলাবৰ বাবে
পলাশৰ ৰঙেও বৰ্ষাক
জনায় আভাস
কঁহুৱা, বিৰিণা ফুলিছে
নদীৰ গতিত শীতল মলয়া হৈ
হালিছে নাচিছে
কাৰ বাবে?
কুলিজনীয়েও মাতিছে কপৌ ফুলপাহেও
উমলিছে, প্ৰেমৰ খিৰিকী খুলি
ভোমোৰাই কি কৰিছে?
অভিমানি ফুলপাহৰ
কথাকে কৈছে
বতাহতে উৰুৱাইছে তাইৰ পাহি
হৃদয়ৰ খবৰবোৰ কোনে দিব?
পখিলা বোৰে
ফৰকাল আকাশত তিৰবিৰাই
থকা তৰাবোৰে।
ৰিম্ ঝিম কৰি কোনে মাতিব
বৰষুণ?
কোনে মৰমেৰে উপচাই পেলাব
সেউজীয়াক?
সূৰুযৰ কথা কৈ মেঘক মতা
বিষাদ কঢ়িয়াই ফুৰা বতাহ জাকে
লৈ আহিব জিলিক
গগণা বজাই নাচিব
বৰষুণ এজাক আহিব
এই পৃথিৱীত
এই বসন্ততে।◆

বসন্ত

ৰীতা ডেকা

বসন্ত, তুমি কিয় পুনৰ ধৰালৈ আহিছা?
তুমি অহাৰ লগে লগেই মোৰ হৃদয় আকুৰি-খামুচি
কোনোবাই সেই কেঁচা ঘাঁডোখৰ স্পৰ্শ কৰে।
দুখৰ আচোৰবোৰ সোমাই পৰে হৃদয়ৰ ভিতৰৰ কোণলৈ,
ৰক্তাক্ত হৈ পৰে মোৰ অন্তৰ্দেহ।।
মোৰ জীৱনৰ কত যুগৰ সপোন, কত কামনাৰ সাক্ষী
আছিল এই বসন্ত,
বসন্তৰ পচোৱা বতাহৰ মাজতে আৱিষ্কাৰ কৰিছিলো
জীয়াই থকাৰ অৰ্থ।
অথচ, এই বসন্ততে এদিন কাঢ়ি নিলে সকলো,
লঠঙা গছৰ দৰেই মোৰ মন গহণ আজি শূন্য
এক বিৰাট শূন্যতা এতিয়া মোৰ মনৰ মাজত
আজি মই নিঃস্ব, আজি মই নিঃস্ব।।◆

আহ্বান

কপৌ ফুলৰ ধেমালি

গিৰীজা দাস

মোৰ সুউচ্চ গছৰ ওপৰত
তোমাৰ স্থিতি
হাবি বননীৰ প্ৰকৃতিৰ কন্যা তুমি;
হে সুন্দৰী কপৌ পাহি
তোমাৰ অবিহনে বহাগীৰ মন মলিন
কুলিৰ মাতত বসন্তৰ ধল বাগৰি
যৌৱনে আমনি কৰা গাভৰু
তুমিয়েই
ৰূপমতীৰ ৰূপৰেখা
নাচনিৰ কলডিলীয়া খোপা
তোমাৰ সন্মানীয় স্থিতি
ঋতুৰাজ তোমাৰ ৰূপত বলিয়া
লিহিৰি লিহিৰি শুধ বগা পাহিৰে
কোমলাঙ্গী কপৌ ফুল
তোমাৰ গৌৰৱ বাঢ়ে
ৰঙালীৰ উন্মাদনাতেই
তোমাৰ সৌন্দৰ্য প্ৰকৃতিৰ গান।◆

মদাৰ

নুৰ আলী

কিয়নো ফুলিলি ৰূপহী মদাৰ ঐ
গছৰ ডাল শুৱনি কৰি,
ৰাঙলী মুখনি কৰে জিলি-মিলি
আছ্ তই ভৰি তল সৰি।
কালি তই ফুলিলি যাৰ কোলাতেই
সোণোৱালী সপোন লৈ,
সিয়ো আজি তোক দলিয়াই পেলালে
অকলশৰীয়া কৈ।
না ভূত না শ্ৰুত কতনা সপোন
ৰাখিছিলো গোপনে মনত,
সকলো পৰিল জয় দেহাটি হ'ব ক্ষয়
পৰি ৰলি শ্যামলী বনত।◆

সাহোন

ব'হাগৰ বতৰা

দী-বি-বি

ফাগুনৰ পচোৱা
ধূলি আৰু ধুমুহাই
আমনি দিয়ে পথিকক
গছ লতিকাৰ শুকান পাত
আৰু নঙঠা দেহ দেখি
কষ্ট পায় পথিকে
গাভৰুৰ বুকুৰ আঁচল
উৰুৱায় ফাগুনে
লাজত ৰঙা চিঙা
গাভৰুৰ গাল
তথাপি মনত উদ্যম
হেঁপাহ আৰু আশা
এইয়া যেন ব'হাগ
অহাৰ বতৰা
এই ব'হাগতে পলাশ,
মদাৰ, কপৌ, কেতেকীয়ে
আমোল মোলাব
কুলি, কেতেকীৰ মাতে
মৌ বৰষিব।
ধৰিত্ৰী হ'ব পূৰ্ণ যৌৱনা
যি ফালে চকু যাব
সেই ফালে চকু থৰ হ'ব।
তাতে আকৌ বাপতি সাহোন
ৰঙালী বিহুটিৰ কথা
ডেকা বুঢ়া সকলোৰে
ৰাই জাই হিয়া
ঢোল, পেঁপা, গগণাৰ মাতে
ৰজন জনাব।
গাভৰুবোৰে হাতত
জেতুকা বোলাই
কঁকাল ঘূৰাই ঘূৰাই নাচিব।
ফাগুনেই আনে
ব'হাগৰ বতৰা।

কোলাহ'ল

✍ অনিমা মটক

প্ৰভাতি পক্ষীৰ গীতৰ
লয় মলয়াত
মাজনী তোলৈ মোৰ
মনত পৰে,
হৃদয় চুৰমাৰ হয়।
নদীৰ বুকুত জোৱাৰৰ
কোলাহলত
বিষাদেৰে মন মোৰ
ভৰি পৰে,
আজলী মাজনীলৈ
মোৰ মনত পৰে।
আকাশে কথা কয়
নদীয়ে গুণ গুণায়, কল কলায়।
বতাহে বতৰা আনে
আজি আৰু মধুমিতা নাই।
সেউজী ধৰণীৰ
নিয়তী চৰাইৰ মাতত
উতলি উঠে মোৰ
বুকুৰ বেদনা।
পুৱাতি নিশা
নিষ্ঠুৰ নিয়তীৰ মাতত
হাঁহাকাৰ মন মোৰ, উঠে ধৰ্ফৰনি,
হেৰাই গ'ল মোৰ।
মৰমৰ বুকুৰ জী
মহাকালৰ বুকুত
হেৰাই যায়
মানুহৰ জীৱন,
তাতেই সকলো শেষ।
বতাহ বলিলে
গোলাপৰ পাহি সৰে
অবুজ বেদনা মোৰ
চকুলো সৰে।
নিৰৱে গোপনে,
মাজনীক মোৰ
মোৰ মনত পৰে,
চকুলো বাগৰি আহে
মন মোৰ বিষাদেৰে
আবৰি ধৰে
বুকুৰ কলিজাৰ পৰা
তেজৰ টোপাল
টোপাটোপে পৰে।
কাকনো কম মোৰ
বুকৰ বেদনা,
মনৰ বেদনাশক
আহিবনে কোনোবা
বুজিব মোৰ যাতনা?
কেতেকীৰ হিয়া ভগা মাতত
মন মোৰ
বেদনাৰে ভৰি পৰে
আজলী মাজনী ঐ
তোমালৈ মনত পৰে।
ভাই-ভনী, মা-দেউতা
সকলোকে এৰি
গুছি গ'লা অজান দেশলৈ
থৈ গ'লা বুকুত
চিৰ দিনৰ বাবে
তেজৰ চেকুৰাৰ
অযুত কোলাহ'ল।

সৰু ফুল

✍ ধৰিত্ৰী ৰাভা

পৃথিৱীৰ ফুলনিত
আমি সৰু ফুল,
মৰমেৰে মলয়াতে
নাচি বিয়াকুল।
সৰু সৰু মন আমাৰ
সৰু সৰু গান।
মৌ-মিঠা ৰসে ভৰা
অকণমানিৰ প্ৰাণ!
গোন্ধে আমোল মোল।
সৰু সৰু কথাৰে হয়,
এটি মিঠা গীত
মিলি-জুলি গাঁও
আমাৰ কুমলীয়া চিত!
হৈ ৰঙতে আকুল।◆

বিহু

✍ ৰীণা পূজাৰী

ফাগুন আহিল পলাশ ফুলিল
ধৰাখন ৰঙীয়াল হ'ল
পছোৱা বলিল গছৰ পাত সৰিল
পৃথিৱীখন নঙঠা হ'ল
ফাগুনৰ পিছত চ'তৰ শেষত
ফুলে-পাতে জাতিষ্কাৰ হ'ল,
কুঁহিপাত গছত আনন্দ মনত
দেহা-মন সাত-আঠখন হ'ল।
বহাগ আহিল কপৌ ফুলিল
কুলিয়ে মাতিলে গছত,
মন আনন্দীয়া বিহু বিনন্দীয়া
উচ্ছাসে নধৰে হিয়াত।
ঢোল বাজিল পেঁপা বাজিল
বাজি উঠিল বাহী
নাচনী ওলালে কপৌ ফুল গুজি
কলডিলীয়া খোপাত,
মনৰে উলাহত বিহু মাৰোগৈ
লগৰে সমনীয়াৰ লগত।।
আশীৰ্বাদ লওঁ জেষ্ঠ্যজনৰ
সৰুক দিও মৰম,
এনেদৰেই আমাৰ চেনেহৰ বিহুটি
পালন কৰাৰ নিয়ম।◆

অপেক্ষা

✍ মামনী দাস

বহাগ তোমাৰ অপেক্ষাত আছো মই বৈ
তুমি যে আহিলা পলাশ ৰঙে
ৰঙালী হৈ।
পলাশ তোমাৰ ৰং দেখি কুলিজনীও
উৎসাহত মতলীয়া হৈ
নতুন নতুন মাতেৰে সুৰতে সুৰ মিলাই
মাতিবলৈ ধৰিলে
হেঁপাহৰ বিহুটি আহিলে আপোনজনৰ বাবে
কত যে কল্পনা গুটিফুলৰ
বিহুৱান দিবলৈ
অপেক্ষাত কিমান দিন বৈ থাকিম
মনৰ জ্বলা জুই এঙাৰ হৈ
যৌবনে শেষ হ'ব কিজানি।
তুমি জান আহিবা অপেক্ষাত আছো মই
মনতে ৰঙিলী হৈ
মৰম কণ যাচিবা কপৌ ফুল পিন্ধাবা
নাচিমে ৰাংঢালী হৈ।◆

বাউলী বহাগ

✍ মৌচুমী ব্ৰহ্ম

চ'তৰে চকোৱাই মাগিলে বিদায়
গছ-লতা, তৰু-লতাই ধৰিলে ঠন
আহিলে উজায়ে বৰদৈচিলাজনী
ছন্দময় আকাশত বজালে মাদল মুৰুলী।
বৰ্ময় বনিত সেউজী মেলাৰ ধল,
কোমল সেউজীয়াপাতৰ দাপোনত
বাৰে বাৰে নিজকে বিচাৰি,
আহিলে ভাহি কুলি কেতেকীৰ বিননি।
সুকোমল পাতৰ আঁৰত, বিৰিখৰ মাজত
বিহঙ্গীৰ ৰজনজনাই তোলা কলৰৱ।
পানী যুৰলিত কাৱৈ, পুঠি, মোৱা, খলিহনা
প্ৰথমজাক বহাগৰ ৰিমিঝিমি বৰষুণত।
দীঘলতি মাখিয়তী, ভেদাই, ঢেকীয়া, মানিমুনি
বাৰীৰ পাছত ঠন ধৰি ৰয়,
মন পৰশা বহাগৰ সাতবিহুক লৈ।
মন প্ৰাণ হেৰোৱা নাচনীজাকে
উজাৰিলে হিয়াৰে বতৰা;
উদুলি মুদুলি আজি অসমৰ পদুলি
সেউতী, তৰা, জোনাকী, তগৰৰ হাঁহি।
গা মন উচাতন চঞ্চলা গাভৰু জাকৰ
কলডিলীয়া খোপাত চেনাইয়ে গুজি দিয়া কপৌ,
বুটা বছা গামোছা চেনেহীয়ে দিয়া মেথোনিত চফল ডেকাৰ।
প্ৰাণ পাই উঠিল প্ৰেমৰ বাকৰি
আজি বহাগৰ বাকৰি উদুলি মুদুলি।
আজি বহাগৰ বাকৰি উদুলি মুদুলি।।◆

আহোন

সেউজীয়া

মণিষা বণিক্য

সেউজীয়া সেউজীয়া
এই বিনন্দীয়া পৃথিৱী
গছ গছনি লতা পাতেৰে ভৰা
এই সেউজীয়া পৃথিৱীখনি
গছৰ কুঁহিপাতৰ ৰং সেউজীয়া
দুদিন পাছত হালধীয়া
শুকালে মটিয়া
পাতৰ ৰং সেউজীয়া।
গছৰ ৰং মটীয়া
ফাগুনৰ পছোৱাত
গছে পাত সলায়।
বছৰৰ পিছত বছৰ আহে
বসন্তৰ সেউজীয়া গছৰ পাত।
প্ৰকৃতিৰ সেউজীয়া কুঁহিপাতে
বসন্তৰ আগমন জনায়।
ফাগুনত হেৰুৱা
সেউজীয়া পাতখিনিয়ে
মোৰ নাঙঠ হিয়াত কোবাই
স্মৃতিৰ কাঁইট আৰু ভালপোৱা
এখন আধৰুৱা
ছবি হৈ ৰৈ যায়।
বসন্ত আহিলে আহে প্ৰকৃতিৰ ৰং
সেউজীয়া সুবাস
ফুলফুলা ঋতুৱে
মোৰ মনত আনে
তোমাৰ বুকুৰ সেউজীয়া ছবি।

বহাগ

পৰিণীতা বৰুৱা

সুৰ এটা বাজিছিল
চ'তৰ বতাহ জাকত
নাঙঠ গছত গজি উঠিল
কুমলীয়া সেউজীয়া হাঁহি।
সুৰ এটা বাজিছিল
চ'তৰ বতাহ জাকত
খদমদম প্ৰকৃতি
পখীৰ শুৱলা সংগীতৰ নদী এখনত ডুব গ'ল
অৰণ্য
বৰনীয়া বনৰীয়া ফুলৰ তীব্ৰ মতলীয়া সুৱাসেও ধুৱালে
অৰণ্য
ৰৈ থাকিল
হৃদয় দুৱাৰ খুলি লাহতী নাচনী
সাত দিন
সাত ৰাতি
উলাহৰ উজান
ঢোলে ক'লে বহাগ
পেঁপাই ক'লে বহাগ
ভাহি থাকিল
চৌ দিশে
বহাগ, কেৱল বহাগ
উৰি থাকিল সমন্বয়ৰ পতকা
অসমীয়া জাতিৰ আয়ুস ৰেখা।

আহ্বান



নাচনীহঁতৰ বিহু নাচৰ সন্দৰ্ভত কিছু কথা

✍ খগেন ফুকন

লোকবিশ্বাসক কেন্দ্ৰ কৰি জন্ম হয় লোক-উৎসৱবোৰ আৰু ইয়াৰ মাজত থাকে ধৰ্মৰ লগতে ব্যক্তিগত বা সামূহিক মঙ্গলকামী চিন্তাধাৰা। তেনে এক লোক-বিশ্বাসৰ গইনা লৈ বিহুটো আনন্দৰ উৎসৱ হৈ পৰিল। বসন্তৰ পৰশত নৱ-যৌৱনা প্ৰকৃতিৰ উলহ-মালহত অসমৰ ডেকা-গাভৰুহঁতে কৃষিকাৰ্যত আত্মনিয়োগ কৰিবলৈ উদ্যম লোৱাৰ লগতে ধৰিত্ৰীক উৰ্বৰা কৰি তোলাৰ লোক-বিশ্বাসত যৌৱনে উন্মনা কৰা দেহাই নাচিবলৈ আৰু মনৰ কথা ক'বলৈ বিচাৰে। সেয়ে এক সুবিধাজনক স্থানত ডেকাহঁতে ডেকাৰ ভাগে আৰু গাভৰুহঁতে গাভৰুৰ ভাগে বিহু মাৰে। ডেকাহঁতে ঢোল, তাল, পেঁপা, টকা, গগনা আৰু গাভৰুহঁতে তাল, টকা, গগনা বজাই গীত-মাতেৰে নাচিবলৈ ধৰে। নাচোনৰ গিৰিপনিত ধৰিত্ৰী শস্যসম্ভৱা হৈ সময়ত আশা কৰা মতে ধানমুঠিয়ে সোণোৱালী বৰণ লৈ জিলিকি উঠে।

সংস্কৃতি বোৱতী নৈ। সময়ৰ পৰিৱৰ্তনত গছ তলৰ বিহু আহোম ৰজাৰ পৃষ্ঠপোষকতাত ৰজা, ডা-ডাঙৰীয়াৰ ঘৰলৈ আহি এদিন চোতাল পালেহি। ৰংঘৰৰ বাকৰিত ৰজা-প্ৰজা মিলি ডেকা-গাভৰুহঁতৰ বিহু চাই আনন্দ লভিলে। এনেকৈ লাহে লাহে বিহুৰ নৃত্য-গীত গৃহস্থৰ চোতালৰ পৰা নগৰৰ মঞ্চত উঠিলহি। আগৰ ডেকা-গাভৰুহঁতে বিহু মাৰিছিল নিজে আনন্দ লভিবলৈ। এতিয়া মঞ্চ বিহুত দৰ্শকক আনন্দ দিবলৈ বিহু মাৰিব লগা হ'ল। এনে ক্ষেত্ৰত ডেকা-গাভৰুহঁতে নৃত্য-গীতৰ লগতে সাজ-পাৰত গুৰুত্ব দিয়াৰ আৱশ্যকতা আহি পৰিল। এতিয়া দেখা যায় যে সাজ-পাৰত যি ধৰণে প্ৰতিযোগিতা চলিছে তেনে ধৰণে নৃত্যত আগবঢ়া নাই। সেয়ে গাভৰুহঁতৰ নাচৰ ওপৰত দুটামান কথা লিখাৰ মানস কৰিলো। বিহুৰ নাচনীহঁতৰ নাচৰ ক্ষেত্ৰত আমি সৰুতে বয়োজ্যেষ্ঠ তথা বিহু নাচৰ বিজ্ঞ লোকৰ মুখে যি জানিছিলো, যি শিক্ষা পাইছিলো তাৰ ওপৰত ভিত্তি কৰি নাচনীহঁতৰ নাচৰ বিষয়ে লিখাৰ চিন্তা কৰিলো। এইখিনিতে এটা কথা উল্লেখ নকৰিলে খুঁত এটা থাকি যাব বুলি ভাবি কথাটো বেকত কৰিলো। লোক-নৃত্যৰ কোনো পৰিমাৰ্জিত, ৰীতিবদ্ধ, প্ৰণালীবদ্ধ আৰু সুগভীৰ বান্ধন নাথাকে। সেইবুলি যিকোনো নাচ দিলেই হ'ব জানো? সকলো নাচতে নিজস্বতা আছে। তেনেকৈ বিহুনাচৰো নিজা কিছুমান ভংগী আছে য'ত সোমাই থাকে গ্ৰাম্য জীৱনৰ সহজ, সৰল প্ৰাণচঞ্চল ভংগীমাৰ মূৰ্ত প্ৰকাশ, ঐতিহ্য আৰু পৰম্পৰা। ঐতিহ্য আৰু পৰম্পৰা উপলক্ষ অনুসৰি বিহু নাচৰ ভংগীৰ বিষয়ে ইয়াত উত্থাপন কৰিব খুজিছো।

বিহুৰ নাচনীহঁতৰ নাচৰ ভংগী মূলতঃ চাৰিটা আছিল। এতিয়া বঢ়াই ভালেকেইটা কৰিছে। যদি সকলোকে আদৰি লয় হয়তো এটা দিনত প্ৰকৃত বিহু নাচৰ পৰা ফালৰি কাটি যাব। নাচনীহঁতৰ নাচৰ ভংগীকেইটা তলত উল্লেখ কৰিলো।



আহ্বান

১। ম'হৰ শিং যোৰাৰ দৰে দুই হাতৰ ঠৰুৱা ঘোৰ খোৱাই কাষলতিৰ সম উচ্চতাত ৰাখি হাতৰ আঙুলিবোৰ লগ লগাই দুয়ো হাতৰ সৰু গাঁঠি ভাঙি হাতৰ তলুৱাসহ বাহিৰ আৰু গাৰ ফালে এচাৰ মৰাৰ দৰে ইলুটি সিলুটি কৰি আগা-পিছাকৈ কঁকাল ভাঙি নাচিব। নাচোতে বৃত্তাকাৰে বা সোঁৱে-বাঁৱে আগবাঢ়ি নাচিব লাগে।

২। দুয়ো হাতৰ পিঠি দুখন পিঠিৰ ফালে কঁকালত থৈ (আঙুলিবোৰ লগ লগাই ৰাখিব লাগে) কঁকাল ভাঙি নাচিব। মঞ্চত নাচোতে গতি চালনৰ আৱশ্যকতা আহি পৰে। তেনে ক্ষেত্ৰত সোঁফালে আগবাঢ়িলে বাঁওফালে চাই আৰু বাঁওফালে আগবাঢ়িলে সোঁফালে চাই কঁকাল ভাঙি নাচিলে ভাল দেখে। সন্মুখৰ ফালে চায়ো নাচিব পাৰে। আৱশ্যক অনুভৱ কৰিলে একেদৰে বৃত্তকাৰে নাচিব পাৰে।

৩। হাতৰ বাহু দুটা এডাল সৰল ৰেখাৰ দৰে ৰাখি হাতৰ কিলাকুটিত হাত দুখন লম্ব কৰি লৈ হাতৰ আঙুলিবিলাক লগলগাই ১ নং ভংগীত উল্লেখ কৰাৰ দৰে হাতৰ তলুৱাসহ আঙুলি সঞ্চালন কৰি অগা-পিছাকৈ কঁকাল ভাঙি নাচিব। আৱশ্যক অনুযায়ী সোঁৱে-বাঁৱে টাকুৰী ঘুৰাদি ঘূৰি ঘূৰি নাচিব। যথা সময়ত হাতৰ আঙুলিবোৰ লগ লগাই ওপৰলৈ মূৰ কৰি ৰাখিব।

৪। ৩ নং ভংগীত উল্লেখ কৰাৰ দৰে এখন হাতৰ বাহুৰ ওপৰত কিলাকুটিত হাতখন লম্বভাৱে লৈ হাতৰ তলুৱাসহ আঙুলিবোৰ লগ লগাই ১ নং ভংগীৰ দৰে আঙুলি সঞ্চালন কৰিব আৰু আনখন হাতৰ পিঠিখন আঙুলিবোৰ লগলগাই পিঠিৰ ফালে কঁকালত থৈ আগা-পিছাকৈ কঁকাল ভাঙি নাচিব। আৱশ্যক অনুযায়ী বদলা-বদলি কৰি থাকিব।

ওপৰত উল্লেখ কৰা নাচৰ ভংগীৰ উপৰিও আৰু এটা ভংগীৰ বিষয়ে উল্লেখ কৰিলো যিটো বঢ়াই ল'লে বৰ বেছি এটা আসোঁৱাহ নাথাকিব বুলি ভাবো।

৫। হাতৰ আঙুলি লগলগাই এখন হাত খোপতি ৰাখি আনখন হাতৰ পিঠিখন পিঠিৰ ফালে কঁকালত ৰাখি আগা-পিছাকৈ কঁকাল ভাঙি নাচিব। মাজে মাজে বদলা-বদলি কৰি নাচিব।

বিহু নাচত পদ সঞ্চালনৰ গুৰুত্বৰ ভূমিকা আছে। এই বিষয়ে তলত উল্লেখ কৰিলো।

১। বিহু নাচত পদ সঞ্চালন কৰোতে দুয়োখন ভৰিৰ বুঢ়া আঙুলিৰ ব্যৱধান তিনি ইঞ্চি বা চাৰি ইঞ্চি ৰাখি মঞ্চত সোঁফালৰ পৰা বাওঁফালে আগবাঢ়িলে প্ৰথমে আঙুলি ফালৰ অংশ আগবঢ়াব, পাছত গোৰোহাৰ ফালৰ অংশ আগবঢ়াই যাওঁতে ভৰিৰ পতা মঞ্চত চোঁচোৰাই চোঁচোৰাই যাব লাগে। বাঁওফালৰ পৰা সোঁফালে আগবাঢ়িলেও একেদৰে কৰিব।

২। মঞ্চত সোঁফালৰ পৰা বাওঁফালে আগবাঢ়িলে সোঁ ভৰিখন ঢেঁকী দিয়াৰ দৰে আগবঢ়াই আনখন ভৰি মঞ্চত চোঁচোৰাই চোঁচোৰাই নিব লাগে, বাওঁফালৰ পৰা সোঁফালে আগবাঢ়িলে একেদৰেই কৰিব লাগে।

৩। ঢোলৰ চেৱত কেতিয়াবা বহাৰ দৰে ভংগী দিব লগা হ'লে ভৰিৰ গোৰোহা উঠাব নালাগে। সোঁ ভৰিটো থিয় হৈ থকাৰ দৰে ৰাখি বাওঁফালৰ ভৰিৰ পতাৰ সন্মুখৰ ভাগ মঞ্চত লগাই ৰাখিব লাগে।

বিহু নাম আৰু বাদ্যৰ সমতা ৰক্ষা কৰি নচাৰ ভংগী আৰু পদ সঞ্চালন কৰিব। পদ সঞ্চালনৰ ক্ষেত্ৰত ১ নং আৰু ২ নংত উল্লেখিত পদ সঞ্চালন সুবিধা মতে কৰিব পাৰিব।

বিহু নাচোতে নাচনীয়ে সন্মুখৰ ফালে অলপ হাওলি নাচিলে ভাল হয় আৰু নাচৰ ভংগীৰ লগতে অৰ্থপূৰ্ণ মিচিকি হাঁহিয়ে জেউতি চৰায়।

আজিকালি মঞ্চৰ বিহু নাচত নাচনীহঁতৰ নাচৰ কিছুমান আসোঁৱাহ দেখা পাই তলত উল্লেখ কৰিলো যিটো সংক্ৰামক ৰূপে দেখা দিছে। ধৰাহওঁক ডেকাহঁতে বিহু নাম গালে "হাতৰ দোৰেপতি চলাই ঘনে পতি" তেতিয়া

নাচনীহঁতে তাঁত বোৱা ভংগীৰে নাচ দিয়ে। তেনেকৈ "হাতৰ গামে খাৰু কোনে দিলে বাৰু" বুলি গালে নাচনীহঁতে গাম খাৰুযোৰ ঘৰ্ষণ কৰি ভাওনাত সূত্ৰধাৰীয়ে নৃত্য কৰাৰ দৰে নাচ দিয়ে। এনেদৰে বিহুনামৰ কথাখিনি নাচত ৰূপায়িত কৰা দেখা যায়। নৃত্য নাটিকাত গীতৰ কথা নৃত্যত ৰূপায়িত কৰে, বিহু নাচত নহয়। মিচিংসকলে বিহু নাচত ভুঁই ৰোৱা, ধান কটা, তাঁত বোৱা আদি বিহু নাচত ৰূপায়িত কৰে যদিও ঢোলৰ চাপৰতহে কৰে, গীতৰ কথাত নহয়। বিহু নাচৰ প্ৰতিযোগিতাত কিছুমান নাচনীয়ে দুয়ো হাতৰ আঙুলিবোৰ বৰশীৰ দৰে আকোৰা কৰি বগলীয়ে ডেউকা মাৰি উৰাৰ ভংগীৰে টাকুৰী ঘূৰাৰ দৰে ঘূৰি নিপুণতা দেখাব বিচাৰে যিটো দেখাত কিবা হৈ পৰে। আকৌ কিছুমান নাচনীয়ে নাচৰ ভংগী বঢ়াবলৈ গৈ বিকৃত ধৰণৰ নাচ প্ৰদৰ্শন কৰে। ইয়াৰ উপৰি দুই-এক বিহু দলে বিহু নাচ পৰিবেশন কৰিবলৈ যাওঁতে নাচনীহঁতে লগত সৰুদৈয়া জাপি লৈ মঞ্চত বিহু নাচৰে অংশ হিচাবে ইপাক-সিপাক কৰি জাপি ঘূৰাই এটা সময়ত জাপি থৈ নাচিবলৈ ধৰে আৰু নাচৰ শেষত পুনৰ জাপিটো ইপাক-সিপাক কৰি নাচ শেষ কৰে। আকৌ দুই-এক বিহু দলৰ নাচনীয়ে কাঁহী লৈ নচা কৰিছে। হাতৰ কাঁহী সৰি নপৰাকৈ নাচ দি পাৰ্গতালী দেখুৱাটো চাৰকাচহে, বিহু নাচ নহয়। জাপি আৰু কাঁহী লৈ নচাৰ ক্ষেত্ৰত সত্তৰ দশকত বাতৰি কাকতে-পত্ৰই ইয়াৰ বিপক্ষে বেয়াকৈ সমালোচনা কৰাৰ কথা মনত পৰে। ইয়াৰ ফলত জাপি আৰু কাঁহী লৈ নচা বন্ধ হৈ আহিছিল। আজি কেইবছৰমানৰ পৰা সেই বেমাৰে উক দিছে। কিবা নতুনত্ব দিবলৈ যাওঁতে এনে হ'বলৈ পাইছে যেন অনুমান হয়। বিহু নাচত যিদৰে বিকৃত ৰূপ ল'বলৈ ধৰিছে অন্য লোকনৃত্যত তেনে ধৰণে বিসংগতি পৰিলক্ষিত নহয়। যুগৰ পৰিৱৰ্তনৰ লগত সংস্কৃতিৰো পৰিৱৰ্তন হোৱা স্বাভাৱিক। কিন্তু সেই পৰিৱৰ্তনে যদি বিষয়ৰ অস্তিত্বৰ প্ৰতি ভাবুকি স্বৰূপ হয় সেইটো গ্ৰহণযোগ্য হ'ব জানো? ঘনচিৰিকাই ৰাজহংসৰ দৰে খোজকাঢ়িবলৈ গৈ নিজৰ খোজ পাহৰাৰ দৰে আমাৰ বিহুৱা ডেকা-গাভৰুহঁতেও নতুনত্ব দিবলৈ যাওঁতে এটা দিনত বিহু নৃত্যৰ ঐতিহ্য আৰু পৰম্পৰা যাতে হেৰুৱাই পেলোৱাৰ আশংকাই দেখা দিছে। সেয়ে সময় থাকোতে বিহু নৃত্যৰ ঐতিহ্য আৰু পৰম্পৰা যাতে হেৰাই নাযায় তাৰ প্ৰতি সংস্কৃতিৰ হিতাকাংক্ষীসকল, বিহু নাচৰ বিচাৰক মণ্ডলীসকলে সতৰ্কতা অৱলম্বন কৰাৰ আৱশ্যকতা আহি পৰিছে।◆

সাঁথৰ

১। পাত আছে ডাল নাই, কথা আছে মাত নাই।
☞ কিতাপ।

২। থম থমকৈ বহি থাকে, হেণ্ডচেক দিলে বমি কৰে।
☞ দমকল।

৩। গাত গাঁঠি ডিঙিত মণি চুলি মেলি মাকজনী।
☞ তামোল গছ।

৪। হাবিত কাঁহে ওলায় নাহে।
☞ কুঠাৰ।

৫। ন ভাই, ন ভনী মাজত বহে পিতৃ, এক ঠেলা মাৰি দিলে সকলো মৰে গাঁতত পৰি।
☞ কেৰম বৰ্ড।

তৃষ্ণা ৰাভা



শস্য চপোৱা উৎসৱ

✍ ৰোহিনী শৰ্মা

ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত শস্য চপোৱাৰ সময়ত মকৰ সংক্ৰান্তি, পোংগাল, লোডী আৰু মাঘ বিহুকে ধৰি নানান উৎসৱ অতি উলহ-মালহেৰে পালন কৰা হয়। মকৰ সংক্ৰান্তিত সূৰ্যই উত্তৰায়নত প্ৰৱেশ কৰা সময়ত উদ্‌যাপিত কৰা উৎসৱক উত্তৰায়ন বোলে। এই আটাইবোৰ উৎসৱ কৃষিভিত্তিক। নতুন শস্য চপাই ভঁৰাললৈ নিয়াৰ আগতে সেই শস্যৰ পৰা উৎপাদিত ধান, মাহ, দাইল আদি বিবিধ শস্য আচুতীয়াকৈ ৰাখি ৰাহি হোৱা শস্যখিনি ভঁৰাললৈ আদৰি অনা হয়। নতুন শস্যৰ পৰা উৎপন্ন চাউল, দাইল, মাহ আদিৰ পৰা বিবিধ পিঠা, লাডু আদি সু-স্বাদু খাদ্য সম্ভাৰ তৈয়াৰ কৰি এই উৎসৱত ব্যৱহাৰ কৰা হয়। সংক্ৰান্তিৰ অৰ্থ হৈছে সূৰ্যই উত্তৰ গোলাৰ্দ্ধত প্ৰৱেশ কৰা সময়। অৰ্থাৎ সূৰ্যই ধনু ৰাশিৰ পৰা মকৰ ৰাশিত প্ৰৱেশ কৰা সময়কে উত্তৰায়ন বোলে। সূৰ্যই উত্তৰ দিশত গতি কৰি যেতিয়া উত্তৰ গোলাৰ্দ্ধত প্ৰৱেশ কৰে, তেতিয়া শীতৰ প্ৰকোপ লাহে লাহে কমি আহিব ধৰে। এই উৎসৱৰ লগত কৃষক তথা চহা জীৱনৰ ওতঃপ্ৰোতঃ সম্বন্ধ আছে। বহু কষ্টেৰে খেতি-বাতি কৰি কৃষক ৰাইজে আঘোণ-পুহ মাহত ধান, মাহ, দাইল আদি বিবিধ শস্য চপায়। সেই শস্যৰ পৰা উৎপাদিত ধান, মাহ, দাইল আদিৰ পৰা চাউল তৈয়াৰ কৰি বিবিধ পিঠা, চিৰা, সান্দহ, মাহ-কৰাই আদি বিবিধ খাদ্য, লাডু আদি তৈয়াৰ কৰি প্ৰতি ঘৰে আনন্দেৰে খাই এই উৎসৱ পালন কৰে। ভাৰতৰ বিভিন্ন ৰাজ্যত মকৰ সংক্ৰান্তিত উদ্‌যাপিত কেইটামান উৎসৱৰ বিৱৰণ দাঙি ধৰা হ'ল।

উত্তৰ প্ৰদেশৰ মকৰ সংক্ৰান্তি মেলা

এলাহাবাদত প্ৰায় এমাহ জুৰি মাঘ-সংক্ৰান্তি মেলা উদ্‌যাপিত হয়। ভাৰতৰ বিভিন্ন প্ৰান্তৰ ধৰ্মপ্ৰাণ ৰাইজে এলাহাবাদৰ গঙ্গাৰ তীৰত একাঁঠু পানীত নামি সূৰ্য দেৱতাক পূজা-অৰ্চনা কৰে। এই উৎসৱৰ সময়ত গঙ্গাৰ তীৰত আৰু প্ৰয়াগত বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী চৰাই শীতৰ প্ৰকোপৰ পৰা পৰিত্ৰাণ পাবলৈ নামি আহি জল-কেলি কৰে। পৰ্যটকে তথা ভক্তপ্ৰাণ ৰাইজে ৰং-বিৰঙৰ পৰিভ্ৰমী চৰাইক প্ৰত্যক্ষ কৰি আনন্দত আত্মহাৰা হৈ পৰে। এই উৎসৱ উপলক্ষে তৰোৱাল, ঢাল, ঢোল আদিৰ আকৃতিৰে বিভিন্ন আকাৰৰ মিঠাইৰে তৈয়াৰী মালা উৎসৱৰ মেলাত বিক্ৰী কৰে। গঙ্গাৰ তীৰত অতি উলহ-মালহেৰে ভক্তপ্ৰাণ ৰাইজ তথা পৰ্যটকে এই উৎসৱ পালন কৰে। এই উৎসৱ উপলক্ষে প্ৰতিঘৰে সু-স্বাদু মিঠাই, লাডু তৈয়াৰ কৰি ইঘৰে-সিঘৰৰ মাজত বিলাই অতি আনন্দ-উলাহেৰে পালন কৰে।

গঙ্গা সাগৰ মাঘী মেলা

গঙ্গা সাগৰত (যি স্থলত গঙ্গা নদীয়ে পশ্চিমবঙ্গৰ উপকূলত মিলিত হৈছে।) মাঘী মেলাৰ আয়োজন হয়। হিন্দু শাস্ত্ৰ মতে এই ঠাইতে গঙ্গা দেৱীয়ে পানীত বুৰ মাৰি ভগীৰথ ৰজাক উদ্ধাৰ কৰা বুলি জনশ্ৰুতি আছে। মাঘী মেলা উপলক্ষে



এবিধ বিশেষ ধৰণৰ মিঠাই যাক পিঠি বোলা হয় তৈয়াৰ কৰে। নতুন চাউলৰ পৰা তৈয়াৰ কৰা চাউলৰ গুড়ি, নাৰিকল, কুঁহিয়াৰৰ গুড় আৰু গাখীৰ মিহলাই এইবিধ সু-স্বাদু মিঠাই তৈয়াৰ কৰা হয়। মাঘী মেলা উৎসৱ উপলক্ষে প্ৰতিঘৰতে এই পিঠি তৈয়াৰ কৰি সকলোৱে আনন্দ মনেৰে খায়।

মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ মকৰ সংক্ৰান্তি উৎসৱ

মকৰ সংক্ৰান্তি উৎসৱ উপলক্ষে মহাৰাষ্ট্ৰ আৰু গুজৰাটবাসীয়ে আনন্দমুখী হৈ পৰে। এই উৎসৱত বিভিন্ন প্ৰকাৰৰ সু-স্বাদু মিঠাই, লাডু আদি তৈয়াৰ কৰি সকলোৱে আনন্দমনেৰে খাই উপভোগ কৰে। এই উৎসৱ উপলক্ষে মহিলাসকলে হালধি মিশ্ৰিত কুমকুম ব্যৱহাৰ কৰে আৰু ইঘৰে-সিঘৰৰ মাজত মঙ্গল বাৰ্তা আদান-প্ৰদান কৰে।

এই উৎসৱৰ লগত সংগতি ৰাখি গুজৰাটত চিলা উৰোৱা উৎসৱ পালন কৰা হয়। দেশ-বিদেশৰ অসংখ্য পৰ্যটকে চিলা উৰোৱা উৎসৱত ভাগ লোৱাৰ উদ্দেশ্যে আহমেদাবাদলৈ ঢাপলি মেলে। আহমেদাবাদৰ সৰু-বৰ নগৰ-চহৰৰ প্ৰতিটো ঘৰ চিলা তৈয়াৰ কৰা ক্ষুদ্ৰ উদ্যোগলৈ ৰূপান্তৰিত হয়। মকৰ সংক্ৰান্তি উৎসৱ উপলক্ষে প্ৰায় এমাহ জুৰি প্ৰতিটো ঘৰৰ প্ৰতিজন সদস্যই চিলা তৈয়াৰ কৰা তথা বিক্ৰী কৰা কামত ব্যস্ত হৈ থাকে।

ওড়িশাৰ মকৰ মেলা

ওড়িশাৰ বিভিন্ন প্ৰান্তত বিশেষকৈ কটক, পুৰী, বেলচৰত মকৰ মেলা উদ্‌যাপিত হয়। এই উৎসৱ উপলক্ষে নতুন ধানৰ চাউল, কল, নাৰিকল, পনীৰ, গাখীৰ মিহলাই সু-স্বাদু মকৰ চুলা তৈয়াৰ কৰা হয়। ওড়িশাৰ ভূঞা সম্প্ৰদায়ৰ জনজাতি লোকে মকৰ সংক্ৰান্তি পালন কৰি খেতিপথাৰতে উৎপাদিত বিবিধ শস্যৰে সু-স্বাদু খাদ্য, পিঠা, মিঠাই আদি তৈয়াৰ কৰে। ৰাজহুৱাভাৱে মেজি পুৰি, সমূহীয়া ভোজ-ভাতৰ আয়োজন কৰি ওড়িশাৰ ৰাইজে এই উৎসৱ অতি ধুমধামেৰে পালন কৰে।

তামিলনাডুৰ পোংগাল উৎসৱ

তামিলনাডুত তিনিদিন ধৰি পোংগাল উৎসৱ পালন কৰা হয়। এই উৎসৱৰ প্ৰথম দিনটোক ভোগী বোলে। সেইদিনা পুৰণা কাপোৰ-কানি, বস্ত্ৰ আদি ধুই-পখালি পৰিষ্কাৰ কৰি, ঘৰ-দুৱাৰ চাফ-চিকুণ কৰি শুদ্ধ কৰোৱা হয়। পূৰ্বতে তামিলসকলে নিজ বাসগৃহৰ ঘৰৰ চালত ব্যৱহাৰ কৰা পুৰণি খেৰ সলাই তাৰ ঠাইত নতুন খেৰেৰে ঘৰৰ চাল তৈয়াৰ কৰা প্ৰথা প্ৰৱৰ্তিত আছিল। উৎসৱৰ প্ৰথম দিনা ঘৰৰ পুৰণি খেৰ আদি নানান আৱৰ্জনা পুৰি ছাই কৰি সেইবোৰ শস্যৰ পথাৰত মাটিৰ উৰ্বৰা শক্তি বৃদ্ধিৰ বাবে প্ৰয়োগ কৰিছিল। মকৰ সংক্ৰান্তি মানেই হৈছে পোংগাল উৎসৱ। উৎসৱৰ দ্বিতীয় দিনা এটা পাত্ৰত গাখীৰ আৰু চাউল ভালদৰে সিজাই, সেই দুগ্ধ অন্ন ভগৱানৰ ওচৰত উৎসৰ্গা কৰি প্ৰতিটো পৰিয়ালে সমৃদ্ধি হ'বলৈ প্ৰাৰ্থনা কৰে। উৎসৱৰ তৃতীয় দিনা মাট্টু পোংগাল অৰ্থাৎ সেইদিনা খেতিয়কৰ বন্ধু গৰুক পূজা কৰা হয়। পোংগাল উৎসৱ উপলক্ষে তামিলনাডুৰ প্ৰতিটো পৰিয়ালে মিঠাই, লাড্ডু, পিঠা-পনা আদি তৈয়াৰ কৰি ইঘৰে-সিঘৰৰ মাজত বিলাই আনন্দ মনেৰে পালন কৰে।

তামিলনাডুৰ দৰে কৰ্ণাটকত পোংগাল উৎসৱ পালন কৰা হয়।

পঞ্জাৱৰ লোড়ি উৎসৱ

মকৰ সংক্ৰান্তিৰ দিনা সমগ্ৰ পঞ্জাৱত লোড়ি উৎসৱ পালন কৰা হয়। ডাঙৰ ডাঙৰ মেজি তৈয়াৰ কৰি সেই মেজিৰ জুইত গুড়, মিঠাই, চাউল আদি তৰ্পণ কৰি অগ্নি দেৱতাক পূজা কৰা হয়। গাঁৱৰ ৰাইজে মেজিৰ চাৰিওফালে জুম পাতি নৃত্য-গীত জুৰি প্ৰদক্ষিণ কৰি অতি আনন্দেৰে এই উৎসৱ উদ্‌যাপন কৰে। মকৰ সংক্ৰান্তিৰ দিনাখন ভক্তপ্ৰাণ ৰাইজে স্থানীয় মঠ-মন্দিৰ, গুৰুদ্বাৰত পূজা-অৰ্চনা কৰে। মকৰ সংক্ৰান্তি উৎসৱৰ লগত সংগতি ৰাখি যিসকল সেনানীয়ে মোগল সৈন্যৰ আক্ৰমণৰ পৰা গুৰু-গোবিন্দ

সিঙক ৰক্ষা কৰিছিল; তেওঁলোকৰ স্মৃতিত 'Chali Mukte' উৎসৱ পালন কৰা হয়।

<u>অসমৰ মাঘ বিহু উৎসৱ</u>

পুহ আৰু মাঘ বিহুৰ সংক্ৰান্তিৰ দিনাখনত অসম ৰাজ্যত মাঘ বিহু বা ভোলাগী উৎসৱ পালন কৰা হয়। ভোগালী বিহুৰ আগদিনাখনক উৰুকা বোলে। এই উৰুকা উপলক্ষে ভেলাঘৰ সাজি অসমীয়া ৰাইজে সমূহীয়া ভোজ-ভাতৰ আয়োজন কৰে। ল'ৰা-ডেকা-বুঢ়া সকলোৱে সমূহীয়া ভোজৰ আয়োজন কৰি অতি আনন্দ মনেৰে ভোজ-ভাত খাই উৰুকা পালন কৰে। মাঘ বিহুৰ প্ৰথম দিনাখন ডেকা-বুঢ়াই ৰাতিপুৱাতে উঠি মেজিত জুই জ্বলাই অগ্নি দেৱতাক পূজা কৰে। এই উপলক্ষে মেজিৰ চাৰিওফালে ৰাইজ সমবেত হৈ নাম-কীৰ্তন কৰি, মাহ-চাউল, মাহ-কৰাই আদি দি অগ্নিক পূজা কৰে। দৰাচলতে কৃষিভিত্তিক এই ভোগালী উৎসৱে অসমীয়া জাতীয় জীৱনৰ ছবি প্ৰতিফলিত কৰে। আঘোণ আৰু পুহ মাহত শস্য চপাই ঘৰলৈ অনাৰ পিছত এই উৎসৱৰ আয়োজন আৰম্ভ হয়। মাঘ বিহু প্ৰধানতঃ অগ্নি পূজা, নৰা কাটি মেজি সজা, উৰুকা পালন কৰি ভোজ-ভাত খোৱা, নতুন চাউলৰ পৰা চিৰা, সান্দহ, বিভিন্ন পিঠা, নাৰিকলৰ লাডু, তিলৰ লাডু, মাহ কৰাই ভজা আদি সু-স্বাদু খাদ্য সম্ভাৰেৰে অতি ধুম-ধামেৰে অসমৰ ৰাইজে প্ৰতি বছৰে পালন কৰা কৃষিভিত্তিক উৎসৱ।◆

নীতি বচন

(সংকলক ঃ পূৰ্ণলাল সেনাপতি)

কথা কমকৈ ক'বা, কাম বেছিকৈ কৰিবা, আনক উপদেশ কমকৈ দিবা, সজ লোকৰ উপদেশ বেছিকৈ শুনিবা

— (চক্ৰেটিছ)

আনে কি কৰিছে সেইটো ভবাতকৈ নিজে কি কৰিছা তাক ভবাহে দৰকাৰ। তেতিয়াহে দহৰ আৰু দেশৰ সেৱা কৰা হ'ব।

— (ৰাজা ৰামমোহন ৰায়)

ব্যক্তিৰ চৰিত্ৰৰ ওপৰতেই সমাজৰ উজ্জ্বল ভৱিষ্যত নিৰ্ভৰ কৰে। — (লৰ্ড কেনিং)

আনৰ পৰা একো আশা নকৰাজনে আটাইতকৈ ভাগ্যবান, কাৰণ তেওঁ কেতিয়াও নিৰাশ হ'ব লগা নহয়।

— (আলেকজেণ্ডাৰ পোপ)

জীৱনৰ মহত্বপূৰ্ণ সমাপ্তি জ্ঞানত নহয়, কৰ্মতহে। — (হাক্সলি)

শিক্ষক এডাল মমবাতিৰ দৰে যি নিজে গলি আনক পোহৰ কৰে। — (সুভাষ চন্দ্ৰ বসু)

পৃথিৱীত দুটা শক্তি আছে, এটা তৰোৱাল, আনটো কলমৰ। দুয়োটাৰে ভিতৰত প্ৰচণ্ড প্ৰতিযোগিতা আৰু শত্ৰুতা আছে। এই দুটাতকৈ অধিক শক্তিশালী তৃতীয় এটা শক্তি আছে— সেইটো হ'ল নাৰী শক্তি। -(জৰ্জ ছাণ্টয়ন)।

কিছুমান ভুল নুশুধৰালে অপকাৰ হয়। কিন্তু কিছুমান ভুল শুধৰাবলৈ গ'লে ধ্বংস হয়। বৰঘৰৰ খুটাবোৰ ভুলকৈ পুতি ঘৰটো সজাৰ পিছত খুটাবোৰ শুদ্ধকৈ খুৱাবলৈ গ'লে গোটেই ঘৰটো ভাঙিব লাগিব।

— (জ্যোতিপ্ৰসাদ আগৰৱালা)

আহ্বান



আনিনিত ৰঙ্গালী কেনেকৈ উপভোগ কৰিলো

মিত্ৰদেৱ শৰ্মা

প্ৰাক্কথন ঃ ১৯৬৯ চনৰ মাজভাগৰ পৰা ১৯৭৩ চনৰ প্ৰথম দুমাহলৈ লোহিত জিলাৰ দিবাং মহকুমাৰ সদৰ আনিনিতি মোৰ চাকৰি জীৱনৰ আৰম্ভনী কৰিছিলো। সাগৰ পৃষ্ঠৰ পৰা প্ৰায় ৬০০০ ফুট উচ্চতাৰ এই স্থানৰ প্ৰায় কেউকাষে ১৮/১৯ হেজাৰ ফুট ওখ পৰ্বতমালাবোৰ বছৰৰ ৬/৭ মাহ বৰফেৰে আবৃত থাকে। সদৰৰ পশ্চিম চুকত হেলিপেড আৰু উৰাজাহাজেৰে খাদ্যবস্তু পেলোৱা মুকলি স্থান। ড্ৰি আৰু মাথু নদ মহকুমা সদৰৰ উত্তৰ আৰু পশ্চিম দিশৰ পৰা বৈ আহি অতিৰিক্ত উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ নিলগৰ মাতুলিত মিলি দিবাং নাম লৈ দক্ষিণৰ পিনে বৈ দিহং লোহিত, দেউপানী আৰু আন বহুজুৰি শদিয়াত মিলি মহাবাহু ব্ৰহ্মপুত্ৰ নাম লৈছে। ইয়াৰ পৰা মাথু বা ড্ৰি নদীৰ উৎপত্তি স্থল মেকমোহন লাইন বা তিব্বতৰ সীমালৈ প্ৰায় ৬০ কিলোমিটাৰ হ'ব। স্থানীয় জনজাতিসকলক 'ইদুমিছিমি' বোলা হয়। ভৈয়ামৰ মানুহে তেওঁলোকে কপালৰ আগৰ চুলি খুৰায়, পিছফালে ছোৱালীৰ দৰে চুলি দীঘলকৈ থয় বাবে চুলি কটা মিচিমি বুলি কয়। সেই কালত আনিনি যাবলৈ হ'লে বৰ্তমানৰ নিম্ন দিবাং জিলাৰ সদৰ ৰ'য়িঙৰ পৰা ১৬ দিন খোজকাঢ়ি যাব লাগিছিল। অথবা ভাৰতীয় বিমান বাহিনীৰ 'কেৰিবু' বা হেলিকোপ্টাৰত মোহনবাৰীৰ পৰা উঠি (খাদ্যবস্তুৰ বাবে ব্যৱস্থিত জাহাজত) যাব লাগিছিল। মানুহৰ বসতি অতি সেৰেঙা। প্ৰতি বৰ্গ কিলোমিটাৰত ৬ জন মাত্ৰ। জনজাতিয়ৰ শিক্ষা ১৯৬২ চনৰ পিয়ল অনুসাৰে ৭ % মাত্ৰ আছিল। প্ৰশাসনিক কেন্দ্ৰ মহকুমাখনত ৬ টা। চৰকাৰী কৰ্মচাৰীসকল প্ৰায়েই নেফা (অৰুণাচল প্ৰদেশ)ৰ বাহিৰৰ ভাৰতৰ বিভিন্ন ৰাজ্যৰ লোক। মাত্ৰ চৰকাৰী দোভাষী (কটকী কোৱা হয়) আৰু কিছুমান চতুৰ্থ শ্ৰেণীৰ লোক স্থানীয় বাসিন্দা। কাৰ্যালয়ৰ কেৰাণীসকলৰ অৰ্ধেক অসমৰ বিভিন্ন জিলাৰ ডেকা ল'ৰা। কেইজনমান কেৰেলাৰ, বিহাৰ বা আন হিন্দী বলয়ৰ কৰ্মচাৰীও আছিল। বৰশী বোৱা, তাঁচ খেলি সময় কটোৱা দেখিছিলো প্ৰায়বোৰ চাকৰিয়ালে। অথবা সন্ধিয়া হ'লে ইদু কৰ্মচাৰীৰ ঘৰলৈ গৈ (লাওপানী) খায়। চিকিৎসা বা শিক্ষা, বিজুলী যোগান, শাক-পাচলি বা গাখীৰৰ অভাৱ আজি অসুবিধাৰ বাবে আনিনিত কৰ্মচাৰীসকলে নিজৰ পত্নীক লগত নাৰাখিছিল। অজনজাতীয় মূলৰ প্ৰায় দুশ লোকৰ মাজত মাত্ৰ এক ডজন মানহে নিজৰ পৰিয়ালসহ থকা দেখিছিলো।

বিষয় প্ৰৱেশ ঃ আনিনিত নতুন চাকৰিত যোগদান কৰাৰ প্ৰায় এসপ্তাহৰ ভিতৰত অসমৰ পৰা তালৈ চাকৰি কৰিবলৈ যোৱা সকলো কৰ্মচাৰীৰ লগত বন্ধুত্ব গঢ়ি উঠিল। আমাৰ দৰং (বৰ্তমান শোণিতপুৰ)ৰ শ্ৰী থানেশ্বৰ ভূঞা আৰু নাহৰকটিয়াৰ শ্ৰী প্ৰভাত চাংমাইৰ লগ লাগি আনিনিৰ ইতিহাসত প্ৰথমবাৰৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱ

তিথি ১৯৬৯ চনত পালন কৰা হয়। অন্ধ্ৰপ্ৰদেশৰ গাণনিক বিষয়া শ্ৰী কে. ভি. আৰচাৰি আৰু অতিৰিক্ত সহকাৰী আয়ুক্ত শ্ৰী মানপুঙৰ উৎসাহ আৰু সহযোগত আমি ব'হাগৰ বিহু উলহ-মালহেৰে পতা, হুঁচৰি গোৱা, বিহু ভোজ আয়োজন কৰা চিন্তা কৰিব ধৰিলো। শ্ৰীচাৰিৰ দেৱৰ সক্ৰিয় সহযোগত তিথিৰ বাবে সংগ্ৰহ কৰা প্ৰায় এশ টকা বাহি হৈছিল।

এদিন শ্ৰী প্ৰভাত চাংমাই, যোগব্ৰত চেটাৰ্জী, কমলেশ্বৰ গগৈ, মহেশ্বৰ গগৈ আদি কেইজনমানৰ লগত শ্ৰীযুত মানপুঙৰ পৰিবাৰ নাঙ ৰি মানপুঙৰ ওচৰলৈ যাওঁ। ৰঙালী বিহুৰ কথা উলিওৱাৰ লগে লগে তেখেত আনন্দিত আৰু আবেগিক হৈ উঠিল। তেখেত নাৰায়ণপুৰৰ (উত্তৰ লখিমপুৰৰ) খাম্‌তি জনগোষ্ঠীৰ ছোৱালী বুলি গম পালো। দুদিনমানৰ পিছত আনিনিৰ সকলো অজনজাতীয় কৰ্মচাৰী মিলি বিহু কমিটী এটা নিৰ্বাচিত কৰিলে। শ্ৰী যোগব্ৰত চাটাৰ্জী সভাপতি, মই সচিব, শ্ৰী প্ৰভাত চাংমাই ধন ভঁৰালী, শ্ৰীযুত চাৰি, শ্ৰীযুত মানপুঙ উপদেষ্টাৰূপে ৰাখি ব'হাগৰ বিহু আনিনিত পতা, হুঁচৰি গোৱা আদি নিৰ্ণয় হ'ল। মানপুঙ বাইদেৱে বসন্তোৎসৱৰ বিষয়ে সুন্দৰ বক্তব্য আগবঢ়াইছিল। আন দুজনমানৰ লগতে ময়ো অসমীয়া নতুন বছৰ আৰু বিহুৰ বিষয়ে কৈছিলো। মানপুঙ বাইদেউৰ লগত আমি আটায়ে বিহু নাচিছিলো। ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কৰ্মচাৰীও আমাৰ বিহু সন্মিলনত যোগদান কৰিছিল। আমাৰ ডেকাবোৰে ভৈয়ামৰ পৰা নিয়া বৰা চাউল, তিল, নাৰিকল আদিৰে তিল পিঠা, লাডু আদিও বনাই ৰাইজৰ মাজত বিতৰণ কৰিছিল। সভাৰ মুখ্য আকৰ্ষণ স্থানীয় ইদু সমাজৰ গাওঁবুঢ়া, চৰকাৰী পলিটিকেল জামাদাৰ শ্ৰী আক্ৰ মিহু, কটকী শ্ৰী তাদে তাচো (পিছলৈ অৰুণাচল চৰকাৰৰ মন্ত্ৰী) চৰকাৰী উচ্চ পদস্থ বিষয়াবৰ্গ প্ৰায়কেইজনেই উপস্থিত আছিল।

সন্ধিয়া নমাৰ আগে আগে সমগ্ৰ আনিনিবাসী মোৰ চৰকাৰী আবাসত উপস্থিত হৈছিল। চীনা সীমান্তৰ কাষৰ সৰু প্ৰশাসনিক কেন্দ্ৰৰ মানুহে হুঁচৰি আৰম্ভ কৰিব। ইয়াৰ আগত হেনো কাহানিও দিবাং উপত্যকাৰ ৰাইজে অসমীয়াৰ বিহু দেখা নাছিল। আনিনিৰ অতিৰিক্ত উপায়ুক্ত শ্ৰী পি. ভি. জয়কৃষ্ণনৰ ঘৰত প্ৰথমে হুঁচৰি গোৱাৰ নিৰ্ণয় লোৱা হ'ল। তেখেতক আমাৰ মাজৰ দুজনমান গৈ আগতীয়াকৈ খবৰ দিলে। মেখেলা-চাদৰ, গাম খাৰু আদি পিন্ধি শ্ৰী মহেশ্বৰ গগৈ আৰু এছ. এছ. বিত কাম কৰা শ্ৰী আতামা মিলি নামৰ ইদু ডেকা-গাভৰু নাচনীৰ ভেশচনত ওলাল। আনিনিবাসীৰ মাজত এজন কোঁৱৰ উপাধিৰ ডেকা বৰ পাকৈত ঢুলীয়া ওলাল। তেওঁ ইদু দোকানি এজনৰ লগত থাকি কাপোৰ চিলোৱা কাম কৰিছিল। বিহুৰ প্ৰায়বোৰ সুৰৰ গীত নিজেই ৰচনা কৰে, সুৰ দিব জানে আৰু গায়। জেং বিহু, জোৰা নাম (ডেকা-গাভৰুৱে গোৱা) আৰু বিহুগীত আৰু নৃত্যৰ বিবিধতা তেওঁৰ নৃত্যত লক্ষ্য কৰিছিলো। নাচনি (নাচনী) দুয়োই প্ৰশিক্ষিতৰ দৰেই আছিল। প্ৰভাত, কমলেশ্বৰ, পদ্মেশ্বৰহঁতে পেঁপা, গগনা, বাঁহীত মাজে মাজে সুৰ লগায়। শদিয়াৰ পৰা ধুবুৰীলৈকে অসমৰ প্ৰায়বোৰ জিলাৰ ডেকা আমাৰ দলত আছিল যদিও সুনিপুণ বিহুৱা আৰু নাচনী ডিব্ৰুগড় আৰু শিৱসাগৰৰ ল'ৰাই দেখিছিলো। আমি জাতি-ধৰ্ম-ভাষাৰ ভেদাভেদ অতিক্ৰম কৰি সকলোৰে ঘৰত হুঁচৰি গাইছিলো। মুক্ত হস্তে সকলোৱে আমাক টকা দিছিল। হুঁচৰি আৰু অসমীয়া বিহু সংস্কৃতিয়ে সমগ্ৰ আনিনিকে মুগ্ধ কৰিবলৈ সক্ষম হৈছিল। প্ৰায় ৬ হেজাৰ টকা আমাৰ সংগ্ৰহ হৈছিল।

স্থানীয় ইদু পৰিয়ালে জোৰ কৰি আমাক তেওঁলোকৰ চোতাললৈ (চাংঘৰ) নিমন্ত্ৰণ কৰি নিছিল। আগতেই কোৱা হৈছে যে এয়া ১৯৭০ চনৰ ব'হাগৰ কথা। সেই টকাৰে ৰাজহুৱা ভোজ পতা মনত আছে। ভোজত সকলোৱে অংশ লৈছিল। বাহি টকাৰে দুৰ্গা পূজাত ভাওনা আৰু থিয়েটাৰ পাতিবলৈ সাজ-পোছাক কিনা হৈছিল। অসমীয়া অঙ্কীয়া ভাওনা, বঙ্গালী নাটক আৰু হিন্দী নাটক মঞ্চস্থ কৰা হৈছিল। ভাওনাত আৰু বঙ্গালী নাটকত ভাও লোৱাৰ সেয়ে আছিল মোৰ প্ৰথম অভিজ্ঞতা। আমি বাহি

হোৱা কিছু টকা আনিনি ছাব পোষ্ট অফিচত একাউণ্ট খুলি ৰাখিছিলো। ইয়াৰ পিছৰ দুটা বছৰ ১৯৭১ আৰু ১৯৭২ চনতো ৰঙালী বিহু পতা হৈছিল। সেই টকাৰে দুৰ্গোৎসৱত ভাওনা, নাটক আৰু সাংস্কৃতিক কাৰ্যক্ৰম ৰখা হৈছিল। ১৯৭৩ চনৰ মাঘ মাহত মই আনিনিৰ পৰা স্থানান্তৰিত হৈ পাছিঘাটলৈ যাওঁ। কিন্তু আনিনিৰ সেই বিহুৱলীয়া ডেকাবোৰৰ স্মৃতি মচিব নোৱাৰা হৈ ৰৈ গ'ল মানসপটত।

১৯৮৫ চনত আকৌ এবাৰ বদলি হৈ আনিনি যাব লগা হৈছিল। ১৫ বছৰ আগৰ চিনাকি শ্ৰী যোগব্ৰত চেটাৰ্জী তেতিয়া বৰ বাবু হৈ আছে। পদ্মেশ্বৰ গগৈ, মুহিৰাম গগৈ তেতিয়াও আনিনিত। শ্ৰী সুবিৰ বৰুৱা প্ৰজেক্ট ডিৰেক্টৰ, ডাঃ ৰবিন কলিতা, ডাঃ বৰগোহাঁঞি আদি ন ন উৎসাহী নতুন সহযোগী লগ পালো। সেই দুবছৰো বিহু, দুৰ্গোৎসৱ আদিত মই অগ্ৰণী ভূমিকা ল'ব লগা হ'ল। অৱশ্যে আনিনিৰ বহুখিনি সলনি হ'ল। শ্ৰী তাদে তাচো তেতিয়া আনিনিৰ বিধায়ক। ৰ'য়িং আৰু আনিনিৰ মাজত গাড়ী চলাচল কৰিব পৰা ৰাস্তাৰ নিৰ্মাণ প্ৰায় সম্পূৰ্ণ হৈছিল। কেঁচা ঘৰ প্ৰায়বোৰ পকা হ'ল। আমাৰ হুঁচৰি দলত ন ন সদস্য ওলাল। কিন্তু অসমীয়া ডেকাৰ সংখ্যা কমিল। চৰকাৰী কৰ্মচাৰীৰূপে স্থানীয় ডেকা-গাভৰুক দেখিলো। বিহুৰ সমাপ্তিৰ পিছত চৰকাৰী কটকীক বিহু ভোজৰ বাবে ছাগলী আনিবলৈ টকা দি গাঁৱলৈ পঠিওৱা হৈছিল। তেওঁ বুঢ়ী দাঁত নথকা ছাগলী আনিলে। নিজৰ লাজ-মান বচাবলৈ শেষ মুহূৰ্তত নকৈ ছাগলী বিচাৰি আনিব লগা হ'ল।

অসমীয়া জাতীয় কৃষ্টিৰ ৰক্ষণাবেক্ষণ দেশৰ আওহতীয়া স্থানত থাকিও এইদৰে ৰক্ষা কৰিব লগা হৈছিল। বিহুৱলীয়া ডেকা কেইজনমানৰ মধুৰ স্মৃতি মচিব নোৱাৰাকৈ মানসপটত ৰৈ গ'ল।◆

নীতি বচন

(সংকলক ঃ পূৰ্ণলাল সেনাপতি)

মানুহৰ জন্ম পৰাজয়ৰ বাবে নহয়, জয়ৰ বাবেহে। —(আৰ্ণেষ্ট হেমিংৱে)

ভদ্ৰলোকহৈ জন্মগ্ৰহণ কৰাটো এটা আকস্মিক ঘটনা মাত্ৰ, কিন্তু ভদ্ৰলোক হৈ মৃত্যুবৰণ কৰিব পৰাটো হ'ল সাধনাত সিদ্ধি লাভ।

এপাচি বিদ্যাতকৈ এমুঠি সততাৰ মূল্য বহুত বেছি।
—(জৰ্জ হাৱাট)

এজন মানুহ সকলো সময়তে বীৰ হ'ব নোৱাৰে, কিন্তু মানুহ হ'ব পাৰে।

আহ্বান

নলিনীবালা দেৱীৰ সান্নিধ্যৰ কিছু স্মৃতি

✍ কণিকা বৰদলৈ

চিৰ সুন্দৰৰ তপস্বিনী, ভাষা জননীৰ পূজাৰিণী অতীন্দ্ৰিয়বাদী কবি নলিনীবালা দেৱী সম্বন্ধত মোৰ বাইদেউ আৰু পৰিয়ালৰ 'বৰ বাইদেউ' হিচাপেই তেওঁ আমাৰ চিৰ নমস্য আছিল। কৰ্মবীৰ প্ৰয়াত নবীন চন্দ্ৰ বৰদলৈৰ প্ৰথমা কন্যা হিচাপে ৰায়বাহাদুৰ মাধৱ চন্দ্ৰ বৰদলৈ পৰিয়ালৰ তেওঁ আছিল প্ৰথম পো-নাতিনী। যৌথ পৰিয়ালৰ মাজত তেওঁ আটাইতকৈ ডাঙৰ আছিল কাৰণে বাকী বয়সতকৈ সৰু ভাই-ভনীবিলাকৰ মাজত তেওঁ 'বৰবাইদেউ' হিচাপেই পৰিচিত আছিল আৰু জ্যেষ্ঠসকলে মৰমতে মতা নাম আছিল নুলা। সৰু ভাই-ভতিজাহঁতৰ কাৰণে তেওঁ আছিল 'বৌটি'। মই তেওঁৰ বৰদেউতাক প্ৰবোধ চন্দ্ৰ বৰদলৈৰ সৰু জীয়ৰী আছিলো কাৰণে বৰবাইদেউৰ লগত মোৰ বয়সৰ ব্যৱধান যথেষ্ট আছিল। সেই কাৰণেই তেওঁ মোৰ মাতৃতুল্য আছিল। শৈশৱৰ কালছোৱাত তেওঁৰ লগত থাকিবলৈ বৰ ভাল পাইছিলো যদিও বয়সৰ ব্যৱধানত বৰ ওচৰ চাপিবলৈ সাহস কৰা নাছিলো। আমাৰ যৌথ পৰিয়ালত বয়সৰ তাৰতম্য হিচাপে ল'ৰা-ছোৱালীবোৰ বেলেগ বেলেগ ভাগত ডাঙৰ হৈছিল। সেইদৰে কাম কৰা লিগিৰীহঁতৰ লগতো আমাৰ দৈনন্দিন সময়বোৰ নিৰ্দিষ্ট ধাৰাৰে বান্ধি দিয়া হৈছিল। মা-আই-বৌৰ সান্নিধ্য আমি খুব কম পাইছিলো, কাৰণ তেওঁলোকে যৌথ পৰিয়ালৰ এখন ডাঙৰ গৃহস্থালি চলোৱাৰ তদাৰক কৰিব লাগিছিল। কৈশোৰৰ পৰাহে আমি জ্যেষ্ঠসকলৰ লগত মিলিবলৈ সুবিধা পাইছিলো, কাৰণ গধূলি সময়ত খুড়াদেউ নবীন চন্দ্ৰ বৰদলৈৰ পকা চোতালত বহি আমি প্ৰাৰ্থনা, বৰগীত, কীৰ্তন আদি গাবলৈ শিকিছিলো। তুলসীৰ তলত চাকি জ্বলাই যেতিয়া আমি প্ৰাৰ্থনা কৰিছিলো তেতিয়া জোনবাইৰ বুকুত থকা দাগবোৰ দেখি তুলসীৰ তলত মৃগ পহু চৰে বুলিয়েই ভাবি আমি ডাঙৰ হৈছিলো। কিন্তু আজি এই গ্ল'বেলাইজেশ্যনৰ যুগত কণ কণ ল'ৰা-ছোৱালীক জানো এনে আখ্যানেৰে পতিয়ন নিয়াব পাৰিব! এয়া যুগৰ পৰিৱৰ্তন বুলি আমি লৈছো।

বৰবাইদেউৰ মহান ব্যক্তিত্বৰ প্ৰভাৱ আমাৰ সকলোৰে ওপৰতেই পৰিছিল। প্ৰাক্ স্বাধীনতা যুগৰ এখন ৰক্ষণশীল সমাজৰ এগৰাকী বাল বিধৱা হিচাপে জীৱনৰ মাজ বয়সতেই এটাৰ পিছত এটাকৈ দুটি পুত্ৰ সন্তান হেৰুৱাই বাইদেৱে মানসিকভাৱে যি যন্ত্ৰণাত ভুগিছিল সেই নিদাৰুণ সত্যকো আকোঁৱালি লৈ, এখন গোড়া সমাজৰ ৰীতি-নীতিক পৱিত্ৰ মনেৰে পালন কৰি নানা ধৰ্মগ্ৰন্থ ঃ গীতা, ভাগৱত আদি অধ্যয়ন কৰি পিতৃৰ উপদেশত 'মহাশ্বেতা' ৰূপ ধাৰণ কৰি চিৰ সুন্দৰৰ চৰণতে মন-প্ৰাণ অৰ্পণ কৰিছিল। তেওঁৰ স্কুলীয়া শিক্ষা নাছিল যদিও সৰুতেই সোমেশ্বৰ বৰুৱাৰ ওচৰত কাব্য চৰ্চা কৰিবলৈ সুযোগ পাইছিল আৰু প্ৰখ্যাত পণ্ডিত গোপালকৃষ্ণ দেৱৰ ওচৰত সংস্কৃত ভাষা শিকি পুৰাণ, ভাগৱতৰ পৰা গভীৰ জ্ঞান লাভ কৰিছিল। তেওঁ নিঃসঙ্গ জীৱনৰ ব্যথাভৰা অনুভূতিৰে, আধ্যাত্মিক চিন্তা-চৰ্চাৰে, কৰুণ ৰসেৰে সিক্ত আৰু ভক্তি ৰসৰ বন্যাৰে, প্ৰাণ পৰশা সকৰুণ গীতবোৰ আৰু ভক্তিমূলক গীতবোৰ লিখিবলৈ প্ৰেৰণা পাইছিল। তদুপৰি পিতৃৰ আদৰ্শত অনুপ্ৰাণিত হৈ বহুতো

জাতীয় চেতনাবোধৰ গীতো ৰচনা কৰিছিল। কিন্তু তেওঁ এগৰাকী প্ৰখ্যাত ৰাজনীতিবিদৰ জীয়ৰী হৈয়ো কোনোদিনেই ৰাজনীতি কৰা নাছিল। 'পূজো দেউলতে মোৰ জ্বলে পৰাণ প্ৰদীপ...', 'পাষাণ-দেৱতা নোহোৱা তুমি' আদি গীতবোৰ তেওঁৰ জী-নাতি মুকুল বৰুৱাৰ সুৰেৰে আমিও সেই সময়ত খুব গাইছিলো। তেওঁৰ জাতীয় চেতনাবোধৰ "অ মোৰ ভাৰতী আই..." প্ৰাণৰ মাজত জ্বলে ভাৰতৰ জ্বলন্ত স্পন্দন...' আদি গীত-কবিতাবোৰ গাই আমিও দেশপ্ৰেমত উদ্বুদ্ধ হৈ পৰিছিলো। এইদৰেই তেওঁৰ মহান আদৰ্শৰ প্ৰভাৱ আমাৰ জীৱনত পৰিছিল।

ৰবাইদেউ এনে এগৰাকী মহীয়সী নাৰী আছিল যে তেওঁ কেতিয়াও কাৰো ওপৰত আধিপত্য বিস্তাৰ নকৰিছিল; কিন্তু অতি আন্তৰিকতা আৰু মৰমেৰে আমাক বহুত ভাল ভাল উপদেশ দিছিল। ইয়াৰ ফলত আমাৰ কীৰ্তন, ভাগৱত পঢ়াৰ প্ৰতি আৰু গধূলি প্ৰাৰ্থনা গীত, স্তুতি গীত আদি গোৱাটো আমাৰ অভ্যাসত পৰিণত হৈছিল। আমাৰ এগৰাকী বাৰ বছৰ বয়সতে বিধৱা হোৱা পেহীও আমাৰ পৰিয়ালৰ লগতে আছিলহি। বাইদেউ আৰু পেহীহঁতৰ মুখত শুনি শুনি বঙালীতে লিখা ৰামায়ণ, শৰৎ চন্দ্ৰ, বঙ্কিম চন্দ্ৰ, ৰবীন্দ্ৰ নাথৰ কিতাপবোৰ পঢ়াত আমাৰ মানসিক উৎকৰ্ষ সাধন হৈছিল।

তাহানিখন আমি গধূলি সময়ত খুৰাদেউৰ গাড়ী ৰখা বাৰাণ্ডাতে আটাইবোৰ বহিছিলো। ৰবাইদেৱেও আমাৰ লগতে বহি দেশ-বিদেশৰ কথা, সেই সময়ৰ স্বৰাজ আন্দোলনৰ কথা, কোন কোন বিশ্ববৰেণ্য নেতা বৰদলৈৰ হাউলিলৈ আহিছিল, জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ পদাৰ্পণে বৰদলৈৰ হাউলিক কেনেকৈ ধন্য কৰি থৈ গৈছিল আদি কথাবোৰ কৈছিল, সেইবোৰ শুনি নিজ চকুৰে নেদেখিলেও উপলব্ধি কৰিছিলো নিস্বাৰ্থভাৱে দেশ সেৱা, সমাজ সেৱা কৰাত কিমান আনন্দ আৰু তৃপ্তি পোৱা যায়।

আমাৰ সেই বৰদলৈ পৰিয়ালৰ চৌহদতে ৰবাইদেৱে কেইজনমান উৎসাহী যুৱক আৰু ব্যক্তিৰ প্ৰচেষ্টাত ১৯৫২ চনত 'পাৰিজাত কানন' নাম দি কণ কণ ল'ৰা-ছোৱালীৰ মানসিক তথা শাৰীৰিক উৎকৰ্ষৰ কাৰণে এটি অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। এই অনুষ্ঠানৰ লগত জড়িত হৈ পৰিছিল ভৱানন্দ দত্ত, বীৰেন্দ্ৰ নাথ দত্ত, তফজ্জুল আলি, প্ৰকাশ শৰ্মা, ৰত্ন কুমাৰ গৌতম, কন্দৰ্পেশ্বৰ শৰ্মা আৰু ছোৱালীৰ ভিতৰত ৰেণুকাদেৱী বৰকটকী, ৰমা দেৱী, তুলতুল ভৰালী (বৰুৱা), জোনা বৰুৱা, প্ৰণীতা তালুকদাৰ। আমাৰ পৰিয়ালৰ জীয়ৰীবোৰেও মিলি সৰু সৰু ল'ৰা-ছোৱালীবিলাকক গান-বাজনা, খেল-ধেমালি শিকাইছিলো। এই ক্ষেত্ৰত ৰবাইদেউৰ পৰা আমি খুব উৎসাহ পাইছিলো। তেতিয়া এনে ধৰণৰ শিক্ষাবিলাক বিনামূলীয়া আছিল আৰু টকাৰ জোখেৰে কোনো ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ উৎকৰ্ষ সাধন কৰাৰ প্ৰবৃত্তি কাৰো নাছিল। ১৯৫৪ চনত 'পাৰিজাত-কানন'ৰ অধিৱেশনখন বৰ ধুম-ধামেৰে পতা হৈছিল।

আমাৰ হাউলিটোলৈ সেই সময়ত বহুতো সাধু-সন্যাসীৰ আগমন হৈছিল। পূজা-অৰ্চনাৰে, ভগৱৎ প্ৰেমৰ নিজৰাৰে পবিত্ৰময় হৈ পৰা পৰিৱেশৰ কাৰণেই এই সাধু-সন্যাসীসকল আহিছিল। পৰশুকুণ্ডলৈ, কামাখ্যাধামলৈ আহি আমাৰ চৌহদত আচম্বিতে আহি তেওঁলোকৰ চৰণ ধূলি আমাৰ হাউলিত পেলাইছিলহি। তেওঁলোক কিন্তু দান-দক্ষিণা লোৱা, কবৰ-তাবিজ দিয়া ধৰণৰ সাধু নাছিল। নিষ্কাম মনেৰে তেওঁলোকে আমাৰ ঘৰৰ জ্যেষ্ঠসকলৰ লগত ধৰ্মালোচনা কৰিছিল। ৰবাইদেৱেও তেওঁলোকৰ লগত তত্ত্বগধুৰ আলোচনা কৰিছিল ধৰ্মৰ বিষয়ে।

ৰবাইদেউৰ একমাত্ৰ পুত্ৰ প্ৰয়াত উপেন্দ্ৰ কুমাৰ চাংককতিয়ে চাকৰি সূত্ৰে অসমৰ বেলেগ বেলেগ ঠাইলৈ বদলি হৈ যোৱাৰ কাৰণে আৰু ৰবাইদেৱেও পুত্ৰৰ লগতে যাবলগীয়া হোৱাত আমি বাইদেউৰ সান্নিধ্যৰপৰা আঁতৰি পৰিবলগীয়া হৈছিল। ৰবাইদেউ নলিনীবালা দেৱীৰ সান্নিধ্যত আমাৰ পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰে সামাজিক, সাংস্কৃতিক দিশত যথেষ্ট আগুৱাই যাবলৈ সুবিধা পাইছিলো। তেওঁৰ আন্তৰিকতাপূৰ্ণ আত্মিক সম্পৰ্কই আমাৰ সকলোকে এডালি চেনেহৰ ডোলেৰে বান্ধি ৰাখিছিল।◆

বিহুৰ পটভূমিত আজিৰ অসমীয়া

ভাৰতী ভট্টাচাৰ্য্য

বছৰৰ বাৰ মাহে অগণন উৎসৱ-পাৰ্বণ, পূজা-পাতাল, বঁটা-বাহনৰ সভা-সমিতি অতি আড়ম্বৰেৰে পাতি ব্যস্ত থাকিবলৈ লোৱা অসমীয়া মানুহে, বিশেষকৈ চহৰ অঞ্চলৰ মানুহে উৎসৱৰ উন্মত্ততাত যেন দেই গৈছে সকলো সীমাৰেখা। সংস্কৃতিৰ নাম আওৰাই থাকোতে খহি পৰিছে বাৰে ৰহণীয়া সংস্কৃতিৰ পোছাকযোৰ। অপ-সংস্কৃতিৰ ধোঁৱাই আবৰিছে অসমৰ আকাশ-বতাহ।

এনেকৈ ধিনদৌদৌৱা গাই ২০১৪ চনটো পাৰ হ'ব খোজোতেই, সেই চনৰে শেষৰ ফালে খ্ৰীষ্টমাছৰ প্ৰাক্ মুহূৰ্তত, ২৩ ডিচেম্বৰ তাৰিখে সন্ত্ৰাসজৰ্জৰিত কোকৰাঝাৰ আৰু শোণিতপুৰ জিলাত বড়ো উগ্ৰপন্থীৰ (সংবিজিৎ গোট) নিৰ্মম আক্ৰমণৰ বলি হ'ল ৩৭ জন আদিবাসী লোক, জীৱন ঘূণীয়া হ'ল আৰু বহুতো, প্ৰাণ বচাই আহিব পৰাসকলে কেঁচুৱা, বুঢ়া-মেথাক লৈ কদৰ্পহীন অৱস্থাত আশ্ৰয় শিবিৰত ঠাই ল'লেহি। জ্বলা জুইত ঘিউ দিবলৈ সততে সাজু হৈ থকা দূৰদৰ্শন চেনেলবোৰে অহৰহ উত্তেজনাময় বাতৰি প্ৰকাশ কৰি পৰিবেশ আৰু উত্তাল কৰি তুলিলে। আমি আটায়ে খুব কান্দিলো। দূৰদৰ্শন চেনেলবোৰৰ উদ্যোগত পুৰণা কাপোৰ-কানি দুৰ্গতসকললৈ আগবঢ়ালো। সেই ছেগতে বহুতে নিজৰ ফটাচিটা কামত নহা কাপোৰ-কানি উলিয়াই জঞ্জাল কমালে বুলিও শুনা গৈছে।

এই ঘটনাৰ ঠিক পাছতেই আহিল ১ জানুৱাৰী, ২০১৫। আমি ঠাইতেই চেঙেলি লুটি পাৰিলো। দুখ-বেজাৰ, দুৰ্গতসকলৰ হাহাকাৰ সকলো পাহৰি নতুন বছৰক আদৰিলো। আমাৰ আয়োজন, ফুৰ্তি-তামাচা ক'তো অকমানো হীনদেৰি নহ'ল।

ইয়াৰ পিছতেই আহিল বাপতিসাহোন মাঘৰ বিহুটি। অসমীয়া কাৰণে মাঘৰ বিহুৰ তাৎপৰ্য্য কি সেই কথা পাহৰিলে বা নাজানিলেও উৎসৱ এটা এনেয়ে যাবলৈ দিব নোৱাৰি। পূৰ্ণোদ্যমে বিহুৰ আয়োজন চলিল। মাছৰ ঘাটত বিৰদি বাট পাবলৈ নোহোৱা হ'ল। মদ আৰু মঙহৰ দোকান মানুহে ভাঙো যেন কৰিলে। আমি কৰকৰীয়া নোট ভাঙি কৰা আয়োজনৰ আগত লখিমী ঘৰলৈ চপাই অনা কৃষকৰ আনন্দ মোলান পৰিল।

এযাৰ কথা আছে বোলে ব'হাগৰ আগতে ঢোলত চাপৰ পৰিব নাপায়। এইবোৰ কথালৈ এতিয়া কোনো কেৰেপ কৰে, কিংবদন্তী হোৱা মঘাই ওজাৰ দেশত। দূৰদৰ্শনৰ পৰ্দাত জিলিকি উঠিল নামী শিল্পীৰ ঢোল বাদনৰ দৃশ্য। যিমান জাৰ পৰিছে তাতকৈ বেছি চৌখিন গৰম কাপোৰ পিন্ধা নাচনীয়ে পেণ্ট পিন্ধিয়েই ব'হাগৰ বিহুনাচৰ পাক মাঘতেই দিলে। ক'তো এটা প্ৰতিবাদৰ ধ্বনি নুঠিল। মুধাফুটা নাৰী সংগঠনবোৰেও একো নামাতিলে। কোনেও আহ্বান নজনালে— "সন্ত্ৰাসৰ বলি হোৱাসকললৈ সন্মান

আহ্বান

জনাই এইবাৰ আমি মাঘৰ বিহুটো অনুষ্ঠুপিয়াকৈ পাতো আহক বুলি।" অসম সঁচাকৈ এতিয়া নেতৃত্বৰ দৈনতাত ভুগিছে।

সকলো বস্তুৱেই পৰিৱৰ্তনশীল। পৰিৱৰ্তন অবিহনে জীৱন, সভ্যতা-সংস্কৃতিৰ প্ৰকৃত মূল্যায়ন হ'ব নোৱাৰে। প্ৰকৃত পৰিৱৰ্তনে মানৱ সভ্যতা তথা সংস্কৃতিক উন্নতৰ পৰা উন্নততৰ কৰিব লাগিব। যি পৰিৱৰ্তনে আমাক আধোমুখী কৰে, আমাৰ অস্তিত্বক বিপন্ন কৰে তাক পৰিৱৰ্তন বুলিব নোৱাৰি। আমাৰ ৰাজহুৱা কাৰ্যকলাপবোৰে জাতি হিচাপে অসমীয়াক আৰু অসমীয়া সংস্কৃতিক অৱনমিত কৰিছে।

আমি সৰুতে বিহু তিনিটাৰ বিষয়ে ৰচনা লিখিছিলো। এতিয়াৰ ল'ৰা-ছোৱালীয়েও লিখে। এই ৰচনাবোৰত বিহুৰ প্ৰকৃতি বিশেষ সলনি হোৱা নাই। বছৰৰ ভিন ভিন ঋতুৰ লগত সঙ্গতি ৰাখি বিহু তিনিটা পালন কৰা হয়। প্ৰত্যেকটো বিহুৱেই কৃষি তথা কৃষকৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। বসন্তৰ আগমনত গছ-বিৰিখে পাত সলালে, আঁহতজোপাত কপৌ ফুলিলে, বাৰীৰ ঢাপৰ টিলিকি আমজোপা মলিয়ালে, কুলিৰ মাতত আকাশ-বতাহ মুখৰিত হ'ল। চহা মানুহৰ মন আনন্দে নধৰা হয়। কৰ্মঠ ডেকা-গাভৰুৰ মনত প্ৰাকৃতিক প্ৰেমৰ সঞ্চাৰ হয়। নিজৰ মনৰ মানুহৰ লগত ঘৰখন পাতিবৰ মন যায়। স্বতঃস্ফূৰ্তভাৱে অসমীয়া ডেকা-গাভৰুৰ প্ৰাণৰ পৰা নিগৰি ওলায় এফাকি বিহুনাম। সহজ-সৰল পৰিশ্ৰমী জীৱন পদ্ধতি আৰু উন্মুক্ত প্ৰকৃতিয়েই তেওঁলোকৰ কৰ্মশালা।

মানুহৰ জীৱনত অভাৱৰ কিমান গুৰুত্বপূৰ্ণ ভূমিকা সেয়া কাতি বিহুৱে আমাক শিকায়। কাতি মাহত উদং পথাৰত চাকি-বন্তি জ্বলাই আৰু নৈবেদ্য আগবঢ়াই কৃষকে পথাৰ ভৰা সোণালী ধানৰ কাৰণে প্ৰকৃতিক প্ৰাৰ্থনা জনায়।

আঘোণত লখিমী চপাই আনি ভঁড়াল ভৰাই খেতিয়কে বছৰটোৰ কাৰণে নিশ্চিত হয়। মাঘত সেয়ে নিজহাতে কৰা শস্য আৰু শাক-পাচলিৰে এসাঁজ লগে ভাগে খায় মাঘৰ উৰুকাত। সেই সময়ত নৈ, জান-জুৰিত মাছ-পুঠিও উভয়নদী হয়। এই সময়ছোৱা পৰিশ্ৰমী চহা মানুহৰ ক্ষন্তেকীয় অৱসৰ-বিনোদনো বুলিব পাৰি। এই উৎসৱবোৰ পালন কৰোতে প্ৰকৃতিৰ বহন ক্ষমতালৈও নিৰক্ষৰ গাঁৱলীয়া মানুহে চকু দিয়ে। মাঘ বিহুৰ দিনা পুৱা লাগনি গছত বান্ধ দি বছৰটোৰ কাৰণে ফলৱতী হৈ থাকিবলৈ প্ৰাৰ্থনা কৰে। মানুহৰ কাৰণে অতি প্ৰয়োজনীয় আৰু অন্যতম প্ৰাকৃতিক শক্তি অগ্নিক মাঘৰ বিহুৰ দিনা পূজা কৰা হয়।

সময়ৰ তাগিদাত ব'হাগৰ বিহু আহি নগৰৰ মঞ্চত উঠিলহি। পথাৰ আৰু গছতলৰ বিহু নগৰীয়া মানুহেও উপভোগ কৰিবলৈ সুবিধা পালে। বিহুক এখনি বহল মঞ্চ দিবৰ কাৰণেই সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ উদ্যোগত প্ৰথম মঞ্চ বিহুৰ আয়োজন কৰা হ'ল। ইয়াৰ পিছৰ পৰ্যায়ত অসমৰ বিভিন্ন ঠাইত বিহু মঞ্চত বিহু পতা হ'ল। অসমৰ ৰাজধানী হৈ থাকোতে শ্বিলঙৰ অসমীয়া সমাজে অতি পৰিচালিতভাৱে শ্বিলংবাসী সকলো গোষ্ঠীৰ মানুহৰ সহযোগত বিহু পাতিছিল। তাত আমি অসমৰ অতি ভিতৰুৱা অঞ্চলৰ পৰা অহা শিল্পী আৰু কলা-কুশলীৰ অনুষ্ঠান চাবলৈ পাইছিলো। প্ৰয়াত পুৰুষোত্তম দাস ৰচিত 'শ্ৰীময়ী অসমীৰ শীতল বুকুত' গীতটি বিহুৰ পতাকা উত্তোলন কৰোতে অসমৰ সকলো বিহুতলীতে গোৱাৰ সিদ্ধান্ত লোৱা হ'ল। এইবোৰ সাংস্কৃতিক পৰিক্ৰমাৰ দিশত উল্লেখযোগ্য দিশ।

কিন্তু আশীৰ দশকৰ শেষমানৰ পৰা সকলো ৰাজহুৱা ক্ষেত্ৰতে দ্ৰুত অৱনতি ঘটিল। দ্ৰুতগতিত নামি অহা অৰ্থনৈতিক উন্নয়নৰ পদাঙ্ক। তাৰ ছাঁতে গা কৰি উঠা নিবনুৱা সমস্যা, সন্ত্ৰাসবাদ, হত্যা, লুণ্ঠন, চৰকাৰী টকাৰ আত্মসাৎ, কৰ্মবিমুখতা তথা সহজলভ্য ধনৰ প্ৰতি আকৰ্ষণে অসমীয়াৰ অস্তিত্ব আৰু জাতীয় চৰিত্ৰত মাধমাৰ সোধালে। ইয়াৰ ফলত অৱনমিত হ'ল আমাৰ সংস্কৃতি। বাৰেবঙলুৱা কাৰ্যকলাপেৰে আমি নিজকে উপলুঙা কৰিলো।

আহ্বান

আমাৰ গাতে লাগি থকা ৰাজ্য পশ্চিমবঙ্গত দুৰ্গা পূজা জাতীয় উৎসৱ হিচাপে পালন কৰা হয়। এই উৎসৱৰ গইনা হৈ তেওঁলোকে সুন্দৰকৈ নিজৰ সংস্কৃতি প্ৰদৰ্শন, পালন আৰু প্ৰসাৰৰ বাবে মননশীল প্ৰয়াস কৰে। ইয়াৰ উপৰিও দুৰ্গা পূজা তেওঁলোকৰ অৰ্থনীতিৰ লগতো জড়িত; যি প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জীৱিকাৰ বাট মোকলাই দিছে বহুতকে। গোটেই বছৰ ধৰি পশ্চিমবঙ্গৰ বুজন সংখ্যক মানুহে দুৰ্গা পূজাৰ নানান কামত ব্যস্ত থাকে। আনকি আমাৰ দুৰ্গা পূজাৰ সময়তো মণ্ডপ সজোৱা আৰু আলোকসজ্জাৰ কাৰণে পশ্চিমবঙ্গৰ লোক আনিব লগা হয়। কিন্তু আমাৰ বিহুকেইটাক ভিত্তি কৰি আমাৰ কোনো অৰ্থনীতি গঢ় লৈ নুঠিল। গামোছাখন নহ'লে আমি ব'হাগ বিহুৰ কথা ভাবিব নোৱাৰো। তেনেকৈ মঞ্চই মঞ্চই বিহু নাচি ফুৰা নাচনীসকলৰ হাজাৰটকীয়া মুগাৰ সাজ দেখিলে চকু কপালত উঠে। কিন্তু আজি আমাৰ শিপিনীসকলৰ দুৰৱস্থাৰ কথা কাৰো অজ্ঞাত নহয়। মুগা শিল্প মৃতপ্ৰায়। ইয়াৰ পূৰ্ণ সুযোগ বাহিৰৰ বণিকসকলে গ্ৰহণ কৰিছে আৰু আমি সকলোফালৰ পৰাই সংকুচিত হৈ আহিছো। চতুৰ ৰাজনীতি কৰাসকলে এই সুযোগতে প্ৰাচীন অসমীয়া জাতিৰ সংজ্ঞাৰ প্ৰশ্ন তুলি আমাক আৰু বিভ্ৰান্ত, দিশহাৰা কৰি তুলিছে। শ্ৰী হোমেন বৰগোঁহাইৰ দৰে বুদ্ধিজীৱিয়ে আৰু দুশ বছৰ মানতে এজনো অসমীয়া নাথাকিব বুলি আশঙ্কা প্ৰকাশ কৰিছে। প্ৰয়াত ভূপেন হাজৰিকাদেৱে ব'হাগক অসমীয়াৰ আয়ুস ৰেখা বুলিছে। এই আয়ুস ৰেখাৰ সীমনাত ঠিয় হৈ তেওঁৰেই এফাকি গীত আওৰাব খুজিছো—

"আমি অসমীয়া নহওঁ দুখীয়া বুলি
শান্তনা লভিলে নহ'ব।
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসমতে ভগনীয়া হ'ব।"

কিন্তু কলীয়া ডাৱৰৰ ৰূপালী ৰেখাৰ দৰে এতিয়াও কিছু গুণী-জ্ঞানী, সমাজ সচেতন তথা অসমক ভালপোৱা লোকে আমাৰ বিহুকেইটাক প্ৰকৃত ৰূপত জীয়াই ৰাখিবলৈ আশাসুধীয়া প্ৰচেষ্টা চলাই আছে। তেওঁলোকৰ গৱেষণামূলক কামকাজ, সময় উপযোগী লিখনি আৰু মাজে সময়ে দিয়া সাক্ষাৎকাৰ আদিত সেই কথাবোৰ গম পোৱা যায়। আমাৰ সকলোৰে কৰ্তব্য এইচাম মানুহৰ কাৰ্যক ফলৱতী হোৱাত সহায় কৰাটো। আহক আমি বিহুৰ সাতামপুৰুষীয়া গৰিমা অক্ষুণ্ণ ৰাখি তাক নতুন ৰূপত সজাই বিশ্ব দৰবাৰদত নিজকে প্ৰকৃত অসমীয়া বুলি পৰিচয় দিওঁ।◆

আহ্বান

ভক্ত প্ৰহ্লাদ

✍ অঞ্জলি দত্ত

সনত, সনাতন, সুনন্দ আৰু সনৎ কুমাৰ— এইসকলক একেলগে চাৰিসিদ্ধ বোলা হয়। তেওঁলোক ভক্তিত সিদ্ধি লাভ কৰিছিল আৰু ঋষি-মুনি আৰু দেৱতা আদি সকলো মহাভক্তৰ ভিতৰত শ্ৰেষ্ঠ ভক্ত আছিল। তেওঁলোক দেখাত পাঁচ বছৰীয়া শিশুৰ দৰে। তেওঁলোক ব্ৰহ্মাৰ মানস পুত্ৰ।

চাৰিসিদ্ধই ভগৱানৰ নাম লৈ অতি আনন্দ মনেৰে গোটেই ব্ৰহ্মাণ্ডতে ভ্ৰমণ কৰি ফুৰিছিল। এদিন গৈ গৈ তেওঁলোক বৈকুণ্ঠ পালেগৈ। বিষ্ণুৰ মন্দিৰৰ দুৱাৰৰখীয়া জয় আৰু বিজয়ে তেওঁলোকক সাধাৰণ মানুহ বুলি ভাবি ভিতৰলৈ সোমাবলৈ নিদিলে। কাৰণ সিদ্ধসকলৰ বেশভূষা আছিল সাধাৰণ। তেওঁলোকে কাপোৰ-কানিৰ ফালে মন নিদিছিল। জয়-বিজয়ে বাধা দিয়াত চাৰিসিদ্ধৰ খং উঠিল আৰু জয়-বিজয়ক অভিশাপ দি ক'লে— "বৈকুণ্ঠত থাকিও তহঁতে ইমান অহংকাৰ কৰিছ। তহঁত বৈকুণ্ঠৰ উপযুক্ত নহৱ। গতিকে অসুৰ হৈ পৃথিৱীত জন্ম লগৈ যা।"

অভিশাপ শুনি জয়-বিজয়ে কাকুতি-মিনতি কৰিবলৈ ধৰিলে। বিষ্ণুৱে চাৰিসিদ্ধক আদৰ-সাদৰ কৰি বহুৱালে আৰু জয়-বিজয়ক তেওঁলোকৰ ব্যৱহাৰৰ কাৰণে উপযুক্ত শাস্তি পোৱা বুলি কৈ পৃথিৱীত জন্ম ল'বলৈ পঠালে।

"বৈৰ ভাৱে চিন্তিবাহা মোক
অল্পকালে পাইবা ত্ৰাহি লোক।"

তিনিটা জন্ম বৈৰভাৱে চিন্তিলে সোনকালে বৈকুণ্ঠ পাবা বুলি পৃথিৱীলৈ পঠাই দিলে। এয়া আছিল জয়-বিজয়ৰ অভ্যাগতক আদৰণি নজনোৱাৰ ফল।

সেই মতে জয়ৰ জন্ম হ'ল হিৰণ্যক্ষ ৰূপে আৰু বিজয়ৰ জন্ম হ'ল হিৰণ্যকশিপু ৰূপে। বৰাহৰূপী বিষ্ণুৰ হাতত হিৰণ্যক্ষৰ মৃত্যু হ'ল। তাকে দেখি হিৰণ্যকশিপুয়ে বিষ্ণুক শত্ৰু বুলি ধৰি লৈ সকলো বিষ্ণু ভক্ত লোকক মাৰি-কাটি অত্যাচাৰ কৰিবলৈ ধৰিলে। ইয়াৰ পিছত তেওঁ অতি কঠিন তপস্যা কৰি ব্ৰহ্মাক সন্তুষ্ট কৰি বৰ ল'লে যে তেওঁ দিনতো নমৰে, ৰাতিও নমৰে, অস্ত্ৰ-শস্ত্ৰই কাটিব নোৱাৰে, জলত বা স্থলত, জীৱ-জন্তুৰ হাতত ক'তো মাৰিব নোৱাৰাৰ বৰ লয়। সেই বৰৰ প্ৰভাৱত তেওঁ যথেষ্ট স্বেচ্ছাচাৰী হৈ ৰাজ্য শাসন কৰিবলৈ ধৰে।

দৈত্যৰাজৰ পুত্ৰ প্ৰহ্লাদ আকৌ জন্মৰ পৰাই শান্ত-শিষ্ট আৰু পৰম বিষ্ণু ভক্ত। প্ৰহ্লাদৰ মাতৃ কয়াধুয়ে প্ৰহ্লাদ গৰ্ভত থাকোতে নাৰদ মুনিৰ মুখে বিষ্ণুৰ মহিমাৰ কথা শুনিছিল। জন্মৰ পিছতো এই কথাবোৰ প্ৰহ্লাদৰ মনত থাকি গ'ল আৰু তেওঁ মহাভক্ত হৈ উঠিল। লগৰ ল'ৰাৰ লগত খেল-ধেমালি নকৰি তেওঁ এজাক ল'ৰা গোটাই গৈ বিষ্ণু ভক্তিৰ কথা শিকাইহে বেছি ভাল পাইছিল।

হিৰণ্যকশিপুৰ গুৰু আছিল শুক্ৰাচাৰ্য। শুক্ৰাচাৰ্যৰ দুই পুত্ৰ যণ্ড আৰু অমৰ্কই হিৰণকশিপুৰ ৰাজসভাত আছিল।

প্ৰহ্লাদে যণ্ড আৰু অমৰ্কৰ (যণ্ডামৰ্ক) ওচৰত বিদ্যা শিক্ষা গ্ৰহণ কৰে। তেওঁলোকে প্ৰহ্লাদক দৈত্যই পঢ়িবলগীয়া শাস্ত্ৰবোৰ পঢ়ুৱাইছিল। কিন্তু তেওঁ একান্ত বিষ্ণু ভক্ত আছিল। আনহাতে, তেওঁৰ পিতৃ আছিল বিষ্ণু বিদ্বেষী। হিৰণ্যকশিপুয়ে প্ৰহ্লাদক বিষ্ণু ভক্তিৰ পৰা বিৰত কৰিবলৈ সকলো উপায় অৱলম্বন কৰি ব্যৰ্থ হয়। সেয়ে তেওঁ পুতেকক নানা ধৰণৰ শাস্তি দিয়ে। বাৰে বাৰে প্ৰহ্লাদে বিষ্ণুহে সকলোতকৈ ডাঙৰ ভগৱান, প্ৰকৃত শিক্ষা হ'ল বিষ্ণু ভক্তিহে বুলি দেউতাকক বুজাবলৈ লোৱাত তেওঁৰ খং বাঢ়ি গ'ল আৰু প্ৰহ্লাদক হত্যা কৰিবলৈ দৈত্যবোৰক আদেশ দিয়ে। ৰজাৰ আদেশ শুনি জাকে জাকে দৈত্যই অস্ত্ৰ-শস্ত্ৰ লৈ প্ৰহ্লাদক আঘাত কৰিবলৈ ধৰিলে কিন্তু আচৰিত কথা প্ৰহ্লাদৰ গাত লাগি চোকা অস্ত্ৰবোৰ ভোটা হৈ পৰিল। তাতো সুফল নহৈ বিষাক্ত সাপৰ দ্বাৰা দংশন কৰা কামত লগালে, কিন্তু বিষাক্ত সাপ ফুলৰ মালালৈ পৰিণত হ'ল। তাত সফল নহৈ ঐৰাৱত হাতীৰ দাঁতেৰে খুচি প্ৰহ্লাদক হত্যা কৰাৰ বাবে দৈত্যৰাজে আদেশ দিলে। কিন্তু হাতীৰ কঠিন দাঁত প্ৰহ্লাদৰ গাত লাগি চূৰ্ণ-বিচূৰ্ণ হ'ল। উপাইবিহীন হৈ জ্বলন্ত জুইত পেলাই দিলে, কিন্তু নোপোৰে। তেওঁৰ আছিল একমাত্ৰ ভগৱান সহায়। নিৰন্তৰে বিপদত দুখ-সুখ হৰণ কৰোতাজনৰ নাম লৈ থকাৰ কাৰণে তেওঁৰ গাৰ নোম এডালো লৰাব নোৱাৰিলে। ওখ পাহাৰৰ পৰা তললৈ পেলাই দিলে তাতো ভগৱানে হাত পাতি ধৰিলে। শেষত হিৰণ্যকশিপুৰ সকলো চেষ্টা বিফল হ'ল। প্ৰহ্লাদে সকলো শাস্তি হাঁহিমুখে গ্ৰহণ কৰিলে।

হিৰণ্যকশিপুয়ে পুত্ৰৰ অহিত চিন্তা কৰি নিজৰ মৰণহে মাতি আনিলে। শেষত যণ্ডামৰ্কে বৰুণৰ পাশেৰে বান্ধি লৰচৰ কৰিব নোৱাৰাকৈ ৰাখি ধৰ্ম-কৰ্মৰ শিক্ষা দিবলৈ ধৰিলে। গুৰুৱে শিক্ষা দিয়াৰ সময়ত যদিও শিক্ষা গ্ৰহণ কৰি থাকিল গুৰুৰ ওচৰৰ পৰা আঁতৰি আহিয়েই লগৰ শিশুসকলক শক্তি আৰু ভক্তিৰ বিষয়ে শিক্ষা দিবলৈ ধৰিলে। লগৰ শিশুসকলক কেনেকৈ হৰিৰ প্ৰতি আসক্তি হ'ল আৰু নাৰদ ঋষিক কেনেকৈ লগ পালে সকলো কথা ক'বলৈ ধৰিলে। প্ৰহ্লাদৰ পিতৃয়ে যেতিয়া ঘোৰ বনত তপস্যা কৰিছিল সেই সময়ত ইন্দ্ৰই তেওঁৰ মাতৃক হৰণ কৰিছিল আৰু বাটত নাৰদ ঋষিয়ে পাই ঋষিৰ আশ্ৰমত ৰাখি প্ৰহ্লাদক গৰ্ভত ধাৰণ কৰি থকা মাতৃক (কয়াধুক) ভগৱানৰ বিষয়ে বিভিন্ন উপদেশ দিছিল আৰু গৰ্ভতে থাকি তেওঁ (প্ৰহ্লাদে) সকলোবোৰ শ্ৰৱণ কৰিছিল।

"মাতৃ পাশৰিলা লভিয়া স্বামী
ঋষিৰ প্ৰসাদে সুমৰো আমি।"

ভগৱান সকলোৰে আত্মা স্বৰূপ, মনুষ্য জন্মই সকলো জীৱৰ ভিতৰত শ্ৰেষ্ঠ। সুখ-দুখ, জন্ম-মৃত্যু সকলো প্ৰাণীতে বিদ্যমান। কিন্তু একমাত্ৰ মানুহেহে ভগৱানক চিন্তা কৰিব পাৰে। পৃথিৱীত মনুষ্য ৰূপে জন্ম গ্ৰহণ কৰি ভগৱানক চিন্তা নকৰিলে মনুষ্য জন্ম লোৱা অসাৰ। যিমানেই ধন-সোণ, পুত্ৰ-ভাৰ্যা নাথাকক প্ৰাণে দেহ এৰাৰ লগে লগে একো লগত নাযায়। গতিকে মানুহে ক্ষণস্থায়ী বস্তুৰ প্ৰতি আসক্তি নহৈ জীৱৰ মুক্তিৰ বাবে ভগৱানৰ চৰণত প্ৰাৰ্থনা কৰিব লাগে। তেতিয়া জীৱৰ মোক্ষ লাভ হয় আৰু পুনৰ জন্ম মৃত্যুৰ কষ্ট পাব নালাগে। দৈত্য শিশুসকলে প্ৰহ্লাদৰ উপদেশ মানি হৰি ভক্তি পৰায়ণ হ'বলৈ ধৰিলে আৰু গুৰু যণ্ডামৰ্কৰ উপদেশ ওফৰাই পেলালে।

ৰজাই যণ্ডামৰ্কৰ মুখে পুত্ৰৰ কথা শুনি খঙত একো নাই হৈ কাটিবলৈ উদ্যত হ'ল। কাটি পেলালেনো কোন হৰিয়ে আহি প্ৰহ্লাদক ৰক্ষা কৰে চাবলৈ ওলাল।

ভগৱন্তৰ প্ৰতি সুদৃঢ় বিশ্বাস থকা শিশু প্ৰহ্লাদক হৰি ক'ত আছে বুলি দেখুৱাই দিবলৈ কোৱাত ভগৱান সমস্ততে বিৰাজমান বুলি কৈ শিলৰ স্তম্ভ এটা দেখুৱাই তাতো ভগৱান আছে বুলি ক'লে। এই কথা শুনি 'চাও তোৰ বিষ্ণুটোক' বুলি হাতত থকা গদাৰে স্তম্ভটোত এটা প্ৰচণ্ড কোব মাৰিলে। স্তম্ভটো ভাঙি গ'ল। ভগৱানৰ প্ৰতি অটল বিশ্বাস থকা প্ৰহ্লাদৰ

আহ্বান

সত্য ৰক্ষাৰ হেতু স্তম্ভৰ মাজত ভগৱান আবিৰ্ভাৱ হ'ল। ভগৱান কিন্তু চাৰি হস্ত (শঙ্খ, চক্ৰ, গদা, পদ্ম) লৈ আবিৰ্ভাৱ হোৱা নাই। মেঘে গৰজাৰ দৰে ভয়ঙ্কৰ শব্দ কৰি স্তম্ভটোৰ পৰা ওলাই আহিল এক ভয়ঙ্কৰ প্ৰাণী। আধা সিংহ, আধা মানুহৰ দৰে তেওঁৰ ৰূপ। এটা বিকট ৰূপ লৈ হিৰণ্যকশিপুৰ আগত দেখা দিলে ভয়ঙ্কৰ নৰসিংহ মূৰ্তি ৰূপে। সেই ৰূপ দেখি হিৰণ্যকশিপুৰ যদিও ভয় লাগিল তথাপি নিজ শক্তি প্ৰয়োগ কৰি গদাৰে নৰসিংহক প্ৰহাৰ কৰিবলৈ ধৰিলে। শেষত সাপে এন্দুৰ ধৰাৰ দৰে নিজৰ কেশৰ জোঁকাৰি ভয়ংকৰ অট্টহাস্য কৰি নিজৰ উৰুত চিত কৰি পেলাই সন্ধিয়া সময়ত নখেৰে পেট ফালি নিমিষতে মাৰি পেলালে। পেটৰ নাড়িবোৰ মূৰত মেৰিয়াই তেওঁ ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিলে।

নৰসিংহৰ ভয়ংকৰ ৰূপ দেখি দেৱতাসকলো কঁপি উঠিল। নৰসিংহৰ খং মাৰ নোযোৱা দেখি ব্ৰহ্মাই লক্ষ্মীদেৱীক অনুৰোধ কৰিলে। কিন্তু লক্ষ্মীদেৱীয়েও তেওঁৰ খং কমাবলৈ নোৱাৰিলে। তেতিয়া ব্ৰহ্মাৰ উপদেশমতে পাঁচ বছৰীয়া শিশু প্ৰহ্লাদে তেওঁৰ ভৰিত পৰি প্ৰণতি জনালে। প্ৰহ্লাদৰ ভক্তিপূৰ্ণ প্ৰাৰ্থনাত নৰসিংহৰ খং মাৰ গ'ল আৰু দুয়োহাতে প্ৰহ্লাদক তুলি ধৰি কি বৰ লাগে সুধিলে। প্ৰহ্লাদে হৰিৰ চৰণত একমাত্ৰ মন ৰখাৰ বাবে প্ৰাৰ্থনা জনালে আৰু পিতৃয়ে তেওঁৰ ওচৰত কৰা সমস্ত অপৰাধ মাৰ্জনা কৰিবৰ বাবে প্ৰাৰ্থনা জনালে। নৰসিংহই প্ৰহ্লাদৰ দৰে পূণ্যবান পুত্ৰ জন্ম দিয়াৰ বাবে প্ৰহ্লাদৰ পূৰ্বপুৰুষসকল (একৈশ পুৰুষ) মুক্তি লাভ কৰিব বুলিও ক'লে।

ব্ৰহ্মাই যাতে নভবা-নিচিন্তাকৈ কোনো বৰ দি সৰ্বসাধাৰণ লোকক কষ্ট নিদিয়ে তাৰ বাবে সকীয়াই দি নৰসিংহ অন্তৰ্ধান হ'ল। দৈত্যগুৰু শুক্ৰাচাৰ্যই আন আন দেৱতাসকলক লগত লৈ প্ৰহ্লাদক ৰাজপাটত বহুৱালে। ব্ৰহ্মা, বিষ্ণু, শিৱই আশীষ বৰষিলে। হিৰণ্যকশিপুৰেও ভগৱানৰ হাতত মৃত্যু লভি পুনৰ বৈকুণ্ঠৰ পাৰিষদৰ ঠাই ল'লৈগে।

"ঈশ্বৰ মন্দিৰত নাই, গুহাত নাই, ঈশ্বৰ আছে মানুহৰ অন্তৰত, বিচাৰিবলৈ জানিলেই হ'ব।"

— তুলসী দাস

"সকলোৰে প্ৰাৰ্থনা কৰিবলৈ অভ্যাস কৰক। দেখিব যে নিত্য প্ৰাৰ্থনাৰ বলত নিজ নিজ জীৱনত নতুন কিবা এটা পাইছে। যাৰ লগত আন একোৰে তুলনা নহয়।"

— মহাত্মা গান্ধী

পৰিৱৰ্তনৰ দিশত ৰঙালী বিহু

জুৰি বৰুৱা

'মই খিৰিকীখন খুলি দিলোঁ
স্তব্ধতাৰ নিৰ্জন পোহৰত
আমি আকৌ মুখামুখি হ'লো,
শিৰৰ স্নেন্দুৰেৰে সুন্দৰ
আকাশৰ মুখত জিলিকি উঠিছে
সোণোৱালী ব'হাগ।'

ফাগুনৰ চঞ্চলা বতাহজাক, শিমলু-পলাশৰ দগমগীয়া ৰঙবোৰেই প্ৰতিজন অসমীয়াৰ অন্তৰত আগতীয়াকৈ সিঁচি দি যায় ব'হাগ অহাৰ বাতৰি। লঠঙা শীতে প্ৰকৃতিৰ শোভা সুষমাবোৰ টানি-আজুৰি লৈ যোৱাৰ পিছত বসন্তৰ কুঁহিপাতবোৰে গছৰ ডালে-পাতে, পৰ্বতে পাহাৰে সকলোতে সিঁচি থৈ যায় সেউজীয়াৰ সুন্দৰতা। সুদূৰৰ পৰা দোকমোকালিতে ভাহি অহা কুলিৰ কু-উ-উ মাতে সকলোৰে হৃদয়ত এবাৰৰ বাবে হ'লেও এক হেন্দোলনি তোলে। ব'হাগৰ বিহুটিত বসন্তৰ আগমনে প্ৰকৃতিৰ বুকুত সিঁচি দিয়া সুন্দৰতাখিনিয়ে বিহুৰ আনন্দক এক অনন্য মাত্ৰা আৰু পূৰ্ণতা প্ৰদান কৰে। প্ৰকৃতিৰ লগতে এই বসন্তৰ আগমনত মানুহৰ মন প্ৰাণো নতুন বছৰৰ উলাহ উদ্দীপনাৰে ভৰি উঠে। গছে নতুন পাত সলোৱাৰ দৰে মানুহৰ মনতো পুৰণিক এৰি নতুনক আদৰাৰ প্ৰস্তুতি চলে।

সময়ৰ কষটি শিলত ঘঁহনি খাই বাপতিসাহোন বিহুটিলৈও বহু পৰিৱৰ্তন আহিল। সময় বাগৰাৰ লগে লগে সমাজৰ সকলো ক্ষেত্ৰত পৰিৱৰ্তন আহে। পৰিবৰ্তনক কোনেও ৰুধিব নোৱাৰে। ই সময় বা যুগৰ আহ্বান। সময়ৰ লগে লগে ৰঙালী বিহুৰ ৰং আনন্দৰ ধাৰাটোৰ আজি বহু পৰিৱৰ্তন হ'ল। আজি সময়ৰ পৰিৱৰ্তনমুখী চিন্তাধাৰাৰ ফলতেই হওক বা আধুনিকতাৰ বাবেই হওক পথাৰৰ বিহু মঞ্চৰ বিহুত পৰিণত হ'ল। আগতে এটা সময় আছিল মহিলাসকলে মুকলি মনেৰে পুৰুষ সমাজৰ আঁৰলৈ পথাৰৰ নিৰ্জন ঠাইত গছৰ তলত জাক পাতি বিহু মাৰিছিল। মহিলাসকলৰ মাজত জেং বিহু আছিল অতি জনপ্ৰিয়। আগৰ দিনৰ দৰে গছৰ তলত, মুকলি পথাৰত ডেকা-গাভৰুৱে বিহু নৃত্য, কৰাটো হয়তো আজিকালি অতি ভিতৰুৱা কোনো গাঁৱত থাকিবও পাৰে। বৰ্তমান বিহু নৃত্য বুলিলে নগৰ চহৰ আনকি গাঁৱৰ চাৰিআলি বজাৰ অঞ্চলটো অনুষ্ঠিত কৰা মঞ্চ বিহু অনুষ্ঠানকে বুজায়। গাভৰুসকলৰ খোপাত হাবিৰ কপৌ ফুলৰ সলনি প্লাষ্টিকৰ কপৌ ফুল জিলিকে। ডেকাসকলে সাধাৰণ চুৰিয়া গেঞ্জিৰ সলনি নামী দামী ধুতি আৰু মুগাৰ চোলা পিন্ধে। আজি বহুত পৰিবৰ্তন আহিল। বিজ্ঞানৰ অগ্ৰগতি, মানুহৰ সংগ্ৰাম ভৰা জীৱনৰ ব্যস্ততা, আধুনিক শিক্ষা ব্যৱস্থা, সমাজ ব্যৱস্থাৰ দ্ৰুত পৰিবৰ্তনে বহু সময়ত মানুহক ব্যক্তিকেন্দ্ৰিক কৰি তুলিছে। এইবোৰৰ কাৰণেই উৎসৱ আনন্দত আগৰ দৰে প্ৰাণচঞ্চলতা নাই। এইখিনিতেই উল্লেখযোগ্য যে মানুহৰ ব্যস্ততাভৰা জীৱনত

আহ্বান

উৎসৱ-পাৰ্বনত মানুহৰ প্ৰাণত সঞ্চাৰ হোৱা আনন্দ আৰু দৈনন্দিন জীৱনতকৈ দেখা পোৱা ব্যতিক্ৰমিতাই মানুহক দিয়ে জীয়াই থকাৰ প্ৰাণ প্ৰাচুৰ্যতা আৰু সন্মোহিনী শক্তি। যৌথ পৰিয়ালসমূহত এই আনন্দ উৎসৱৰ মাত্ৰা অধিক হয়। কিন্তু অসমত বিহুৰ সেই আনন্দ, ৰংবোৰ এতিয়াও একেই আছেনে? আমি নিখুটকৈ ৰাখিব পাৰিছোনে বিহুৰ এই ঐতিহ্যময় পৰম্পৰাক। আমি আমাৰ জীৱনতেই এটা দশক আগতেই দেখা বিহুৰ সেই আনন্দ আৰু আজিৰ দিনৰ বিহুৰ আনন্দৰ মাজতেই পাৰ্থক্য দেখিবলৈ পাইছো।

আমি শৈশৱত দেখিছিলো গৰু বিহুৰ দিনা গাঁৱৰ প্ৰতিঘৰৰ ডেকাসকলে গৰুৰ গাত মাহ হালধি সানি নিজৰ নিজৰ গৰুবোৰ নৈত গা ধুৱাবলৈ লৈ যায়। গৰুৰ হেম্বেলনি ইঘৰৰ গৰুৰ লগত সিঘৰৰ গৰুৰ খুচিয়া খুচি, দৌৱা-দৌৰি আদিয়ে এক বিশেষ ধৰণৰ উৎসৱৰ পৰিৱেশ সৃষ্টি কৰিছিল। বৰ্তমান পিছে সেই পৰিৱেশ নাই। বৰ্তমান ঘৰে প্ৰতি নিজৰ চোতালত দমকল বা নাদৰ পানীৰে আনকি দুই একে গাড়ী ধুওতে ব্যৱহাৰ কৰা পাইপেৰেও গৰুক গা ধুৱাবলৈ লৈছে। আমাৰ ল'ৰা-ছোৱালীয়ে আজি গৰুক দীঘলতী, মাখিয়তীৰে কোবোৱা, দীঘলতী, দীঘল পাতে, গৰুক কোবাও জাত জাত বচন ফাঁকি গোৱা দূৰৈৰ কথা দীঘলতী, মাখিয়তী যে চিনি পাব সন্দেহ।

সৰুতে আমি ঘৰে ঘৰে জীয়ৰী, বোৱাৰীসকলে লগ হৈ সান্দহ, পিঠাগুড়ি আদি খুন্দাৰ দৃশ্য দেখিছিলো। আজিকালি সন্দেহ, পিঠাগুড়ি মিলত খুন্দিবলৈ লোৱাত ঢেঁকীৰ চাব শুনিবলৈকে নাই। পিঠা, লাড়ু, সান্দহ পলিথিনৰ পেকেটত বজাৰত আজিকালি কিনিবলৈ পোৱা যায়। ঠায়ে ঠায়ে মেলা পাতি মহিলাসকলে বিক্ৰীও কৰে। আঁহতৰ তলৰ পৰা মঞ্চত থিতাপি লোৱা বিহুৰ নিৰ্মল আনন্দ হেৰাই গ'ল, বিহুৱান বোৱা, সান্দহ, চিৰা, পিঠা তৈয়াৰ কৰিবলৈও যেন আজিৰ গাভৰু, বোৱাৰীৰ অনীহা, ঢুলীয়া, নাচনী, হুঁচৰি কেৱল প্ৰতিযোগিতাত অংশ ল'বৰ বাবেহে, আনন্দ লাভৰ বাবে নহয়। এচাম শিল্পীৰূপী ব্যৱসায়ীৰ হাতত বিহুগীত, হুঁচৰি বন্দী হৈ পৰিছে। আমাৰ হাততে আজি আমাৰ মৰমৰ সাজবোৰ অনাদৃত। বিহুৰ দিনা গা-পা ধুই পৱিত্ৰ মনেৰে জ্যেষ্ঠজনক সেৱা সৎকাৰ জনোৱা অতীতৰ পৰম্পৰাকণো আমি কেইজনে জীয়াই ৰাখিছো? আজিকালি বজাৰৰ পৰা কিনি অনা বিহুৱানখন আমি বিহুৰ দিনা জ্যেষ্ঠজনক দিওঁ। এসময়ত চ'তৰ মাহ পৰাৰ লগে লগে ঘৰে ঘৰে তাঁতৰ খট খট শব্দই বিহু আগজাননী দিছিল। নিজহাতে বোৱা ভমকাফুলৰ গামোচাখন প্ৰিয়জনক দিয়াৰ মাদকতাই বেলেগ। এটা নতুন কৃষিবৰ্ষৰ শুভ আন্তৰিৰ লগত জড়িত মাংগলিক ভাৱনা বিহুৰ লোক পৰম্পৰাসমূহৰ মাজত লুকাই আছে। গছে পাত সলোৱাৰ দৰে নতুন বস্ত্ৰ বিহুৱান পৰিধান, জ্যেষ্ঠজনক সেৱা কৰা, কনিষ্ঠজনক আশীৰ্বাদ কৰা, পিঠা-পনা, লাৰু-সান্দহ, দৈ গুঁৰ আদি সম্ভাৰ বিহুৰ সময়ত বিশেষভাৱে প্ৰস্তুত কৰা হয়। তাঁতৰ শালত শিপিনীৰ বিহুৱানত সপোনৰ ফুল বচা ব্যস্ততা এই সকলো বিলাকত অসমীয়া সমাজ জীৱনৰ সাংস্কৃতিৰ ৰূপৰ প্ৰতিফলন ঘটিছিল। অতীতৰ সেই বিমল আনন্দমুখৰ বিহুৰ প্ৰাণস্পৰ্শী অনুভৱ উপলব্ধি আৰু জীৱন চৰ্যাৰ ৰূপত বৰ্তমান আধুনিক যুগৰ ভোগসৰ্বস্ব ব্যক্তিকেন্দ্ৰিকতাৰ গচক পৰি বিকৃত হৈছে। পৰিৱৰ্তিত সময়ত, পুৰণি মূল্যবোধ হয়তো ভোগবাদী মানুহৰ দৃষ্টিত অপ্ৰয়োজনীয় হৈ পৰিছে। আঁহতৰ তলৰ বিহু আহি মঞ্চত থিতাপি লৈছে। হুঁচৰি গাই ৰাইজৰ চোতালত গৃহস্থক আশীৰ্বাদ দিয়া ডেকাবোৰে বাটে ঘাটে বিহুৰ চান্দা বিচাৰি বিহু ফাংচন পাতি সাংস্কৃতিক সন্ধিয়াৰ নিশা মাতাল বিহুৰ মাদল বজাই হলীউডী, বলীউডী কালচাৰ অৱশ্যেই আমদানি কৰিছে। প্ৰাণৰ প্ৰেৰণা য'ত প্ৰলোভন আৰু ব্যক্তিস্বাৰ্থ পূৰণৰ সামাজিক ধৰ্মলৈ স্বীকৃতি হৈছে তাত সামূহিক জীৱনৰ কল্যাণবোধ আৰু জীৱনমুখী সুস্থ-সংস্কৃতি কেনেকৈ বৰ্তি থাকিব।

পৰিৱৰ্তনৰ সময়ৰ গতিত অৱশ্যম্ভাবী। কোনো এক নিৰ্দিষ্ট বিন্দুত কলা সংস্কৃতি, আচাৰ অনুষ্ঠান বা কৰ্মসমূহ ৰৈ নাথাকে। লোক উৎসৱ বিন্দুৰ ক্ষেত্ৰতো দুই এটা পৰিৱৰ্তন

হোৱাটো স্বাভাৱিক। কিন্তু সেই বুলি আমাৰ এই লোক উৎসৱটিৰ সংস্কাৰৰ নামত কিছুমান বিজতৰীয়া সংস্কৃতি আহি বাহ ল'ব তাক মানি ল'ব নোৱাৰি। সকলো সচেতন নাগৰিকে এই দিশত চকু দিব লাগিব। আজিৰ এই ব্যস্ত সমাজ জীৱনত, কৰ্ম ব্যস্ততাৰ মাজত, ৰাজহাড় পোনাবলৈ সময় নোপোৱা যুগত যদি বছৰটোৰ ঋতুকালীন সেই আমি নিজৰ সংস্কৃতিৰ পৰম্পৰাগত উপাদানবোৰলৈ মনত নেপেলাওঁ, তেন্তে কোনে মনত পেলাব? আমাৰ সংস্কৃতি গ্ৰহণ কৰিবলৈ গৈ নিজৰ সাংস্কৃতিক উপাদানসমূহ সম্পূৰ্ণৰূপে বিসৰ্জন দিলে নিজৰ সংস্কৃতি আপোন হাততেই প্ৰৱঞ্চিত হ'ব। আমাৰ ৰাজ্যৰ পৰা যাতে আমাৰ বাপতিসাহোন বিহু নামৰ সংস্কৃতিটো লুপ্ত নহয় তাৰ বাবে সচেতন হ'ব লাগিব নতুন প্ৰজন্ম। তেওঁলোকৰ জৰিয়তেই অসমীয়া সংস্কৃতিৰ বিশাল বৰঘৰটোক বিশ্বৰ দৰবাৰত পৰিচয় কৰাই দিব লাগিব। ভাবাবেগ, বাধাহীন, বেপৰীত্বৰ পৰম্পৰাৰ সুঘ্ৰাণ আৰু নতুনত্বৰ পছোৱা লৈ আহি আছে আদৰৰ ৰঙালী বিহুটি।◆

বসন্তোৎসৱ আৰু ভঠেলি

✍ হেমন্ত কুমাৰ চৌধুৰী

মানুহে যেতিয়া দলবদ্ধভাৱে বসতি স্থাপন কৰি জীৱন-যাপন কৰিছিল, ঐক্যবদ্ধ কৰ্ম-ৰীতিৰে জীৱন যাত্ৰাৰ পৰ্ব আৰম্ভ কৰিছিল, তেতিয়াৰে পৰাই সংস্কৃতি বোলা পৰ্বটোৰ উদ্ভৱ হৈছিল। সংস্কৃতিৰ লগত সমন্বয় শব্দটোৰো নিবিড় সম্পৰ্ক আছে। সেয়ে সংস্কৃতি আৰু সমন্বয়ৰ এৰাব নোৱাৰা ঐক্য-প্ৰীতিৰ প্ৰতি ঐকান্তিক চেতনা বিহ্বল হৈ জ্যোতিপ্ৰসাদে কৈছিল— "অসমত যি সুকীয়া সুকীয়া সংস্কৃতি আহি উপস্থিত হৈছেহি, সেই সেই সকলোবোৰৰে এটা সংস্কৃতি গঢ়ি তুলিবলৈ .... চেষ্টা হ'ব লাগে। — আমাৰ চাৰিওফালে আৰু আমাৰ মাজতো পৰ্বতীয়া অসমীয়াসকল নিজৰ নিজৰ বিচিত্ৰ সংস্কৃতিৰে জকমকাই আছে। আমি এই সকলোকে মাতৃভাষা, দেৱান, সংস্কৃতি এৰি আমাৰ মহাপুৰুষীয়া সংস্কৃতি যাক আমি অসমীয়াত ৰূপান্তৰিত কৰিব খুজিছো— সেই পুৰণি সংস্কৃতি লৈ নিজৰবোৰ এৰিবলৈ কোৱাটো মহাপুৰুষ শংকৰদেৱৰ সমন্বয় নীতিৰ ফালৰ পৰাও অসংগত। ..... নতুনৰ পোহৰত আমাৰো পুৰণি সংস্কৃতি কিছু এৰিব লাগিব, সেইদৰে আনসকলেও এৰিব লাগিব তেওঁলোকে লগত লৈ অহা পুৰণি সংস্কৃতি। এই পূৰ্ব ভাৰতীয় সমন্বয়, আন কথাত অসমীয়া সংস্কৃতিৰ নৱ প্ৰকাশ আমি ৰচনা কৰিব লাগিব।"

জ্যোতিপ্ৰসাদৰ এইযাৰ মৰ্মস্পৰ্শী জগত জিনা কথাৰ পৰা বুজিব লাগিব যে নিজৰ সংস্কৃতিৰ প্ৰতিটো দিশ থলুৱা মাটিৰ ফচলৰ দৰে জীয়াই ৰখাৰ যি অংগীকাৰ আৰু আগ্ৰহ, ঠিক সেইদৰে বিশ্বৰ সুকীয়া সুকীয়া সংস্কৃতিকো থলুৱা ফচলৰ লেখীয়াকৈ আদৰি ল'ব লাগিব কিন্তু নিজৰ জাতীয় সংস্কৃতিৰ পৰম্পৰাক কোনো কাৰণতে ধূলিসাৎ কৰি পেলাব নালাগিব। নিজক চিনি লৈ নিজৰ ভাষা-সাহিত্য-সংস্কৃতিক হাড়ে-হিমজুৱে উচ্চ শিখৰত অৱস্থিত কৰিব লাগিব। তাৰ বাবে লাগিব সমন্বয়। সমন্বয় বাৰ্তা প্ৰতিটো স্তৰতে বিয়পাই থলুৱা সংস্কৃতিৰ জয়গান গালেহে জাতীয় সংস্কৃতিবোৰ জাতিষ্কাৰ হৈ উঠিব। এনে জাতীয় সংস্কৃতি আৰু সমন্বয়ৰ ভেটি গঢ়াৰ অনন্ত হেঁপাহত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিশ্ববন্দিত বাৰ্তাৰে সংস্কৃতি উদ্ধাৰ আৰু সমন্বয়ৰ তাঁৰ গাঠিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে, সংস্কৃতিৰ পথ প্ৰদৰ্শক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই। তেওঁলোকৰ সংস্কৃতি আৰু সমন্বয় চেতনা কৃষ্টি-সংস্কৃতি আৰু ধৰ্মৰ প্ৰতি সদায় পাৰস্পৰিক শ্ৰদ্ধা আৰু সম্পৰ্কৰ লগত মিলন ঘটোৱাৰ পৰিপন্থী আছিল। আন্তৰিক শ্ৰদ্ধাৰ বাতাবৰণ সৃষ্টি কৰাত আপোনভাব জগাই তোলা আৰু স্বকীয় কৃষ্টি-সংস্কৃতিক বৈচিত্ৰ্যপূৰ্ণ সন্মান প্ৰদৰ্শন কৰাৰ প্ৰতি তেওঁলোকৰ চিন্তা আৰু দৰ্শন তত্ত্বগধুৰ প্ৰেক্ষাপট আছিল। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰো যে সংস্কৃতিৰ বৈষয়িক জনজীৱনৰ উৎসৱ বসন্ত কালৰ উৎসৱসমূহৰো এক নান্দনিক স্মৃতি ৰোমন্থন কৰাৰ পূৰ্ণশ্বাস আহি পৰিছে।



আহ্বান

বসন্তোৎসৱ বুলিলেই মনলৈ আহে ৰঙালী বিহুৰ নান্দনিক অনুভূতি। যি অনুভূতিয়ে বৈষয়িক জীৱন ধাৰাত কৃষিজীৱী সমাজ জীৱনৰ মধুৰ সপোনৰ ৰূপান্তৰ ঘটায়। বসন্ত কালত উদ্‌যাপিত অনুষ্ঠানসমূহক সাধাৰণতে বসন্তোৎসৱ বুলি কওঁ। এই উৎসৱসমূহৰ ভিতৰত উচ্চ স্থান দখল কৰা বিহু অৰ্থাৎ ৰঙালী বিহুৱেই হ'ল মৰ্যাদাসম্পন্ন উৎসৱ। অৱশ্যে এই বিহু বসন্ত কালত জনজীৱনৰ এক সংহতিসূচক পালিত উৎসৱ। মানুহৰ প্ৰেম, আনন্দ, ৰং-ৰহইছ, সদভাৱ-ঐক্যৰে মুখৰিত হৈ প্ৰকৃতিৰ বিনন্দীয়াত একাকাৰ হৈ পৰে।

বসন্তোৎসৱ মানেই যে বিহুকে বুজোৱা হয় এনে নহয়। বসন্তকাল বা বসন্ত ঋতুৰ প্ৰাক্ আৰম্ভণি হ'ল মূলতঃ মাঘ মাহৰ শুক্লা পঞ্চমী তিথিৰ পৰাই। পৃথিৱীৰ প্ৰকৃতিগত ৰূপ পৰিৱৰ্তনত বিভক্ত হোৱা ছয়টা ঋতুৰ সময়ছোৱাত কে'বাটাও উৎসৱ পালন কৰা হয়। অৱশ্যে বিভিন্ন উৎসৱ ভিন ভিন সম্প্ৰদায়ৰ লোকসকলে স্বলোক-পৰম্পৰাৰে ভাৰতীয় সংস্কৃতিত অসমতো পালন কৰে। যি সংস্কৃতি আৰ্য সংস্কৃতিৰে প্ৰভাৱিত। ভিন্ন সম্প্ৰদায়ৰ লোকসকলে নিজৰ নিজৰ সম্প্ৰদায়ভিত্তিক মৌলিক কৰ্মশ্ৰুতিৰ লগতে প্ৰকৃতিগত উৎসৱ ভিত্তিতো স্বসম্প্ৰদায়িক উৎসৱ ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰে। যাহওক, বসন্ত কালত বিশেষভাৱে স্থান দখল কৰা উৎসৱৰ ভিতৰত প্ৰথম সৰস্বতী পূজা, দ্বিতীয় শিৱৰাত্ৰি, তৃতীয় হোলী বা ফাঁকুৱা বা দৌলোৎসৱ, চতুৰ্থ ৰঙালী বিহু আৰু পঞ্চম ভঠেলি উৎসৱ। বসন্তকাল বা বসন্ত ঋতুত পালন কৰা উৎসৱকে 'বসন্তোৎসৱ' বুলি কোৱা হয়। পিছে 'বসন্তোৎসৱ'ৰ প্ৰাক্‌কালীন নামকৰণ আছিল 'মদনোৎসৱ'। 'মদনোৎসৱ'ৰ আৰ্যীকৰণ প্ৰক্ৰিয়াতহে 'বসন্তোৎসৱ' হ'ল।

বসন্তোৎসৱ কৃষিজীৱী সমাজ জীৱনৰ হাঁহি-আনন্দ আৰু মধুৰ সপোন বাস্তৱবাদত ৰূপক চিত্ৰ ৰূপে প্ৰকাশ কৰা প্ৰীতিৰ উৎসৱ। ইয়াৰ লগত উৰ্বৰ পৃথিৱীৰ অংকুৰিত সকলো নৈসৰ্গিক উৎস সম্পৃক্ত। য'ত প্ৰকৃতিৰ বিনন্দীয়া ৰূপে মানৱ জীৱনক আশাৰ বেঙণি চৰায়, জীৱনৰ গতি দিয়ে, সৃষ্টিৰ স্পৃহা বঢ়ায়। সেই পৃথিৱী, সেই প্ৰকৃতি হৈ পৰে কৃষিজীৱী সমাজৰ জীৱন প্ৰণালীৰ ভঁৰাল চহকী কৰা উৎসাহ-উদ্দীপনাৰ সামাজিক ঐক্য বন্ধনৰো সেঁতু। সেয়ে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই কৈছেঃ 'সৰগৰ বসন্ত আহাহে আহাহে / আমাৰ পৃথিৱীলৈ বুলি।"

অৰ্থাৎ তেওঁ কৈছে 'বসন্ত' সৰগ বা স্বৰ্গৰ বাৰ্তাবাহক। যিয়ে নতুনৰ সন্ধান দিব পাৰে। ৰত্নগৰ্ভা পৃথিৱীৰ পূৰ্ণৰূপে মানৱাত্মাত দিব পাৰে সুখৰ দীপ্তি ঢালি চিৰন্তন অৰ্থ।

আলোচ্য বিষয়ৰ লগতে 'মদনোৎসৱ' শব্দৰ অৰ্থালংকাৰ সম্পৰ্কে আলোকপাত কৰাৰো প্ৰয়োজন আছে। মদনোৎসৱ শব্দৰ অৰ্থৱহ তাত্ত্বিক দৰ্শন কৰিলেই ওলাই পৰে বসন্ত ঋতুৰ প্ৰচ্ছদপট। উল্লেখ্য যে প্ৰেম-প্ৰীতি, আনন্দ-উৎসৱৰ মহামিলনেই আছিল 'মদনোৎসৱ'। য'ত ভগৱান বা ঈশ্বৰ দেৱতায়ো প্ৰেমৰ জোৱাৰ তুলি মানৱ চিত্তত জগাই দিছিল প্ৰেম-আনন্দ আৰু ভক্তিৰসৰ এক উৎসৱমুখৰ পৰিবেশ। ভগৱান শ্ৰীকৃষ্ণৰ আগতেই হেনো হিন্দু ধৰ্মৰ প্ৰেমৰ দেৱতাজনৰ নাম আছিল 'মদন কামদেৱ'। 'মদন কামদেৱে' বসন্তকাল বা বসন্ত ঋতুৰ সময়ছোৱাত প্ৰেমানন্দৰে কামনা-বাসনাৰ জোৱাৰ তুলি একোটা নিৰ্দিষ্ট সময়চক্ৰত উৎসৱৰ ঢৌ তুলিছিল। মদন কামদেৱক সেয়ে কোৱা হয় বসন্তকালৰ প্ৰেমৰ দেৱতা আৰু বসন্তকালত যিবোৰ উৎসৱ বা উৎসৱ পালন কৰা হয় সেই উৎসৱক 'মদনোৎসৱ' বুলি কোৱা হয়।

প্ৰাচীন কালত নামাংকিত 'মদনোৎসৱ'ক পিছৰ কালত 'বসন্তোৎসৱ' বুলি কোৱা হৈছে। বসন্তোৎসৱৰ নায়ক ভগৱান শ্ৰীকৃষ্ণ। বৃন্দাবনত নন্দ-যশোদাৰ আঁচলত মৰম-স্নেহৰ মাজেৰে ডাঙৰ-দীঘল হোৱা শ্ৰীকৃষ্ণই গোৱাল-গোৱালিনীসকলৰো নয়নৰ মণি হৈ পৰিছিল। মৰম-ভালপোৱাৰ মাজেৰে শ্ৰীকৃষ্ণ হৈ উঠিছিল বৃন্দাবনৰ যুৱক-

আহ্বান

যুৱতী, গোপ-গোপীসকলৰ যৌৱনদীপ্ত প্ৰেমৰ লগৰীয়া। শ্ৰীকৃষ্ণই সকলো যুৱতী, গোপীৰ মন হৰণ কৰি নিজেই যেন 'বসন্তকাল' হৈ পৰিছিল। যাৰ প্ৰেমানন্দই সৰ্বত্ৰে যুৱতীসকলক কৃষ্ণপ্ৰেমত আৱদ্ধ কৰি ৰাখিছিল। আনহাতে, শ্ৰীকৃষ্ণই যেতিয়া গোপ-গোপীসকলক লগত লৈ প্ৰেম-আনন্দৰে উৎসৱৰ ৰোল তুলি নৃত্য-গীতৰ সৌন্দৰ্য আৰু মূৰ্চ্ছনা তুলিছিল সেই সময়ছোৱাই আছিল বসন্তকালৰ সময়।

বসন্তোৎসৱৰ সকলো পৰম্পৰা সমাজ জীৱনৰ লগত একাকাৰ। বিশ্বত প্ৰচলিত উৎসৱসমূহৰ লগত সকলো মানৱৰ তুলনামূলক জীৱন-কৰ্ম আৰু সংস্কৃতিৰ নিবিড় সম্পৰ্ক প্ৰতিফলিত। ইয়াৰ মৌলিকত্ব অৰ্জনৰ বোধ জন্মিলে এটা কথা স্পষ্ট হৈ উঠে যে প্ৰকৃতিগত পৃথিৱীৰ সমস্ত ভৌগোলিক পৰিমণ্ডলত জীৱজগত আৰু উদ্ভিদজগতৰ ৰূপকাত্মক ক্ৰিয়া-কাৰ্যই স্পন্দিত কৰে। এই সকলোবোৰৰ লগত ঋতুজনিত একোটা বিশেষ ৰূপ পৰিৱৰ্তিত অৱস্থান আৰু সৌন্দৰ্যৰ আঁচোৰত সৃষ্টি হোৱা পৰম্পৰাৰ ৰীতি-মানৱ অন্তৰত জাগ্ৰত হয় আৰু ইয়েই সামন্বয়িক অৰ্থত উৎসৱত পৰিণত হয়। জাতি-ধৰ্ম নিৰ্বিশেষে স্বপৰম্পৰাৰে পালিত হয় সকলো উৎসৱ। ঠিক একে অৰ্থতে কৃষিজীৱী সমাজ জীৱনত বসন্তকালৰ প্ৰকৃতিজগতে শিহৰিত কৰি এক নান্দনিক উৎসৱৰো সমাহাৰ ঘটায়। যিবোৰ উৎসৱে আজিও বসন্তকালৰ বসন্তোৎসৱ হিচাপে সমগ্ৰ মানৱচিত্তত স্থান নিৰ্ণয় কৰি আছে। সেয়ে ৰসৰাজে কৈছে—

"শৰতক জোনে হেমন্তক ধানে
বাৰিষাক ম'ৰায়ে যেনে
বিহু তেনেকৈ নতুন বছৰটিক
বিহু ডাঙৰীয়াই আনে।"

প্ৰকৃতি জগতৰ সকলো গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকতিয়ে যেতিয়া ন সাজোন-কাচোনত ব্যস্ত হৈ পৰে ঠিক সেই সময়তে প্ৰকৃতিৰ অভিনৱ ৰূপটো বসন্তকালৰ উজ্জীৱিত আনন্দ আৰু মধুৰ যৌৱনা হৈ পৰে। সেয়ে বিহগী কবিয়ে কৈছে—

"জড় জগতত জীৱ জগতত
পাওঁ সকলোতে দেখা
মহাবিশ্ব জুৰি বিৰিঙিছে যেন
আনন্দৰ পূৰ্ণৰেখা।"

আনহাতে, বসন্তকাল বা বসন্ত ঋতুত উদ্‌যাপিত উৎসৱসমূহৰ ভিতৰত 'ভঠেলি' উৎসৱটিৰো এক পৰম্পৰা আছে। যি পৰম্পৰা কৃষিজীৱী সমাজৰ কৃষিভিত্তিক উৎসৱৰূপে চিহ্নিত হৈছে। এই উৎসৱ ব'হাগ বিহুৰ প্ৰথম দিনটোৰে পৰা আৰম্ভ কৰি ঠাই বিশেষে গোটেই ব'হাগ মাহটোৰেই পালন কৰা হয়। উল্লেখ যে জাতীয় লোক-সংস্কৃতি থলুৱা প্ৰাকৃতিক সম্পদ আৰু কৰ্মসংস্কৃতিৰ লগত সম্পৃক্ত। এনে লোক-সংস্কৃতিৰ উৎসৱৰ ভিতৰত বসন্তকালত পালন কৰা উৎসৱ ৰঙালী বিহু, ভঠেলি, সঁৰি, বাঁস পূজা, দেউল, ফাঁকুৱাই প্ৰধান বুলি কোৱা হয়। উল্লিখিত উৎসৱবোৰৰ তত্ত্বগত অৰ্থ এয়ে যে মানৱ সমাজত উদ্ভৱ হোৱা মহামাৰী, অপায়-অমংগল দূৰ কৰি কৃষিজীৱী সমাজৰ কৰ্মসংস্কৃতিৰে নদন-বদন কৰি গঢ়ি তোলা পথাৰৰ শস্যবোৰৰ শ্ৰীবৃদ্ধিৰ কামনোৎসৱ। এইখিনিতে 'ভঠেলি' শব্দৰ উৎপত্তি সম্পৰ্কেও উল্লেখ কৰাৰ থল আছে। পণ্ডিতপ্ৰৱৰ ড° বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে যে সংস্কৃত 'ভস্থালী' বা 'ভস্থালিকা' শব্দৰ পৰা অসমীয়ালৈ ৰূপান্তৰ ঘটি 'ভঠেলি' হৈছে। তেওঁ উল্লেখ কৰিছে যে 'ভ' মানে আকাশ, 'স্থলী' মানে ঠাই বা মণ্ডল। অৰ্থাৎ শোভাবৰ্ধিত আকাশ মণ্ডল।

উল্লেখনীয় যে বাঁহৰ দণ্ডৰে সাজি উলিওৱা নিচান ভঠেলি উৎসৱৰ মূল বিন্দু 'পাৰ' সজ্জিত বাঁহ। যাক কোৱা হয় 'পাৰ' উত্তোলন, 'মজু' সজা আৰু ভঙা। মূলতঃ ই ৰাইজৰ মহামেলা উৎসৱ। ভঠেলি উৎসৱৰ মূল বিষয়বস্তু যিহেতু 'পাৰ' আৰু 'মজু', গতিকে ইয়াৰ অৰ্থালংকাৰ কি এই বিষয়েও

আলোকপাত কৰাটো গ্ৰহণযোগ্য বিষয়। 'পাৰ' সাধাৰণতে বাঁহেৰে সজোৱা হয়। এই 'পাৰ' দুডাল বাঁহেৰে সজোৱা হয়। দুয়োডাল বাঁহৰ এডাল বাঁহক 'মতা পাৰ' আৰু আনডাল বাঁহক 'মাইকী পাৰ' বুলি চিনাক্ত কৰা হয়। 'মতা পাৰ' বুলি চিনাক্ত বাঁহডাল ওখ বা ইয়াক 'বৰ পাৰ' বা 'দৰা পাৰ' বুলি কোৱা হয়। আনহাতে, 'মাইকী পাৰ' বাঁহডাল 'মতা পাৰ' বাঁহডালতকৈ চুটি। সেয়ে এই 'মাইকী পাৰ'ক 'কইনা পাৰ' বুলি চিনাক্ত কৰা হয়। 'বৰ পাৰ' আৰু 'কইনা পাৰ' উত্তোলন কৰা ঠাইখিনি চাঁচি-চুৰুকি পৰিষ্কাৰ কৰা হয়। এই 'বৰ পাৰ' আৰু 'কইনা পাৰ' সজাবলৈ অনা বাঁহ দুডাল গাঁৱৰ ডেকা ল'ৰাই গা-পা ধুই বাঁহ গছৰ চোপৰ পৰা পোন বাঁহ দুডাল মূল বা মুঢ়াসহ উভালি আনে। শনিবাৰ আৰু মঙলবাৰৰ বাহিৰে অন্য বাৰতহে এই বাঁহ দুডাল আনি চাঁচি-চুৰুকি ৰং-বিৰঙৰ কাপোৰ আৰু চোঁৱৰেৰে সজাই ভঠেলি উৎসৱথলীত থিয়কৈ পোতা হয়। এই বাঁহ পোতাৰ সময়খিনি শংখ, ঘণ্টা, বৰকাঁহ, ঢোল, খোল, কালী আদি বজাই আয়তীৰ উৰুলিৰে মুখৰিত কৰি তোলা হয়। আনহাতে, 'পাৰ' পোতা থলীৰ কিছু আঁতৰত 'মজু' সজোৱা হয়। এই 'মজু'ক 'ঘৰ' বোলা হয়। ইয়াক কলপতুৱাৰে সাজি ভিতৰত একলহ চাউল, এথোক তামোল, বিশ মুঠা পাণ, এথোক কল, এযোৰ নাৰিকল, নানা ফলৰ লগতে এখন গামোচা পীৰা এখনৰ ওপৰত ৰখা হয়। পাছত যেতিয়া সূৰ্য অস্তাচলত বহে তেতিয়া ডেকাসকলে 'মজু'টো কোবাই কোবাই ভাঙি পেলায় বাবে 'ভঠেলি ভঙা' বুলি কোৱা হয়। অৱশ্যে 'মজু'ৰ ভিতৰত সজোৱা সকলো বস্তু মজু ভঙাৰ আগতে উলিওৱা হয়। বসন্তকালৰ কৃষিজীৱী সমাজৰ ভঠেলি উৎসৱৰ আন এটি দিশ হ'ল কৃষিজাত সামগ্ৰীৰ লগতে শিল্প উদ্যোগত তৈয়াৰী সামগ্ৰীৰ এখন বজাৰ। এই বজাৰেও বসন্তকালৰ ভঠেলি উৎসৱৰ নান্দনিক উৎকৰ্ষ সৃষ্টি কৰে।◆

জানানে

পৃথিৱীৰ বৃহত্তম জনবহুল মহানগৰী কি? ☞ টকিঅ'

কোন দেশৰ ৰাজধানী একুৰি দ্বীপত অৱস্থিত? ☞ চুইডেনৰ ৰাজধানী ষ্টকহ'ম।

পৃথিৱীৰ প্ৰাচীনতম ৰাজধানী চহৰখনৰ নাম কি? ☞ দামাস্কাচ (খৃঃ পূঃ ২০০০ ত প্ৰতিষ্ঠিত)

কোন দুখন মহাদেশত বান্দৰ নাই? ☞ অষ্ট্ৰেলিয়া আৰু কুমেৰু।

ৰাষ্ট্ৰসংঘৰ সদস্য দেশৰ সংখ্যা কিমান? ☞ ১৯৩ খন।

বিশ্বৰ সৰ্বপ্ৰথম মহিলা ৰাষ্ট্ৰপতি কোন? ☞ মেৰিয়া এচলটেলা পাৰ্চন (আৰ্জেণ্টিনা)

আধুনিক অলিম্পিক খেল কেতিয়া আৰম্ভ হয়? ☞ ১৮৯৬ চনত।

বিহু আৰু সত্ৰীয়া কোন প্ৰদেশৰ নৃত্য? ☞ অসম।

যুগুতালে— শেৱালি ৰাভা

আহ্বান

বিহুনামত জীয়াই থকা মাছবোৰ

✍ পাৰুল বৰুৱা

আদিম মানুহে কৃষিকৰ্মৰ স'তে জড়িত হোৱাৰ পৰা বহুতো কৃষিভিত্তিক উৎসৱ পালন কৰি আহিছে। অসমীয়াৰ প্ৰাণৰ আপোন বিহুটিও মূলতঃ কৃষিভিত্তিক উৎসৱ। শীতৰ শেষত প্ৰকৃতিৰ বুকুলৈ বসন্তৰ আগমন ঘটে। শীতত নিৰাভৰণ হোৱা বিৰিখ লতাই নৱ পল্লৱবোৰে সু-সজ্জিত হয়। প্ৰকৃতিৰ বিনন্দিয়া ৰূপে মানুহৰ মন-প্ৰাণ চঞ্চল কৰি তোলে। ডেকা গাভৰুৰ মন উতলা হয়। কণ্ঠেৰে স্বতঃস্ফূৰ্তভাৱে নিগৰি আহে বিহুনাম। এই বিহুনামবোৰত প্ৰকৃতিৰ চিৰন্তন সৌন্দৰ্য্য বাঙ্ময় হৈ উঠে। ডেকা-গাভৰুৰ প্ৰেম, হৰ্ষ-বিষাদ, আশা-নিৰাশাৰ উপৰিও বিহুনামতে সামৰি লয় ভূগোল-বুৰঞ্জী। সামাজিক জীৱনৰ চিত্ৰ বিহুনামৰ মাজেৰে পৰিস্ফুট হৈ উঠে।

অসম নদী মাতৃক দেশ। নদীৰ পাৰতে মানুহৰ সভ্যতা, কৃষ্টি ঠন ধৰি উঠে। সেয়ে জন জীৱনৰ সাক্ষীস্বৰূপ অসমৰ নদ-নদীবিলাকৰ নাম বিহুনামত পোৱা যায়। গ্ৰাম্য কৃষি সমাজত মানুহে খেতি-বাতি কৰি মাছ ধৰি মাৰি খাইছিল। নদ-নদীৰ বাহিৰেও অসমৰ খাল-বিল, পুখুৰী আদি জলাশয়সমূহত মাছ-কাছ উভৈনদী আছিল। সেয়ে মাছৰ নামো বিহুনামত অন্তৰ্ভুক্ত হৈছে। যেনে—

উজায়ে আহিলে মাছে কি মগৰে
উজায়ে আহিলে শিহু
কাণতে ঢোলটি মুখতে পেঁপাটি
পালেহি ব'হাগৰ বিহু।

বিহু আহিলে অসমীয়াৰ মন-প্ৰাণ উলাহে নধৰা হয়। ডেকা-গাভৰুৰ মন কমোৱা তুলা হৈ উৰে—

অ' তোৰা বটিয়া
নাহৰ ফুলে যেতিয়া
তগৰ ফুলে যেতিয়া
বিহু আহে তেতিয়া
পখিলা হৈ উৰিবৰ মন।

আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনতে বিহুৱে ৰাজকীয় মৰ্যাদা পায়। স্বৰ্গদেউৰ বিহুনামত গোৱা হয়—

চৰায়ে চিকুণে তেলীয়া সাৰেঙে
মাছৰে চিকুণে মালি
স্বৰ্গদেউৰ চিকুণে কেঁকোৰা দোলাখন
শুৱায় গজপুৰৰ আলি।

বিহুনামৰ মাজেৰে নাৰীৰ সৌন্দৰ্য্যৰ বৰ্ণনাতো মাছৰ ছবিখন প্ৰকট হৈ উঠে—

তোমাৰ গাল দুখনি মালি মাছৰ নিচিনা
ঘোঁৰা ফানৰ নিচিনা চুলি
বিহুতলীৰ পৰা তোমাক বাচি ল'লো
তোমাৰ মুখনি পাভ মাছৰ নিচিনা
বামি মাছৰ নিচিনা চুলি....।

দুৰণীত থকা চেনাইলৈ মনত পেলাই কোনোবা লাহৰীয়ে গায়—



আহ্বান

শলে ভুমুকিয়ায় শালে বুমুকিয়ায়
চেঙাই ভুমুকিয়ায় খালত
মনৰে ভিতৰত তুমি ভুমুকিওৱা
সদায় পৰি থাকে মনত।

সপোনতো চেনাইকহে দেখা পায়—

ঢাৰি পাৰি থেৰেজু লেখো ঐ চেনাইটি
পাটি পাৰি থেৰেজু লেখো
তোমাৰে নিচিনা মাগুৰ বৰণীয়া
সদায় সমাজিকত দেখো।

মাছ বান্ধি চেনাইলৈ সাঁচে—

আলিটি কাটিলো চেপাটি পাতিলো
মাগুৰ মাছ এহালি পালো
নিজেও নাখালো আনকো নিদিলো
সৰুটি চেনাইলৈ থ'লো।

পিছে মাছ মাৰি বোকায়ে পানীয়ে কষ্ট পোৱা চেনাইৰ জানো সহ্য হয়? সেয়ে বিহুনামেৰে কয়—

মাছে মাৰিবলৈ নিদিও তোমাক যাবলৈ
বোকা পানী লাগিব গাত
ৰতে থাকিবা ওলাই সোমাই ফুৰিবা
সময় চাই লগাবা মাত।

মনৰ কথাবাৰি ক'বলৈ বিচাৰি লাহৰীক লগ নাপাই চেনায়ে গায়—

বোকাৰে গৰৈ মাছ বোকাতে ঘূৰিলে
মলয়াত ঘূৰিলে বগ
মনৰ কথাবাৰি মনতে থাকিলে
ক'বলৈ নেপালে লগ।

মনৰ কথা মনতে লৈ ঘৰলৈ উভতে—

কি মাছ মাৰিবৰ পুঠি
মোৰে ঐ লাহৰীক বিচাৰি নেপালো
যাওঁগৈ ঘৰলৈ গুচি।

বিহুনামেৰে সোধে—

দীঘলী বিলতে লাঙি জাল পাতিলো
উভতি লাগিলে মোৱা
কিনো দায় জগৰ লগালো চেনাইটি
নেদেখো গধূলি পুৱা।

বিৰহৰ যাতনা লৈ যায়—

লুইতত উজালে শিহুঁকৈ ঘৰিয়াল
দিখৌ নৈত উজালে নাৰ
মোৰে বিঁলৈ দেখি হাঁহে শতৰুৱে
তই জানো সহিব পাৰ।

পানী অনা ঘাটত হঠাৎ লগ পাই বিহুনামেৰে প্ৰকাশ কৰি গায়—

লুইতৰ বালি বগী ঢকে ঢকি
কাছই কণী পাৰে লেখি
গাত জুই জ্বলিছে সৰিয়হ ফুটিছে
ধনক পানী ঘাটত দেখি।

লাহৰীয়ে উত্তৰ দিয়ে—

ভোগদৈ নৈতে পাভ মাছ উজালে
দিখৌত উজালে নাৰ
মোকে নিব খোজ তয়ে হেৰ' পিলিঙা
কিমান ধন ভাঙিব পাৰ।

কেতিয়াবা বিহুনামৰ সুৰতে কয়—

মাছ মাৰিবৰ বৰশী চেনাই ঐ
চেঙেলি মাৰিবৰ চিপত
হাত বাউল দিলে আটায়ে জানিব
আহিবি চকুৰে টিপত।

বিহুনামত কাকডোঙা আৰু ডেৰছোৱাৰ বৰালি একেলগ হয়—

কাকডোঙাৰ বৰালি ডেৰছোৱাৰ বৰালি
কেনেকৈ মিহলি হ'ল
আমি নেঘেৰিয়াল তুমি যোৰহটীয়া
তেনেকৈয়ে চিনাকী হ'ল।

আহ্বান

মাছ মাৰিবলৈ যাওঁতে ভয়ো থাকে কেতিয়াবা। শিঙি মাছে ফুটে যদি?

জাকৈয়া ওলালে খালৈয়া ওলালে
মাৰে কোনে বিলত মাছ
আমাৰে নাচনীক শিঙি মাছে ফুটিলে
পৰিল ডেকা ল'ৰাৰ পাছ।

ইয়াৰ উপৰিও মুখে মুখে চলি অহা এনে বিহুনামবোৰত অনেক মাছে নিজৰ অস্তিত্ব ঘোষণা কৰি আহিছে—

অ' চেনি চকলি
পুঠি মাছৰ বাকলি
নুগুছে চালনিত ধুলে.....।
কাৰৈ মাছ বাচিবৰ ডবুৱা কটাৰী
পিছলি পিছলি যায়...।
ৰ'দৰে কাচলিত ৰৌ মাছ বাচিলো
বজাৰৰ আনিলো দা...।
দীঘলি বিলতে দি যাওঁ বালিভেটা
লাগে চেনি কুঢ়ি মাছ....।
নলটেঙা ঢেকীয়া নাৰ মাছ খুতৰা
জুতি লগায়ে খাঁও....।

দেও দি উজালে দেৱে দৰিকণা
জাকি মাৰি ওলালে মোৱা....।
পোৱালি কাছৰে চলং
দিখৌত কপিলগা দলং...।
সৰুতে পিতাদেউ জকাই সাজি দিলা
সৰু মাছ মাৰিবৰ মনে....।

এই বিহুনামবোৰৰ মাজেৰে অসমীয়া সমাজৰ খাদ্য জুতিৰো উমান পোৱা যায়। আৰু এনেদৰেই অতিজৰে পৰা বিহুনামৰ মাজেৰে এই মাছবোৰ জীয়াই আছে আৰু নিজৰ অস্তিত্বৰ পৰিচয়েৰে বিহুনামবোৰক মোহনীয়া কৰি ৰাখিছে।

লোকে মাছে মাৰে আন্দুলি কান্দুলি
আমি মাছে মাৰো কুঢ়ি (তোৱা)
লোকে বিয়া কৰায় কুমলীয়া ছোৱালী (ডেকাটি)
আমি বিয়া কৰাও বুঢ়ী (বুঢ়া)
মাছ মাৰিবলৈ গৈছিলো
মাছত পালো শিঙি
তেনেলৈ ৰ' লাগি নাচাবি ককাইটি
ভনীহ'তে বুলি ভিনি।
দলনি পথাৰতে মাছ মাৰি আহিলো
ভৰি ধুই আহিলো নাদত...। ইত্যাদি।◆

আহ্বান

আমাৰ ল'ৰালিকালৰ বিহুৰ মাদকতা

✍ পূৰ্ণলাল সেনাপতি

বিহু বুলিলে আমি জানো বিহু তিনিটা— ব'হাগ বিহু, মাঘ বিহু আৰু কাতি বিহু।

ব'হাগ বিহু ঃ অৰ্থাৎ ৰঙালী বিহু। ফাগুন মাহে ব'হাগ বিহুৰ আগজাননীয় দিয়ে। ফাগুন অহাৰ লগে লগে চৌদিশে প্ৰাকৃতিক পৰিবৰ্তন ঘটায়। কুলি, কেতেকীৰ মাতে বিভোৰ কৰে। ফাগুনে কেৱল প্ৰকৃতিকে নকৈ সজাবলৈ নাহে— মানুহৰ মনতো আশাৰ সঞ্চাৰ কৰে। ফাগুন মাহে ডেকা-গাভৰুৰ মনলৈ ন-ৰূপ আনে। সেয়েহে ব'হাগৰ বিহুটি চেনাইৰ কাৰণে বিহুৱান উলিয়াবলৈ তাঁতশালত ব্যস্ত হৈ পৰে— ব'হাগৰ বিহুতে ইজনে-সিজনৰ প্ৰতি আকৃষ্ট হৈ পৰে।

ব'হাগ বিহুৰে হৈছে পাহাৰ-ভৈয়ামৰ সমন্বয় ক্ষণ— বৰ লুইত মিলনৰ এক সাঁকো। ব'হাগৰ আগে আগে শিপিনীসকলে তাঁতশালত ন-কাপোৰ, গামোচা আদি লগায়। সৰুতে মাইঁতেও তাঁত বাটি কাঢ়োতে আমাক এফালে ধৰিবলৈ কৈছিল। মহুৰা ঘূৰাব কৈছিল।

গৰখীয়া ল'ৰাই গাইছিল—

"অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।"

ব'হাগৰ বিহু বুলিলেই আমি সৰুতে বুজিছিলো হুঁচৰিৰ বিহু। ৰাতি বাৰটামান বজাত হুঁচৰিৰ দল আহিছিল। মায়ে আমাক ল'ৰা-ছোৱালীবিলাকক টোপনিৰ পৰা উঠাই পিৰালিতে একোখন পিৰা পাৰি বহিবলৈ দিয়ে। দেউতাই চাকৰিৰ সূত্ৰে বাহিৰত থকাৰ হেতুকে মায়ে সকলো তদাৰক কৰিছিল। দলটোৱে প্ৰথমতে আৰম্ভ কৰিছিল—

"হুৰাই ল সৰগৰ তৰা
চাই থাক ঐ নিলগৰ পৰা"

তাৰ পাছতে গাইছিল—

"প্ৰথমে প্ৰণামো আই সৰস্বতী
দ্বিতীয়ে প্ৰণামো হৰি
তৃতীয়ে প্ৰণামো গাঁৱৰ বুঢ়া মেথা
ধৰি যাওঁ নামৰে গুৰি।
ঘৰৰ গৃহস্থলৈ কৰযোৰ কৰিছো
বেয়া নাম ওলালে, ক্ষমিব চেনেহৰ
সৰুভাই বুলি"

এনেকৈয়ে চোতালত ঘূৰি ঘূৰি নাম গাই শেষত সামৰিছিল এনেকৈয়ে—

"এটা বাতিত নহৰু
এটা বাতিত পণৰু
এটা বাতিত খুতুৰা শাক
নেদেখাজনক সাষ্টাংগে খাতিছো
গৃহস্থ কুশলে থাক"।

আমাক আঁঠুকাঢ়ি সেৱা কৰিব কয়, আৰু মায়ে মূৰত



ওৰনিখন লৈ বঁটাত তামোল-পাণৰ লগতে ৰূপৰ টকাকেইটামান দি নতুন গামোচাৰে ঢাকি আগবঢ়াই সেৱা কৰিছিল। হুঁচৰিৰ দলে—

'জয় হৰি বোলা, জয় ৰাম বোলা' বুলি আশীৰ্বাদ দিছিল। এই দৃশ্যটো আমাৰ চকুত আজিও লাগি আছে। এনে দৃশ্য আজিকালি নাইকিয়াৰ পথত।

প্ৰথম ব'হাগৰ দিনা ৰাতিপুৱাতে মাহ-হালধিৰে গা-পা ধুই জ্যেষ্ঠজনক সেৱা কৰা এটা ধৰা-বন্ধা ৰীতি আছিল— যিটো আজি লুপ্ত। গৰু বিহুৰ দিনা ওচৰৰ ল'ৰাহঁতে যাৰ ঘৰত গৰু আছিল সিহঁতে গৰু গা ধুৱাই — "লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা" বুলি চিঞৰা শুনিছিলো। সেই লাউ-বেঙেনা, কেৰেলা আনি মাতিমাহৰ লগত ৰাতিয়েই ৰান্ধি থয় আৰু পাছদিনা ৰাতিপুৱা জুৰণি হিচাপে খাব দিছিল। তাহানি ব'হাগ বিহু বছৰেকত এবাৰেই পাইছিলো। কিন্তু আজিকালি আবতৰীয়া ব'হাগ বিহু বাৰ মাহেই পোৱা যায়। ব'হাগৰ আদৰণি— ব'হাগী বিদায়— বিহু কুঁৱৰী প্ৰতিযোগিতা আদি মঞ্চত টিভিযোগে ঘৰতে বহি বাৰমাহেই উপভোগ কৰিব পোৱা যায়।

মাঘ বিহু ঃ অৰ্থাৎ মেজি বিহু ভেলাঘৰ সাজি উৰুকাৰ নিশা সকলোৱে একেলগে এসাঁজ খোৱাৰ প্ৰথা। আমাক অৱশ্যে সৰুকালত ভেলাঘৰত থাকিব দিয়া নাছিল। মেজি সাজি ৰাতিপুৱা গা ধুই জুইৰ ওচৰত সেৱা কৰা ৰীতি আছিল আৰু আজিও চলি আছে। আজি ফ্লেটত আছো যদিও এই পৰম্পৰা চলি আছে। আজিও তিল দিয়া পিঠা, বৰা চাউল, ক্ৰীম, গুৰ, নানা তৰহৰ পিঠাপনাৰে ৰাতিপুৱা জলপান মেজিৰ কাষতে খোৱা প্ৰথা বৰ্তমানেও চলি আছে। ভেলাঘৰ নাই যদিও— ফ্লেটৰ সকলো একত্ৰ হৈ উৰুকাৰ ৰাতি একেলগে এসাঁজ খোৱাৰ নিয়মো চলি আছে।

কাতি বিহু ঃ আমি সৰুতে শুনিছিলো— কঙালী বিহু। এই কালছোৱাত শাক-পাচলিৰ নাটনি। ধাননিত পোকৰ উপদ্ৰৱ। তাৰ পৰা ৰক্ষা পাবলৈ ধাননিৰ মাজত মিঠাতেলৰ চাকি জ্বলাই— ফৰিং জাহ যোৱাৰ কাৰ্য, পোক নিধন কৰাৰ প্ৰথা। ৰাতি বিহুৰ দিনা তুলসী পুলি এটা বেছ ধুনীয়াকৈ ভেটি এটা কৰি চোতালৰ একাষে ধুপ-ধুনা, চাকি-বন্তি জ্বলাই পূজা কৰাৰ প্ৰথা আজিও চলি আছে।

সৰুতে মাহঁতে তুলসী পুলিৰ ওচৰত চাকি-বন্তি জ্বলাই গাইছিল—

"তুলসীৰ তলে মৃগপহু চৰে

তাকে দেখি ৰামচন্দ্ৰই হৰধনু ধৰে।"

নাৰিকল গোল গোলকৈ কাটি চেনি দি সৰু ল'ৰা-ছোৱালীবিলাকক বিলাইছিল। আজিকালি এই দৃশ্য সপোনতো দেখিবলৈ নাই।

আমি এই তিনি বিহুত যি সোৱাদ পালো— আজিৰ চামে তাৰ গোন্ধ ভাপ নাপায়। সেয়েহে যন্ত্ৰচালিতৰ দৰে টিভিতে বিহু আদি উপভোগ কৰাৰ বাহিৰে গত্যন্তৰ নাই।

ডিব্ৰু এৰাৰ পাছৰে পৰা আচল বিহুৰ সোৱাদ নোপোৱা হ'লো। বৰ্তমানে ঘৰতে বহি টেলিভিছনতে বিহুৰ আমোদ লৈ আছো।

উপসংহাৰ

বহু বছৰৰ আগতে প্ৰয়াত ৰুদ্ৰ বৰুৱা আৰু প্ৰিয় বৰুৱাই এদিন লাবান ক্লাবত আমোদ কৰি কৈছিল—

দ্বিতীয় যুদ্ধৰ পয়োভৰ শেষ হোৱাৰ পাছত লাবানৰ দুজন বৰ ধুনীয়া এডমাগুছ কলেজৰ ছাত্ৰ। তেওঁলোকে সদায়ে ছোৱালীৰ এক্টিং কৰি ভাল পায় আৰু সিহঁত দুটাৰ চাল-চলন-ব্যৱহাৰ নাৰীসুলভ হেতুকে প্ৰয়োজকসকলে সেই দুজনক সদায়ে তিৰোতাৰ পাৰ্ট দিছিল। এবাৰ কলেজৰ ল'ৰাবিলাকে মিলি বিহুৰ সময়ত এখন নাটক কৰিছিল, তাতে সিহঁত দুটাক মুগাৰ মেখেলা-ব্লাউজ পিন্ধাই মূৰত পৰচুলা দি খোপা বান্ধি বিহু নাচিব দিছিল, দৰ্শকৰ পৰা খুব বাঃ বাঃ পাইছিল। দুয়োটাই

আহ্বান

নিজেও বৰ উপভোগ কৰিছিল। উত্তেজিত হৈ নাটকৰ সাজেৰেই লাবান বজাৰত থিয় হৈ থকা ল'ৰাজাকক চমক লগাবলৈ খোজকাঢ়ি আহি আছিল, হাইদৰি পাৰ্কখনত সোমাব লওতেই এখন গাড়ী ঘপকৰে ৰ'ল আৰু দুটা মিলিটাৰি নামি আহি সিহঁত দুটাক সাবটি গাড়ীত উঠাবলৈ টানিছিল। সিহঁত দুটাক সাবটি চুমা খাই লেলিহান বৃত্তিৰে বহুপৰ নিথৰ কৰি পেলালে। ভয়-শংকাত কাপোৰে-কানিয়ে পেচাব কৰি পেলালে। তেনেকৈয়ে তলমূৰ কৰি ঘৰ পালেহি। বাটত কোনে চাইছে তালৈ ভ্ৰূক্ষেপ নকৰি ঘৰ পায়ে বোলে ডেটলেদি মুখ ঘঁহি ঘঁহি গা-পা ধুই বিছনাত পৰিলে। দুয়োটাৰে বোলে জ্বৰ হ'ল। ঘৰত গম পোৱাত লাবান ডিছপেনচাৰিৰ পৰা ডাক্তৰক নিলে— ডাক্তৰে ক'লে— ভয়তে এনে হৈছে— গৰম গাখীৰ খুৱাই শুই থাকিব দিয়ক— চিন্তাৰ কাৰণ নাই।

তেতিয়াৰে পৰা বোলে দুয়োটাই ড্ৰামা কৰিবলৈ এৰিলে।◆

আহ্বান

গোৱালপৰীয়া লোকগীত আৰু বিশুৱা

✍ নির্মলা দাস

অসমৰ পশ্চিম সীমান্তৰ প্ৰহৰীৰ দৰে স্থিতি লৈ থকা এইখন অবিভক্ত গোৱালপাৰা জিলা যদিও বৰ্তমান ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰে এই জিলাখন খণ্ডিত হছে তথাপি প্ৰকৃতিক সৌন্দৰ্য গীত, সাহিত্য আদিৰে ভৰপূৰ অখণ্ডিত গোৱালপাৰা জিলাখনৰ চিত্ৰকল্পই মনলৈ অপাৰ আনন্দ আনি দিয়ে। এই জিলাখন অতীতৰ 'ৰত্নপীঠ'ৰ অন্তৰ্গত, সেইবাবে বোধকৰোঁ সংস্কৃতিৰ প্ৰাচুৰ্যৰে পৰিপূৰ্ণ হৈ আছিল আৰু আজিলৈকে আছে। অতীতৰ ৰত্নপীঠত বৰ্তমানৰ কোচবিহাৰ, জলপাইগুড়ি আৰু পশ্চিমবংগৰ অন্যান্য কাষৰীয়া ঠাইবোৰ অন্তৰ্ভুক্ত হৈ থকাৰ বাবে বৰ্তমানৰ অবিভক্ত গোৱালপাৰা জিলাৰ লোক-সংস্কৃতি বৈচিত্ৰতাৰে পূৰ্ণ। লোক সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ হ'ল গাঁৱৰ সমাজখন। নগৰ সভ্যতাত প্ৰাণৰ অভাৱ পৰিলক্ষিত হয়। সেইভাৱে কবি ৰবীন্দ্ৰনাথ ঠাকুৰ দেৱে লিখিছে—

'দাও ফিরে সে অরণ্য, লও এ নগর।
ৰহ যত লৌহ, লোষ্ট্ৰ, কাষ্ঠ ও প্ৰস্তৰ,
হে নব-সভ্যতা, হে নিষ্ঠুৰ সৰ্বগ্ৰাসী
দাও সেই তপোবন পূণ্যচ্ছায়ারাশি"

জিলাখনৰ সোমাজেৰে বিস্তীৰ্ণ ব্ৰহ্মপুত্ৰ নদ, ফুলৰা-চতলাকে আদি কৰি চৌদিশে কত যে টিলা, পাহাৰ, বিল-দলনি- প্ৰকৃতিৰ বিচিত্ৰতাৰ সমাহাৰ আৰু সংগমস্থল। সময়ৰ দুৰ্বিপাকত বহুতো সংঘাত আৰু সংঘৰ্ষৰ মাজদি সময়বোৰ পাৰ হৈ যোৱাৰ সাক্ষী হৈ ৰ'ল— বিভিন্ন জনগোষ্ঠীৰ সমাৱেশ আৰু বসতিস্থল এইখন গোৱালপাৰা জিলাতেই বড়ো, ৰাভা, হাজং, চাওতাল, নেপালী, কোচ, কলিতা (বৰকলিতা, সৰু কলিতা, কেওট) মুছলমান প্ৰকৃতি জনগোষ্ঠীৰ মিলনতেই এইখন জিলাৰ ভাষাত আহিলে সুন্দৰ জালিকটা এটি লালিত্য সেইদৰে গীত-মাত-কথাতো আহি পৰিল নিভাজ ছন্দৰে ভৰপূৰ এটি বিশিষ্ট ৰাপ। ৰচিত হ'ল বিভিন্ন-মাত, সাধুকথা, কাব্য কাহিনী ফকৰা-যোজনা, পূজা, মন্ত্ৰ ইত্যাদি।

গোৱালপাৰাৰ অধিবাসীসকলৰ লিখিত ভাষা অসমীয়া হ'লেও তেওঁলোকৰ স্বকীয় কথিত ভাষা আছে, তাৰ উপৰি অঞ্চল ভেদেও ভাষাৰ তাৰতম্য আছে। এই বৈচিত্ৰক সন্মান জনাই গোৱালপৰীয়াসকলে নিজকে দেশী মানুহৰ আৰু ভাষআটোক দেশী ভাষা বুলি কৈ গৌৰৱবোধ কৰে। সেইবাবেই তেখেতসকলৰ ৰচিত প্ৰাণৰো প্ৰাণ গীতবোৰত বহুটো ভাষাকে প্ৰয়োগ কৰা দেখা যায়। অৱশ্যে বড়ো, ৰাভা আদি জনগোষ্ঠীৰ লোকৰ মুখত তেখেতসকলৰ স্বকীয় ভাষা প্ৰাধান্য লাভ কৰিছে।

দেশী ভাষাত ৰচিত প্ৰায়ভাগ গীত-কাব্যৰ অন্তৰালত একোটি কাহিনীৰ ছাঁ দেখিবলৈ পোৱা যায়। সেইবোৰত প্ৰকৃতি প্ৰেম আৰু মানৱতাৰ শ্ৰেষ্ঠৰ পৰিপূৰ্ণভাৱে প্ৰকাশিত হৈছে। একেজনা সৃষ্টিকৰ্তাৰ যথেষ্ট জীৱ-জন্তু, চৰাই-চিৰকতী,

গছলতা আৰু মানুহৰ মাজত সম্প্ৰীতিৰ বান্ধ যে কটকটীয়া তাৰেই ৰূপ প্ৰতিফলিত হৈছে— জয়মালা বাহিনী কাব্যৰমাজেৰে। ৰূপহী জয়মালাৰ পতিয়ে তেওঁৰ ৰূপ লাৱণ্যক উপেক্ষা কৰি যেতিয়া আন এগৰাকীক আনি ঘৰ সুমুৱালে- জয়মালাৰ মন বিষাদেৰে মলিন হ'ল। ওচৰৰ পৰ্বতত থকা হাতী এটা তেওঁৰ বি,াতৰ সমভাগী হৈ শূঁৰেৰে আদৰেৰে মেৰিয়াই পাহাৰলৈ লৈ যায় আৰু কেবাটাও হাতীয়ে শূৰেৰে জলাশয়ৰ পবিত্ৰ পানীৰে জয়মালাক নতুন জীৱন দান দিয়ে। জয়মালা মানৱ সমাজৰ পৰা গৈ জীৱ-সমাজত আদৰেৰে স্থান লভিলে। সেইদৰে ময়নামবিৰ গীত, সোণাৰায়ৰ গীত, বাথৌ পুজাৰ গীত, চট্‌কাগীত, দেহতত্বৰ গীত, কুশান গীত নৃত্য, নাওখেলৰ গীত পীৰ-ফকিৰৰ গীত, এভিৰামাগা গীত, আৰু বহুতো গীত সিঁচৰতি হৈ থকা দেখা যায়।

গীতবোৰৰ ভিতৰত চট্‌কা গীত বেছি প্ৰাণবন্ত এইবোৰ গীত বিহু গীতৰ ওচৰ চপা, গছ, লতা,নৈ পানী আদি প্ৰকৃতিৰ বিৱৰণৰে প্ৰাচুৰ্য বেছি। যেনে

'জেঠ মাসেৰ শেষেৰে মুই
নাইওৰ যাবাং চাং'
আকৌ 'আমাৰ মাসে দেওয়ায় ঝড়ে
দেহা কৰে এও'
আৰু 'ও বন্ধুৰে নদীৰ ওপাৰে তোমাৰ বাৰী
যাওয়া আইসা অনেক দেৰি
হাঠিয়া যাইতে নদীৰ পানী
খাপলাং কি খুমলুং কি
খালাও খালাও কৰে ৰে
তোমাৰ আগায় বসিয়া আছি
বটবৃক্ষেৰ তলে ৰে

এইদৰে প্ৰকৃতিক শোভাৰে গীতৰ শোভা বঢ়াইছে— মনৰও।

অসমীয়া জাতিৰ জীৱনত 'বাঁহ' এবিধ অপৰিহাৰ্য সামগ্ৰী। গুৰুজনাৰ সাহিত্যতো (দশম) বাঁহে সন্মানীয় স্থান লাভ কৰিছে। যেনে

'সেইমতে ইটো তৰুসৱ ভাগ্যৱন্ত।
যাহাং বংশৰ বংশী মাধৱে চুম্বন' (দশম)

গোৱালপৰীয়া গীততো বাঁহৰ স্থান উচ্চগামী। গীতবোৰত ÕÃ6 বিধ বাঁহৰ নাম পোৱা যায়।

'আলোৱা আতপেৰ চাউলেৰ্বাশেৰ সেৱা কৰি ইয়াৰ পৰা বুজা যায় বাঁহৰ প্ৰতি আগ্ৰহ। পূজা-পাৰ্বন আৰু বিয়া আদি কৰি বিভিন্ন উৎসৱৰ পৰিৱেশন কৰা গীতৰ লগত সংগত কৰা যন্ত্ৰবোৰৰ ভিতৰত প্ৰধান হ'ল— বাঁহী, বেনা, সাৰিকা, দোতৰা একতাৰা কোল, মন্দিৰা, তাল, সানাই, আৰু ঢাক, বছৰৰ ছটা ঋতু বিভিন্নতাৰে আমাৰ জীৱনত প্ৰতিফলিত হয়। মহাপুৰুষ শংকৰদেৱৰ 'দশম'ত 'বৰ্ষা আৰু শৰৎ বৰ্ণনা' আমাৰ মনত আধ্যাত্মিক ভাব জগাই তোলাৰ উপৰি কৰণীয় নিৰ্দেশাৱলীও আমাক আপ্লুত কৰে। তাৰা কিন্তু ঋতুৰাজৰ বহল বৰ্ণনা নিদিলেও কীৰ্তনৰ 'উৰেযা বৰ্ণন'ত 'বিষু' শব্দৰ অৰ্থ বহাগৰ প্ৰথম দিনটোৰ কথা উল্লেখ কৰিছে যেন লাগে। 'বিষু দিনা বিধিমতে পঞ্চতীৰ্থ কৰি শুভামতে দেখয় যে সুভদ্ৰা ৰাম হৰি... বিষ্ণুৰ ভূবনক যাহব' ইয়াতে বছৰৰ প্ৰথমদিনটো পবিত্ৰা ক্ষণৰ ইংগিত বহন কৰিছে। আকৌ ৰাম চৰণঠআকুৰ গুৰু ৰচিতত লিখিছে— মহাপুৰুষ শংকৰদেৱে সময় নিৰূপণ কৰিছে এইদৰে—

'চৈত্ৰ বিষু সংক্ৰমণ আমিয়া মিলিব
যেহি দিনা ৰুক্মিনীক মন্দিৰ উঠিব-'

প্ৰকৃতিয়ে নতুন সাজেৰে সজ্জিত হৈ ঋতুৰাজ বসন্তকালক আদৰিবলৈ ওলালে— মানুহৰ অন্তৰতো আনন্দৰ দোলা লাগে। সেইবাবে গোৱালপৰীয়া গীতিকাৰৰ কণ্ঠত নিগৰিত হয়

আহ্বান

'গাছেৰ বসন্ত কালেৰে
ভৰিয়া উঠে পাতা
নাৰীৰ বসন্ত কালেৰে
হাসিয়া কয় কথা।
পুৰুষেৰ বসন্ত কালেৰে
বাজায় মোহন বাঁসী
নাৰীৰ বসন্ত কালে
পুৰুষ গলাৰ হাসি'

বসন্ত কাল- মানুহৰ জীৱনত যৌৱনৰ মাদকতা আনে। প্ৰকৃতিৰ লগতে সকলোতে নতুনত্ব দেখে।

মৈষাল গীত, হস্তীৰ কন্যাগীত আৰু অন্যান্য গোৱালপৰীয়া গীত সুৰ, তাল, ভাব প্ৰকাশ আদিত চহকী হ'লেও সেইবোৰত বিহুগীতৰ মাদকতা বিচাৰি পোৱা টান। ইয়াৰ কাৰণো আছে। অসমৰ এই পশ্চিম অঞ্চলত বিহু বহুত পলমকৈ আহে। অৱশ্যে মই পবিত্ৰ দিন দুটা 'দোমাসী' আৰু 'বিশুৱা' বুলি জনাজাত আৰু সেইদৰে পবিত্ৰ ভাবেৰে পালন কৰি অহা হৈছে।

